এপ্ৰিল 2009 ■ Rs.20/-

চান্দমামা



অসমীয়া নৱবৰ্ষৰ শুভেচ্ছাৰে

26
পৌৰাণিক যুৱ নায়ক
ভনন্দ

37
উদীয়মান তাৰকা
ফেনিল শ্বাহ

46
ভাৰত বুৰঞ্জীৰ দুটিমান পৃষ্ঠা
তালাক্কাডৰ অভিশাপ


New
BOOMER
Super Bubble Gum
Gumlairs
Éclairs ka baap
Gumlairs ka 3 fun fundas!
#1
Gumlairs blows bubbles, Eclairs does not.
#2
Gumlairs lasts really long, Eclairs does not.
#3
Gumlairs doesn't stick to your teeth, Eclairs does.
'Gumlairs kyon hai different?' Contest
What's the difference between the old and boring Éclairs and the new Boomer Gumlairs?
Write in to us with the correct answer and win exciting Gumlairs gift hampers and other Boomer goodies.
Send your entries to :
Chandamama India Ltd, New No 2/513(old no 3/396), Sandeep avenue wast, 2nd Main Road, Chinna Neelankarai, Chennai 600 041 OR boomer@chandamama.com OR SMS WGL <space> <your answer> to 54646
Don't forget to mention your name, address, phone no & e-mail address.

ৱা: সেইটো কি ? ৰোহনে তাৰ ট্ৰিট পেকেটৰ ভিতৰত পাইছে ইচাকপিচাক !
ইচাক পিচাক
বদমাছ বিলুৱে ৰোহনৰ ট্ৰিট হাচিল কৰিব খুজিছে । কিন্তু বিলুৰ কাৰণে আছে বাধা ।
পাচাক ! !
পিস্কু দবাওক, ট্ৰিট বচাওক !
FREE
BANO FUNTOON!!
Treat
Jim Jam
Treat
PICHKOO MASTI!
ট্ৰিট নিজে লৈহে এৰিম !
3+
BRITANNIA
SAFETY

চান্দমামা বৰ্ষ ৩৩ এপ্ৰিল ২০০৯ সংখ্যা-৪

এই সংখ্যাত আছে

★ পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা ...০৬
★ ন্যায় বিচাৰ ...০৭
★ ক্ষিপ্ৰ সূত্ৰ ...১২
★ পাতাল দুৰ্গ-৭ ...১৩
★ সংবাদ বিচিত্ৰা ...২৫
★ পৌৰাণিক যুৱ নায়ক-১১ ...২৬
★ ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান ...৩১
★ বীৰবলৰ কাহিনী-২০ ...৩২
★ উদীয়মান তাৰকা ...৩৭
★ যমুনা নদীত নৌকাযাত্ৰা ...৩৮
★ বিচিত্ৰ ভাৰত ...৪৫
★ বাতৰিৰ শিৰোনামাত শিশু ...৫০
★ ইউৰেকা ...৫১
★ খেলা-ধূলা ...৫২
★ জাতক কথা ...৫৩
★ ঋণ আদায় ...৬৩
★ আৰ্য-১ ...৬৭
★ চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩ ...৭১
★ জানো আহাঁ নানা কথা ...৭৩
★ ফটো নামকৰণ প্ৰতিযোগিতা ...৭৪

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

বিশেষ আকৰ্ষণ

মাধৱীৰ সাহস
(বেতাল কাহিনী)
...১৯

সবাতোকৈ শক্তিশালী মানুহজন
(নাইজেৰিয়াৰ এটা লোককাহিনী)
...৪২

তালাক্কাডৰ অভিশাপ
(ভাৰত বুৰঞ্জীৰ দুটিমান পৃষ্ঠা)
...৪৬

ৰামায়ণ
(যুদ্ধ কাণ্ড-৪)
... ৫৭

Visit us at : http://www.chandamama.com

12-04-2009

বন্ধৰ বাবে সজ উপদেশ

এইটো সংখ্যা তোমালোকৰ হাতত পৰেগৈ মানে, প্ৰিয় পাঠকসকল, তোমালোকৰ বহুতৰ বাবে গ্ৰীষ্মৰ বন্ধ আৰম্ভই হ'ব। এই বন্ধৰ আনন্দ ধূলিস্যাৎ নকৰাকৈ, এই সময়ছোৱাত কৰিব পৰা এনে কিছুমান কাম আছে, যিবোৰে নিশ্চিত কৰিব বন্ধৰ পাছত (দুখৰ কথা, বন্ধ এদিন শেষ হ'বই) তোমালোক একো একোজন সচেতন আৰু জ্ঞানী বিদ্যাৰ্থী হৈ উঠিবা। ইয়াৰ অৰ্থ এইটো নহয় যে তোমালোকে বন্ধৰ সময়ছোৱাত কৰা কিবা পৰিকল্পনা বা ভ্ৰমণ বাদ দিয়া উচিত। তাৰ বিপৰীতে, তোমালোকে ধেমালিৰ মাজেৰে শিকণ প্ৰক্ৰিয়া অব্যাহত ৰখা উচিত।

তোমালোকৰ এই ধেমালিভৰা ৰুটিনত এইবাৰৰ গ্ৰীষ্মত তোমালোকে তলত দিয়া কামবোৰ অন্তৰ্ভুক্ত কৰিব পাৰা:

১. এখন পৰিয়ালৰ মানচিত্ৰ তৈয়াৰ কৰা: ককা আইতা বা পৰিয়ালৰ এজন জ্যেষ্ঠ সদস্যৰ লগত বহি লোৱা আৰু তেওঁলোকৰ মাক দেউতাক, মাক-দেউতাকৰ মাক-দেউতাক, তেওঁলোকৰ আটাইবোৰ ভাই-ভণী, তেওঁলোকৰ সন্তান আৰু সেই সন্তানৰ সন্তানৰ কথা বিশদভাৱে লিখি লিখি একেবাৰে এতিয়াৰ প্ৰজন্মলৈ আঁহা। তোমালোকে অনুভৱ কৰিব পাৰা যে তোমালোকৰ ককা-আইতা তোমালোকে ভবাতকৈ বহু বেছি চিত্তাকৰ্ষক। এইদৰে, তোমালোকে নিজৰ পৰিয়ালটোৰ ইতিহাসৰ কথাও জানিব পাৰিবা।

২. তোমাৰ চুবুৰীৰ বন্ধুসকলক লৈ এটা দল গঠন কৰা। তোমালোকৰ কাম হ'ব চুবুৰীটো ওচৰে পাজৰে থকা আটাইবোৰ অঞ্চলৰ ভিতৰত সবাতোকৈ বেছি পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰখা। এলেকাটোত মানুহক সচেতন কৰি তোলা, আৱৰ্জনা চাফা কৰা মানুহজনৰ লগত কথা পাতা। হয়তো তেওঁৱেই তোমালোকক দিব পাৰিব এলেকাটো ফু মাৰি ভাত খাব পৰা কেনেকৈ কৰিব পাৰি তাৰ আচল কৌশল। এনেকুৱা কেইবাটাও দল গঠন কৰা। চোৱা কাৰ কাম আটাইতকৈ ভাল হয়। তোমালোকৰ বাবে পুৰস্কাৰৰ ব্যৱস্থা কৰা।

৩. এতিয়া যিহেতু সাধাৰণ নিৰ্বাচন সমাগত, প্ৰতিদিনে বাতৰি কাকত পঢ়া। নিৰ্বাচনী প্ৰক্ৰিয়াৰ কথা শিকি লোৱা। কোনে ভোটাৰসকলক কি প্ৰতিশ্ৰুতি দিছে সাৱধানে মন কৰা। পৰৱৰ্ত্তী লোকসভা কেনেকৈ গঠন হয় আৰু কোনে চৰকাৰ গঠন কৰে তালৈ কৰা।

দেশৰ আন কোনো চহৰৰ আত্মীয়ৰ ঘৰত থাকিলেও তোমালোকে এই আটাইবোৰ (বা ইয়াৰে কেইটামান) কাম কৰিব পাৰা। ই নিশ্চিত কৰিব এটা শ্ৰেণী ওপৰলৈ উঠোতে তোমাৰ সচেতনতা আৰু জ্ঞান আৰু এটা খলপা ওপৰলৈ উঠিব।

বন্ধৰ দিনবোৰ হাঁহি-ধেমালিৰে পাৰ হওক।

সম্পাদক : এল. সুব্ৰহ্মণয়ন

Founded by B. Nagi Reddi and Chakrapani

Chairman : B. Viswanatha Reddi (Viswam)
Editor & Publisher : L. Subramanyan
Consultant Editor : K. Ramakrishnan
Associate Editor : Sowmya Rajendran
Senior Artists: K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh
Artist : Jayapandian
Asst. Editor-Copy & Pre-Production : R. Sudha
Creative Writer : R. Vaasugi
Layout Designer : B.A. Hemalata Malini

CIRCULATION TEAM :
Chennai* : T N Ravi Shankar, *National Sales Manager, Mobile +91 99620 70014
email : ravishankar.tn@chandamama.com
Fazal Khan, *Manager-Circulation & Institutional Sales - South*, Mobile +91 99625 67860
email : fazal.khan@chandamama.com
Mumbai* : Rajendra K Jadhav, *Asst. Manager - Circulation, Mobile +91 9320565048
CHANDAMAMA INDIA LTD.,
B-3, Lunic Industry, Opp. State Bank of India, Near Police Station Cross Road, No.6, MIDC Andheri (East), Mumbai-400093
Phone +91 22 28312872 / 28311849
email : rajendra.jadhav@chandamama.com
New Delhi* : Sushil Sharma, *Circulation Manager-North, Mobile +91 99110 91022
CHANDAMAMA INDIA LTD.,
Goyal Business Centre, C-23/2 First floor, Connaught Place, New Delhi-110001
Bangalore* : P. Murali, *Asst. Circulation Manager -Karnataka, Mobile +91 94488 36952
CHANDAMAMA INDIA LTD., 18, 10th Cross, Mayura Street, Papanna Lay Out, Outer Ring Road, RMV 2nd Stage, Bangalore-560094,
Phone +91 80 6655 1000
email:murali.p@chandamama.com
Kolkata* : Ananth Prakash, *Circulation Manager-East, Mobile +91 98362 82202, 98351 82202
CHANDAMAMA INDIA LTD.,
2, Decers Lane, Opp. S.K. Automobile, Kolkata- 700069. West Bengal.
email : ananth.prakash@chandamama.com
Ahmedabad* : Kalpesh Raval, *Sales Officer-Circulation Mobile +91 98245 19946
email : kalpesh.raval@chandamama.com
***Content Head - Online* : Sowmya Bharadwaj**
email : sowmya.b@chandamama.com
***Head - Business Development* : Surajit Agarwal**
email : surajit@chandamama.com
Advertisement :
email : sales@chandamama.com
Subscription Queries: L Govindasamy
e-mail : govindaswamy.l@chandamama.com
Customer Cell : A B Sairam
Mobile: +91 9841983774
e-mail : sairam.ab@chandamama.com
Production Executive : Panchakshari R Math
***Head Office* : CHANDAMAMA INDIA LTD.,**
2/513 (Old 3/396), Sundeep Avenue East, 2nd Main Road, Chinna Neelankarai, Chennai - 600 041 Phone +91 44 43992828, Fax +91 44 43992829
Email : chandamama@chandamama.com
Website : www.chandamama.com

পঢ়ুৱৈৰ বাবে এটা পৃষ্ঠা

আপোনালোকে যদি ইংৰাজী সংস্কৰণৰ আকাৰ বঢ়াই দিয়ে তেন্তে এতিয়াৰ তুলনাত বেছি কথা আৰু লেখনি থাকিব পাৰে আৰু শিশুসকলে আৰু বেছি পঠন সামগ্ৰী পাব।

- ৰনিল, ডিব্ৰুগড়

মই *চান্দমামাৰ* কাহিনীবোৰ এই কাৰণেই ভাল পাওঁ যে সেইবোৰে সকলো ধৰণৰ বিষয় সামৰি লয়। মই প্ৰশ্নোত্তৰৰ উত্তৰ লিখি পঠিয়াব খোজো, কিন্তু সময়ৰ অভাৱত হৈ নুঠেগৈ।

- উদয়, গুৱাহাটী

যোৱা ২০ বছৰ ধৰি মই নিয়মিত ৰূপত *চান্দমামা* পঢ়ি আহিছো। যোৱা বছৰ চেপ্তেম্বৰ মাহত চান্দমামাৰ বিশেষ সংখ্যা প্ৰকাশ পাইছিল, কিন্তু ভাষা আছিল ইংৰাজী । ৰামায়ণও ইংৰাজী ভাষাতহে প্ৰচাৰ কৰা হৈছে। ইয়াৰদ্বাৰা হিন্দীভাষী আৰু অন্য ভাৰতীয় ভাষাভাষী পাঠকৰ প্ৰতি অন্যায় কৰা হৈছে। যদি এই সমস্ত প্ৰকাশন আৰু অন্য প্ৰতিযোগিতা ইংৰাজীৰ লগতে সমস্ত ভাৰতীয় ভাষাতো হ'লহেঁতেন সেয়া কিমান ভাল কথা হ'লহেঁতেন।

শেষত কৰযোৰে এই অনুৰোধ কৰিব খুজিছো যে *চান্দমামাৰ* বিশেষ সংখ্যা, পৌৰাণিক কাহিনী, আৰু অন্য প্ৰতিযোগিতাসমূহ ইংৰাজীৰ লগতে হিন্দীকে ধৰি অন্য ভাৰতীয় ভাষাতো প্ৰকাশ কৰা হয় যেন। তেতিয়াহে সকলো ভাষাৰ পাঠকে লাভ আদায় কৰিব পাৰিব ।

- অনুসূয়া, নলবাৰী

ইয়াৰ বাহিৰেও পাঠকে feedback@chandamama.com এই ঠিকনাত ই-মেইলও কৰিব পাৰে বা MLANG <ASS your feedback> লিখি 54646 লৈ SMSও কৰিব পাৰে।



ন্যায় বিচাৰ

নিৰঞ্জন ৰাঘৱে গাঁওবাসীক যেতিয়াই প্ৰয়োজন হয় তেতিয়াই ছেগ বুজি ধন ধাৰলৈ দিছিল আৰু তেওঁলোকৰপৰা বহুত সুদ লৈ ঋণৰ ধন আদায় কৰিছিল আৰু এইদৰে তেওঁ বহুত ধন গোটাইছিল। তেওঁ বৰ কৃপণ আছিল। হাতৰ-পৰা তেওঁৰ ফুটা কড়ি এটাও সৰি পৰা নাছিল। তেওঁৰ এই স্বভাৱৰ বাবে তেওঁৰ পত্নী আৰু পুত্ৰ বৰ অসন্তুষ্ট আছিল।

এদিন ৰাতি দুজন বাটৰুৱা তেওঁৰ ঘৰলৈ আহিল। তেওঁলোকে ৰাঘৱক ক'লে, "এটা জৰুৰী কাম লৈ আমি ওচৰৰে সুৱাগপুৰলৈ ওলাইছো। এইখিনি পাঁওহি মানে বহুত পলম হ'ল। আজি ৰাতি আমি ইয়াতে থাকিব খোজো। কিয়নো ইমান ৰাতি আগবাঢ়ি যোৱাটো বিপদজনক হ'ব পাৰে। আপুনি আমাক ৰাতিটো ইয়াতে কটাবলৈ অনুমতি দিবনে? আমাৰ ভোকো লাগিছে। যদি আমাৰ খোৱাৰ ব্যৱস্থা কৰে তেন্তে আমি আপোনাক চাৰিটা সোণৰ মুদ্ৰা দিম।"

চাৰিটা সোণৰ মুদ্ৰাৰ কথা তেওঁৰ কাণত পৰাৰ লগে লগে, ৰাঘৱে তেওঁলোকৰ প্ৰস্তাৱ স্বীকাৰ কৰিলে আৰু তৎক্ষণাৎ তেওঁলোকৰ খোৱাৰ ব্যৱস্থা কৰোৱালে আৰু তাতে শুবলৈ ক'লে। ভোজন কৰি উঠাৰ পাছত তেওঁলোকক ৰাঘৱে সুধিলে, "আপোনালোক সুৱাগপুৰলৈ কিয় গৈ আছে?"

তেওঁলোকৰ মাজৰ কম বয়সীয়া যুৱকজনে ক'লে, "সেইটো ৰহস্যপূৰ্ণ কথা। আপোনাক আমি ক'ব নোৱাৰিম।"

ৰহস্য শব্দটো শুনাৰ লগে লগে ৰাঘৱৰ কৌতূহল আৰু বাঢ়িল। এই ৰহস্যটোনো কি সেই কথা তেওঁ বাৰে বাৰে সোধাত সেই যুৱকে ক'লে, "ডাঙৰীয়া, সেইটো এটা বৰ ডাঙৰ ৰহস্য। আপুনি যদি কথাটো কাকো নকয় বুলি আমাক প্ৰতিশ্ৰুতি দিয়ে, তেন্তে আমি ক'ব পাৰো। এখেত মোৰ মালিক। এসময়ত তেখেত বৰ ধনী মানুহ আছিল। কিন্তু আজি তেওঁৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ হৈছে।

ভানুপ্ৰসাদ



তেখেত ধাৰত ডিঙিলৈকে পোত গৈ আছে। ঋণদাতাসকলে তেওঁৰ জীৱন দুৰ্বহ কৰি তুলিছে, প্ৰতি নিশাই ধাৰৰ ধন বিচাৰি আহে। সেয়হে তেখেত ঘৰত নাথাকেই আৰু সেইবোৰ মানুহৰপৰা লুকাই গাঁৱে গাঁৱে ঘূৰি ফুৰে। তেখেতৰ পূৰ্বপুৰুষ সকল বৰ আঢ্যৱন্ত আছিল। সম্পত্তি বুলিবলৈ এতিয়া তেখেতৰ ওচৰত আছেগৈ দেউতাকৰপৰা পোৱা সোণৰ এটুকুৰা ইটা। যিকোনো পৰিস্থিতিতে এতিয়া তেখেতে সেই ইটাটুকুৰা বেচিবই লাগিব। এইটুকুৰা ক্ৰয় কৰাৰ শক্তি আছে কেৱল সুৱাগপুৰৰ মাধৱৰ। আমি তেওঁৰ ওচৰলৈকে গৈ আছো।" যুৱকে ক'লে।

সোণৰ ইটাৰ কথা শুনিয়েই ৰাঘৱৰ চকু কপালত উঠিল। এতিয়া তেওঁৰ লোভ আৰু বাঢ়িল। তেওঁ ভাবিবলৈ ধৰিলে, এনে দামী বস্তু এটা কম দামতে সৰকাব পাৰিলে ভাল। সোণৰ ইটাটুকুৰা চাবলৈ তেওঁৰ মন উত্ৰাৱল হৈ উঠিল। তেওঁ এই সুযোগটো হেৰুৱাব নুখুজিলে, সেয়েহে তেওঁ ইটাটুকুৰা দেখুৱাবলৈ দুই অতিথিক কুটুৰিবলৈ ধৰিলে। যুৱকে কাপোৰৰ তলত লুকুৱাই অনা ইটাটুকুৰা বাহিৰ উলিয়ালে আৰু সেইটুকুৰা দেখুৱাই ৰাঘৱক ক'লে, "এই টুকুৰাৰ দাম অতি কমেও এক লাখ হ'ব। আমাক যিহেতু ধনৰ খুব প্ৰয়োজন হৈছে সেয়েহে আমি ইটাটুকুৰা পঞ্চাছ হাজাৰতো বেচিবলৈ সাজু আছো।"

ইটাটুকুৰা দেখিয়েই ৰাঘৱৰ মূৰ ঘূৰাই গ'ল। যিকোনো উপায়েৰে হ'লেও ইটাটুকুৰা ক্ৰয় কৰিবলৈ তেওঁৰ প্ৰবল ইচ্ছা হ'ল। তৎক্ষণাৎ তেওঁ এটা সিদ্ধান্তলৈ আহিল আৰু ক'লে, "আপোনালোকনো মিছাতে সুৱাগপুৰলৈ যাব লাগিছে কিয়? এই ইটাটুকুৰা ময়েই কিনিম। দাম এটা ঠিক কৰক।"

"মহাশয়, আপুনি পেট ভৰাই খাবলৈ দিলে। ৰাতিটো ইয়াতে কটাবলৈ আমাক অনুমতি দিলে। আপুনি লয় যদি আমি পাঁচছ হাজাৰ সোণৰ মুদ্ৰাতে দিম, তাতকৈ কম দামত আমি দিব নোৱাৰিম।" ডাঙৰজনে ক'লে।

ৰাঘৱে তেওঁলোকক কাকূতি মিনতি কৰি দাম পোন্ধৰ হাজাৰলৈ নমালে। পুৱা যাতে তেওঁৰ মন সলনি নহয় তাৰ বাবে তেওঁ তেতিয়াই পোন্ধৰ হাজাৰ সোণৰ মুদ্ৰা দি ইটাটুকুৰা লৈ আলমাৰীত ভৰাই থ'লে। তাৰপাছত তেওঁ ভিতৰত শুবলৈ গ'ল।

ৰাতিপুৱা উঠিয়েই তেওঁ বাহিৰলৈ আহি দেখিলে যে দুয়োজন বাটৰুৱা নাই। তেওঁ ভাবিলে যে নিজৰ কাম হৈ যোৱাৰ বাবেই নিশ্চয় তেওঁলোক গ'ল গৈ। তেওঁ ইটাটুকুৰা লৈ

সোণাৰীৰ ওচৰলৈ গ'ল আৰু সেইটুকুৰা পৰীক্ষা কৰি চাবলৈ ক'লে।

সোণাৰীয়ে খুব ভালকৈ পৰীক্ষা কৰি উঠি ক'লে, "পাঁচটা লোহাৰ টুকুৰাৰ ওপৰত সোণপানী চৰোৱা হৈছে। এয়া আচল সোণ নহয়।"

ৰাঘৱৰ মূৰত আকাশী সৰগ ভাগি পৰাৰ উপক্ৰম হ'ল। তেওঁ ভাৰসাম্য হেৰুৱাই মাটিত বাগৰি পৰিল। অলপ সময়ৰ পাছত নিজকে চম্ভালি লৈ উঠিল আৰু পোনে পোনে ৰাজধানীলৈ গ'ল। তেওঁ ৰজাক লগ ধৰিলে আৰু তেওঁ কেনে প্ৰতাৰণাৰ বলি হ'ল সেই কথা সবিস্তাৰে ক'লে। ৰাঘৱে ৰজাক ন্যায় প্ৰদান কৰিবলৈ অনুৰোধ কৰিলে।

ৰজা যশোবৰ্দ্ধন যুৱক আছিল। তেওঁ বৰ সুবিবেচক আছিল। ন্যায় প্ৰদানত তেওঁৰ যোগ্যতা অতুলনীয় আছিল। প্ৰজায়ো ৰজাক প্ৰশংসা কৰি ভাগৰ অনুভৱ কৰা নাছিল। ৰাঘৱৰ অভিযোগ শুনাৰ পাছত তেওঁ সৈনিক-সকলক ক'লে, "এওঁক তৎক্ষণাৎ কাৰাগাৰত ভৰাই থোৱা।"

ৰাঘৱ অবাক হ'ল। তেওঁ কান্দিলে, চিঞৰিলে, কিন্তু সৈনিকসকলে বলপূৰ্বকভাৱে তেওঁক লৈ গৈ কাৰাগাৰত নিক্ষেপ কৰিলে।

ৰজাৰ এই সিদ্ধান্তত সভাসদসকল আচৰিত হ'ল। তেওঁলোকে নিজৰ ভিতৰতে কথা পাতিলে, "ন্যায় বিচাৰি অহা এজন মানুহক এনেকৈ বন্দী কৰি ৰখাটো বৰ অন্যায় হৈছে।"

সভাসদসকলে কৰা মন্তব্যৰ কথা মন্ত্ৰীয়ে ৰজাক কোৱাত ৰজাই হাঁহি মাৰি ক'লে, "এসপ্তাহৰ ভিতৰতে ৰাঘৱৰ অভিযোগৰ ওপৰত প্ৰয়োজনীয় কাৰ্যব্যৱস্থা লোৱা হ'ব।"

যিদিনা ৰাঘৱৰ অভিযোগৰ ওপৰত শুনানী চলিছিল, সেইদিনা ৰাজসভা আগশাৰীৰ বিষয়াবে

ভৰপূৰ আছিল। ৰজাৰ সিদ্ধান্ত শুনিবলৈ বৃহৎ সংখ্যক প্ৰজাও একত্ৰিত হৈছিল।

ৰজাই ৰাঘৱক ৰাজসভালৈ মাতি আনি গোটেই কথাখিনি সবিস্তাৰে ক'বলৈ আদেশ দিলে। সেই ৰাতি কি কি ঘটিছিল সেই কথা সবিস্তাৰে বৰ্ণনা কৰি ৰাঘৱে ক'লে, "আপুনি ধৰ্ম প্ৰভু। সেই প্ৰতাৰক দুজনক দণ্ড দিয়ক আৰু মোক ন্যায় প্ৰদান কৰক।" হাতযোৰ কৰি তেওঁ ৰজাক অনুৰোধ কৰিলে।

তাৰপাছত সভাসদসকলক সম্বোধি ৰজাই ক'লে, "আপোনালোকে শুনিলে নহয়। ইয়াত কোনো সন্দেহ নাই যে বাটৰুৱাদুজনে ৰাঘৱক প্ৰতাৰণা কৰিলে, কিন্তু ইয়াত আৰু এটা প্ৰধান বিষয় আছে, যিটো আপোনালোকে পাহৰি যোৱা অনুচিত। বাটৰুৱাদুজনৰ হাতত লাখ মুদ্ৰাৰ সোণ এওঁ পোন্ধৰ হাজাৰ দি কিনি পেলালে। সেইটো ৰাঘৱৰ দুষ্টতা নহয় আন কি হ'ব পাৰে? যেতিয়া তেওঁ প্ৰতাৰিত হ'ল বুলি গম পালে তেতিয়া তেওঁৰ দুখ লাগিল। কিন্তু ইমান দামী সোণৰ ইটাটুকুৰা পানী দামত কিনি তেওঁ সুখ পাইছিল। দৰাচলতে তেওঁৰ লোভ নথকাহেঁতেন তেওঁ প্ৰতাৰিত হ'বও নালাগিলহেঁতেন।

"এওঁৰ দুৰাশাই এওঁৰ বিবেকক অকামিলা কৰিলে। তেওঁ এই কথা ভাবি নাচালে লাখ মুদ্ৰাৰ সোণ ইমান পানী দামত মানুহদুজনে বেচিবলৈ ওলাইছে কিয়? সময়ে সময়ে এনে প্ৰতাৰণা হৈ থাকে বুলিও তেওঁ নজনা নহয়। তথাপি মানুহে তালৈ মন নিদিলে পিছত অনুতাপ কৰিব লগীয়া হয়।

এনে প্ৰতাৰণা এবাৰ হ'লে প্ৰতাৰকক কঠোৰ শাস্তি দিব পাৰি। কিন্তু ই যদি বাৰম্বাৰ হয় তেন্তে তাৰ দায়িত্ব ল'ব লাগিব প্ৰতাৰণাৰ বলি হোৱাজনে। সঁচা কথা ক'বলৈ গ'লে আমাৰ সৈনিকে পিছদিনাই সেই দুজন বাটৰুৱাক ধৰি পেলালে আৰু পোন্ধৰ হাজাৰ মুদ্ৰাও আদায় ল'লে। সেইখিনি ধন মই এতিয়া ৰাঘৱক দিম।

"ভৱিষ্যতে যাতে এনে প্ৰতাৰণা নহয় তালৈ মন কৰিব। সেই কথা আপোনালোকে সকলোৱে যাতে জানে, তাক লৈ আলোচনা কৰে, সেই উদ্দেশ্যেই মই ৰাঘৱক এসপ্তাহ কাৰাগাৰত থ'লো। ভৱিষ্যতে আপোনালোক সাৱধানে থাকিব।"

যশোবৰ্দ্ধনৰ সঠিক আৰু প্ৰবোধাত্মক ন্যায় সিদ্ধান্ত দেখি সকলোৱে হৰ্ষধ্বনি কৰিলে।



Check out

the coolest place on the web, Chandamama.com

Guaranteed to provide you with a ton of fun!

- Post your jokes!!
- Submit your story online and win the chance to get published in Chandamama..
- Enjoy Comics !
  - Dushtu Dattu
  - Bheem Boy
- Read Mister Muthu's adventures
- Download and play games
- Shop for books and posters
- Play games in Funzone
- Download cool wallpapers

ক্ষিপ্ৰ সূত্ৰ

সংখ্যা দেখিলে তুমি বাৰু বিপাঙত পৰা নেকি? গণনা কৰি ভাল পোৱা বাবে তুমি ভেড়াৰ সংখ্যা গণনা কৰা নে টোপনি যাবলৈহে গণনা কৰা? আৰু চিন্তা কৰাৰ সকাম নাই, এইখন পৃষ্ঠা তোমাৰ বাবেই।

বৈদিক অংকশাস্ত্ৰ হ'ল অংকৰ এটা পৌৰাণিক পদ্ধতি যি কাম কৰে যোল্লটা সূত্ৰৰ ওপৰত। সেইবোৰে গাণনিক সমস্যাবোৰ তেনেই সহজ কৰি তোলে। উদাহৰণ স্বৰূপে দিয়া হৈছে এটা সৰু অংকৰ কৌশল যিটো জানি ল'লে তোমাৰ মূৰ খজোৱাটো বহুত কমিব:

৫ X ৫ হ'ল ২৫, কিন্তু ৯৫ X ৯৫ কিমান হ'ব? কেলকুলেটৰ বিচাৰি হাবাথুৰি নাখাবা! তুমি যদি ৫ ৰে শেষ হোৱা এটা সংখ্যাৰ বৰ্গ উলিয়াব লগা হৈছে তেন্তে তলৰ পদক্ষেপ কেইটা লোৱা, দেখিবা চকুৰ পচাৰতে উত্তৰটো ওলাইছে! পদক্ষেপ ১: ৫ X ৫ কৰি তাৰ উত্তৰ ২৫ টো তুমি তোমাৰ উত্তৰৰ সোঁহাতৰ অংশ হিচাপে লিখা।

পদক্ষেপ ২: এতিয়া ৫ৰ বাহিৰে আনটো সংখ্যাক তাতকৈ ১ বেছি সংখ্যাটোৰে পূৰণ কৰা; অৰ্থাৎ ৯৫ ৰপৰা ৫টো মোহাৰি দিলে থাকিব ৯। ৯ তকৈ ১ বেছি হ'ল ১০। গতিকে ৯ক ১০ৰে পূৰণ কৰা। এতিয়া ৯০ ক তোমাৰ উত্তৰৰ বাঁওহাতৰ অংশ হিচাপে লিখা:

এতিয়া তোমাৰ উত্তৰটো হ'ব ৯০২৫।

এতিয়া কেলকুলেটৰটো আনি উত্তৰটো চোৱা! কি দেখিলা? আচৰিত নহয়নে?

এইবাৰ দিছো এই মাহৰ প্ৰশ্নটো:

ৰোহন আৰু মহেশে এটা জন্তু চোৱাচিতা কেন্দ্ৰত সোমাইছে। দুয়োকে এটা কাম দিয়া হ'ল--৬৩টা মেকুৰী আৰু ২৮টা কুকুৰক চেপ্তেম্বৰ, অক্টোবৰ আৰু নৱেম্বৰ এই তিনি মাহ খুৱাব লাগে। প্ৰতিদিনে এটা জন্তুক খোৱাৰ খৰচ পৰে ১০ টকা। এতিয়া তেওঁলোকৰ তিনিমাহৰ বাজেট উলিওৱাৰ ক্ষিপ্ৰ উপায়টো কি? তোমাৰ ক্ষিপ্ৰ সূত্ৰটো আমালৈ পঠিওৱা!

সবাতোকৈ ক্ষিপ্ৰ সূত্ৰটো দিয়াজনে পাব ৫০০ টকা পুৰস্কাৰ।

তোমাৰ প্ৰৱিষ্টি তলৰ ঠিকনাত পঠিওৱা!

সম্পাদক, চান্দমামা ইণ্ডিয়া লিমিটেড, ২/৫১৩ (পুৰণি ৩/৩৯৬),
চানদীপ এভিনিউ ইষ্ট, চিন্না নীলাংকাৰাই, চেন্নাই-৬০০০৪১,
বা তোমাৰ প্ৰৱিষ্টি contests@chandamama.com লৈ ই-মেইল কৰা।

টোকা: এই সমস্যাটোৰ বৈদিক অংকশাস্ত্ৰীয় সূত্ৰ প্ৰকাশ কৰা হ'ব জুন সংখ্যাত।

পাতাল দুৰ্গ

৭

(সৈনিকসকলে গুহাৰ ভিতৰত কালশ্বম্বৰ আৰু কুম্ভীৰক দেখা নাপালে। এটা গুহাত দুজন সৈনিক অজগৰৰ চিকাৰ হয়। ধূমকে কালশ্বম্বৰৰ মন্ত্ৰদণ্ড পায়। সেই সময়তে কদম্ব দেশৰ মন্ত্ৰী আহত হৈ ঘোঁৰাৰ ওপৰত উঠি তালৈ আহে। তেওঁ তেওঁৰ ৰজা উগ্ৰসেনৰ সমুখত ''সৰ্বনাশ'' বুলি কৈ বাগৰি পৰে। তাৰ পাছত...)

গংগাধৰে বৈদ্যক মাতি কদম্ব মন্ত্ৰীৰ ঘাঁবোৰত চিকিৎসা কৰি ঔষধ দিবলৈ ক'লে। দুজন সৈনিকে মন্ত্ৰীক এটা শিলত আউজাই বহুৱাই দিলে। ৰজা উগ্ৰসেনে তেওঁক সুধিলে, "অমাত্য! এইবোৰ কি হৈছে?"

কদম্ব মন্ত্ৰীৰ চিকিৎসা শেষ হোৱাৰ পাছত গংগাধৰে সুধিলে, "অমাত্য, এতিয়া কওক। আপোনাৰ এই দশা হ'ল কেনেকৈ? আপুনি নিসংকোচে আমাক ক'ব পাৰে। ইয়াত আপুনি সম্পূৰ্ণৰূপে সুৰক্ষিত। কদম্ব নগৰৰ ওপৰত শত্ৰুৱে আক্ৰমণ চলাইছে নেকি?"

কদম্ব মন্ত্ৰীৰ অৱস্থা খুব বেয়া আছিল। দুৰ্বলতাৰ বাবে তেওঁৰ চকু জাপ খাই গৈছিল। গংগাধৰৰ কথা শুনি তেওঁ খুব কষ্টৰে ইংগিত দিলে যে তেওঁৰ পিয়াহ লাগিছে। সৈনিকে তেওঁক পানী দিলে। মন্ত্ৰীয়ে পিয়াহ পলুৱাই অলপ বল পালে। "এখেতক কুন্তল দেশৰ মহামন্ত্ৰী যেন লাগিছে।" মন্ত্ৰীয়ে গংগাধৰৰ ফালে চাই মূৰ দুপিয়ালে। "যেতিয়াই মই শুনিলো যে কদম্ব নগৰৰ ওপৰত শত্ৰুৱে আক্ৰমণ

কৰিছে, মই ভাবিলো কুন্তল দেশৰ সেনা-বাহিনীয়েই হ'ব।" এইবুলি কৈ মন্ত্ৰীয়ে উগ্ৰসেনৰ ফালে চালে।

ৰজা উগ্ৰসেনে খঙতে কঁপি কঁপি ক'লে, "তুমি তাকেই ক'ব খুজিছা নহয় জানো যে কদম্ব নগৰ শত্ৰুৱে অধিকাৰ কৰিছে?" মন্ত্ৰীক তেওঁ ডাঙৰ মাতেৰে সুধিলে।

"মহাৰাজ আপুনি শান্ত হওক," এইবুলি কৈ মন্ত্ৰী গংগাধৰে উগ্ৰসেনক শান্ত কৰিলে। তাৰপাছত তেওঁ কদম্ব মন্ত্ৰীক সুধিলে, "তেন্তে এই শত্ৰুনো কোন?"

"বাহিৰৰ শত্ৰু হোৱাহেঁতেন সম্ভৱ ৰাজধানীয়ে বশ্যতা স্বীকাৰ কৰিবলগীয়া নহ'লহেঁতেন। কদম্ববাসীয়েই বিদ্ৰোহ কৰিছিল। তেওঁলোকে চিকমিক নকৰা বিজুলীৰ দৰে মেঘহীন বৰষুণৰ দৰে নগৰৰ ওপৰত জঁপিয়াই পৰিলহি আৰু নগৰৰ বহুতো মানুহ তেওঁ-লোকৰ লগ লাগিল। অলপ সময়ৰ ভিতৰতে তেওঁলোকে ৰাজপ্ৰাসাদৰ ওপৰত আক্ৰমণ কৰিলে আৰু ৰাজকোষ লুটি ল'লে।" কদম্ব মন্ত্ৰীয়ে ক'লে।

"ৰাজকোষ লুট কৰিলে? মোৰ ৰাজকোষ? হে ভগৱান! এতিয়া কি হ'ব? কাম কেনেকৈ চলিব? বিনা ৰাজকোষেৰে ৰাজ্যৰ সুৰক্ষা সম্ভৱ হ'ব কেনেকৈ? সেই ৰাজকোষত আছিল মোৰ পূৰ্বপুৰুষৰ সঞ্চিত ধন, প্ৰজন্মৰ পাছত প্ৰজন্ম সেইবোৰ জমা কৰা হৈছিল, সোণ, ৰূপ, মণি মুকুতা সকলো আছিল," এইবুলি কৈ উগ্ৰসেন গৰজি উঠিল, "তথাপি কোৱাচোন এইবোৰ কাম কোনে কৰিলে? কোনে প্ৰৰোচিত কৰিলে কদম্ববাসীক? অন্ততঃ এটা কথাতো তুমি মোক ক'ব পাৰা যে এই বিদ্ৰোহীহঁতৰ নেতা কোন আছিল? এতিয়াই মই তেওঁক তৰোৱালেৰে সিপুৰী পোৱামগৈ। ক'ত আছে মোৰ ঘোঁৰা?" তৰোৱাল উলিয়াই তেওঁ দূৰত চৰি থকা ঘোঁৰাটোৰ ফালে দৌৰিল, তেওঁৰ উত্তেজনা বাঢ়ি গৈছিল, এনেহে লাগিছিল যেন সেই সময়ত পৃথিৱীৰ কোনো শক্তিয়ে তেওঁক বশ কৰিব নোৱাৰিব। তথাপি গংগাধৰে উগ্ৰসেনৰ হাতত ধৰি ক'লে, "মহাৰাজ এটা কথা মই বুজি পোৱা নাই, আপোনাৰ ছোৱালী বেছি মৰমৰ নে ৰাজকোষ। নিজকে চম্ভালি লওক। খৰখেদা কৰি একো কাম কৰিব নোৱাৰি।"

তাৰপাছত তেওঁ কদম্ব মন্ত্ৰীক সুধিলে, "এই বিদ্ৰোহীহঁতৰ কোনো নেতা আছে নে মানুহৰ ভীৰেই এই কাম কৰিলে?"

"মহামন্ত্ৰী, সিহঁতৰ নেতা নাথাকিব কিয়? ধূমক আৰু সোমক নামৰ মাতৃহন্তা নাই

জানো? সিহঁতেই এই মানুহখিনিৰ নায়ক। ৰাজকোষ লুট কৰা, তাত আমাক লুট কৰি নিয়া ধনেই আছে বুলি চিঞৰি মানুহবোৰ ৰাজকোষ অভিমুখে আগবাঢ়ি গৈছিল।” কদম্ব মন্ত্ৰীয়ে ক'লে।

সোমকে দাঁত কৰচি, নাকৰ পাহি ফুলাই তৰোৱাল উলিয়াব খুজিছেহে, ধূমকে তেওঁক বাধা দিলে। ধূমকে সোমকক মনে মনে থাকিবলৈ ইংগিত দিলে, সোমকে বৰ কষ্টৰে নিজৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিলে, কিন্তু তেওঁৰ চেহেৰা তেতিয়াও দগবগাই আছিল।

ধূমকে পৰিস্থিতিৰ গম্ভীৰতা উপলব্ধি কৰিছিল। তেওঁ বুদ্ধিৰে নিজকে নিৰ্দোষী প্ৰমাণ কৰিব খুজিলে। খুব শান্ত শিষ্ট আৰু বিনম্ৰ মুখৰ ভাও ধৰি তেওঁ গংগাধৰক ক'লে, “প্ৰভু, দেখিলেনে আপুনি এই অন্যায়? যোৱা দুদিনৰ-পৰা আমি কদম্ব নগৰৰ ওচৰতে নাই। তথাপি এওঁ আমাক কিদৰে দোষাৰোপ কৰিছে দেখি-ছেনে? নাজানো আমাৰ লগত এওঁৰ কি শক্ৰতা আছে? অৱশ্যে এই কথাৰপৰাই আপুনি নিশ্চয় বুজিব পাৰিছে কদম্ব ৰাজ্যৰ শাসকে কিমান নীচ আৰু মিছা অভিযোগ আনিব পাৰে।”

কদম্ব মন্ত্ৰীৰ ফালে এবাৰ ঘোপাকৈ চাই গংগাধৰে ক'লে, যোৱা আঠচল্লিছ ঘন্টা ধৰি কদম্বৰ শাসকসকলে এটাও সঁচা কথা কোৱা নাই। যুৱৰাণীক ৰাক্ষসে ধৰি লৈ গৈছে। ৰাজকোষ লুণ্ঠিত হৈছে। ৰাজ্য শক্ৰৰ হাতত পৰিছে। দুয়ো শাসক বিপদজনক অৱস্থাত আছে। এতিয়া কওক আপুনি আৰু কি ক'বলগা আছে? আপোনাৰপৰা আমি এনেকুৱা কিবা এটা আশা কৰা নাছিলো। এতিয়াও আপোনাৰ অনুতাপ হোৱা নাইনে? পাপ আৰু মিছাৰ

ইয়াতকৈ ডাঙৰ প্ৰায়শ্চিত্ত আন কি হ'ব পাৰে?”

ৰজা উগ্ৰসেনে লজ্জিত হৈ ক'লে, “মহাশয়, যি হৈ গ'ল, মই তাৰবাবে ভীষণ লজ্জিত। ৰাজ্য মোৰ হাতৰপৰা গ'ল সেই লৈ মোৰ কোনো চিন্তা নাই। ভাগ্যই লগ দিলে ৰাজ্য পুনৰ ঘূৰাই পাম। জীৱন থাকিলে নিজৰ পৌৰুষ আৰু সাহসৰ ওপৰত মোৰ বিশ্বাস আছে। কিন্তু এই মুহূৰ্ত্তত মই আশা কৰো আপুনি যেন মোক অসহায় নকৰে। মোৰ চিন্তা মোৰ কন্যাক লৈ আৰু ৰাক্ষসৰ হাতৰপৰা মোৰ কন্যাক উদ্ধাৰ কৰাত মই আপোনাৰ সহায় বিচাৰো।”

“মহাৰাজ, সহায়ৰ প্ৰশ্ন আহিল ক'ত? মোৰ সন্দেহ হৈছে শশীকান্তক তান্ত্ৰিকে লৈ গৈছে।” তাৰপাছত অলপ ৰৈ গংগাধৰে ক'লে, “এই চিঞৰৰ বাখৰবোৰ কি? তোমালোকে সেই চিঞৰ বাখৰ শুনা নাইনে?” তেওঁ নিজৰ সৈনিকসকলৰ ফালে মুখ কৰি ক'লে।



দুই চাৰিজন সৈনিকে তাত থকা ওখ পাহাৰৰ ওপৰত থিয় হৈ সেইফালে চাবলৈ ধৰিলে যিফালৰপৰা হাতচাপৰিৰ শব্দ আহিছিল।

"হজুৰ, মানুহবোৰ এইফালেই আহি আছে। সিহঁতৰ কিছুমানে চাপৰি বজাই নৃত্য কৰি আছে।" সৈনিকৰ কথা শুনি সকলো চিন্তাত পৰিল। এই ভীৰ কোন মানুহৰ? তেওঁলোকে কি বিচাৰিছে? সকলোৱে কথাবোৰ ভাবি থাকোতেই...

এজন অশ্বাৰোহী কাঁড়ৰ দৰে উগ্ৰসেনৰ ওচৰলৈ আহি ঘোঁৰাৰপৰা নামিল। তেওঁৰ কাপোৰ ঠায়ে ঠায়ে জ্বলি আছিল। কেৱল তৰোৱালৰ খাপ ওলমি আছিল। তেওঁ আছিল উগ্ৰসেনৰ কোষাধ্যক্ষ। তেওঁৰ অৱস্থা সংকট-জনক আছিল। তেওঁ বৰ ভয় খাই আছিল। ভয়তে তেওঁৰ মুখখন হালধীয়া হৈ পৰিছিল। উশাহ নিশাহ ঘন হৈ আহিছিল আৰু মুখেৰে কিবা কিবি কৈ আছিল। অতি কষ্টৰে তেওঁ কেৱল ইমানকে কৈছিল, "মহাৰাজ, কোষাগাৰ লুট কৰা হৈছে। মই কোনোমতে প্ৰাণ লৈ পলাই আহিছো। আপোনাক বিচাৰি মানুহবোৰ এইফালেই আহি আছে। পলাই যাওক, নহ'লে প্ৰাণ ৰক্ষা নপৰিব।" এইবুলি কৈ তেওঁ উগ্ৰসেনৰ ভৰিত পৰিল।

"কলৈ পলাব? কেনেকৈ প'লাব?" গংগাধৰে সুধিলে। তেওঁ ধূমক আৰু সোমকক ওচৰলৈ মাতিলে।

"সেনাক একত্ৰিত কৰি সেই ৰাজদ্ৰোহী-হঁতক নিধন কৰক," কদম্ব মন্ত্ৰীয়ে নিজৰ ৰজাক পৰামৰ্শ দিলে।

"সেনা?" গংগাধৰে পৰিহাস কৰিলে, "যেতিয়া সকলোৱে বিদ্ৰোহ কৰিছে, তেতিয়া সেনা বতাহত সৃষ্টি হ'ব নেকি?" মন্ত্ৰীক এইদৰে ঠাট্টা কৰি গংগাধৰ নিজেই চিন্তাত পৰিল। ইমান ডাঙৰ বিদ্ৰোহ নিয়ন্ত্ৰণ কৰাটো সাধাৰণ কথা নহয়। এই সময়ত বলেৰে নহয়, বুদ্ধিৰে কাম ল'ব লাগিব, বহুত ভাবি তেওঁ সোমক আৰু ধূমকৰ ফালে চালে, মন্ত্ৰীক এবাৰ চাই তেওঁ ক'লে, "এতিয়া তোমাক কেৱল সোমক আৰু ধূমকেহে ৰক্ষা কৰিব পাৰিব। ধূমক আৰু সোমক তোমালোকে বাৰু এই কাম কৰিবানে?"

"এজন ৰজা আৰু মন্ত্ৰীৰ আমি প্ৰাণ ৰক্ষা কৰিব পাৰিম যদিও তেওঁলোকৰ ৰাজ্যহে ঘূৰাই দিব নোৱাৰিম।" ধূমকে ক'লে।

"ৰজা নহ'লে ৰাজ্য সম্ভৱনে? তোমাৰ বুদ্ধিভ্ৰম হোৱা নাইতো?" গংগাধৰে তেওঁক খং কৰি ক'লে।

"মহামন্ত্ৰী, মোক ৰাজ্য নালাগে। মই

এতিয়াই মোৰ কন্যাক বিচাৰি অৰণ্যলৈ গুচি যাম।" উগ্ৰসেনে ক'লে।

"ৰজা নাথাকিলে মন্ত্ৰীৰ কি কাম আছে?" কদম্ব মন্ত্ৰীয়ে ক'লে।

"ৰাজাই যেতিয়া নাথাকে, তেতিয়া কোষাগাৰ কি কামত আহিব? ময়ো আপোনাৰ লগত যাম।" কোষাধ্যক্ষই উগ্ৰসেনৰ ভৰিত ধৰি ক'লে।

"আগবাঢ়ি অহা সেই জনসমুদ্ৰই তোমালোকৰ এজনকো জীয়াই জীয়াই যাবলৈ নিদিয়ে।" সোমকে চিঞৰি চিঞৰি ক'লে।

"ইয়াত আজ্ঞা দিয়াৰ দায়িত্ব মোৰ। কোনেও যাতে অদৰ্কাৰী কথা নকয়।" গংগাধৰে চকু ৰঙা কৰি ক'লে, "উগ্ৰসেন মহাৰাজ আৰু তেওঁৰ মানুহ কুন্তলদেশৰ ৰজাৰ শৰণাৰ্থী। তেওঁলোকৰ প্ৰাণ ৰক্ষা কৰাটো মোৰ কৰ্ত্তব্য। ধূমক আৰু সোমক, তোমালোক এতিয়াই গৈ মানুহখিনিক কদম্বনগৰলৈ যাবলৈ কোৱা। তেওঁলোক আগবাঢ়ি আহিলে অযথাই ৰক্তপাত হ'ব।" এইবুলি কৈ তেওঁ নিজৰ সৈনিকসকলক সাজু হৈ থাকিবলৈ ক'লে। গংগাধৰে জানিছিল যে এই সময়ত সোমক আৰু ধূমকহে কামত আহিব। কিন্তু তেওঁৰ শৰণাপন্ন হোৱা ৰজাক ৰক্ষা নকৰাটোও তেওঁৰ মৰ্যাদাৰ বিৰুদ্ধে যাব।

কুন্তল দেশৰ মন্ত্ৰীৰ আজ্ঞা শুনি ধূমক আৰু সোমক আচৰিত হ'ল আৰু ক্ৰোধান্বিতও হ'ল। সোমকে কিবা এটা খঙেৰে ক'বলৈ নিজৰ হাত উঠাঁওতেই ধূমকে তেওঁৰ কান্ধত ধৰি তেওঁক দূৰলৈ লৈ গ'ল।

"সোমু, খৰখেদা কৰা অনুচিত। যদি আমি মন্ত্ৰী গংগাধৰৰ লগত শত্ৰুতা কৰাই লওঁ, তেন্তে তেওঁৰ সুসজ্জিত সৈনিকে আমাৰ কদম্বৰ



লোকসকলক অনায়াসে পৰাভূত কৰিব আৰু উগ্ৰসেনক পুনৰ সিংহাসনক অধিষ্ঠিত কৰিব। গতিকে সদ্যহতে তেওঁ কোৱা মতে কাম কৰাটোহে সমীচীন হ'ব।" ধূমকে সোমকক বুজাই ক'লে।

অনিচ্ছাসত্বেও সোমকে মূৰ দুপিয়ালে আৰু ধূমকৰ কথা মানি ল'লে। দুয়ো ঘোঁৰাত উঠি বিজয়নাদ কৰা কদম্ববাসীৰ ওচৰলৈ আগবাঢ়িল।

নাগৰিকসকলৰ কিছুমানে তেওঁলোক দুয়োকে চিনি পাই ক'লে, "সৌৱা চোৱা ধূমক আৰু সোমক। তেওঁলোকৰ নেতৃত্বত আমি কুন্তল দেশৰ ৰজা শতভানুকো সিংহাসনচ্যুত কৰি অৰণ্যলৈ পঠিয়াব পাৰো।"

ধূমকে মানুহখিনিৰ ওচৰলৈ গৈ চিঞৰ বাখৰ বন্ধ কৰিবলৈ ক'লে, "নাগৰিসসকল! এতিয়া আপোনালোক কদম্ব নগৰলৈ ঘূৰি

যোৱাই উচিত হ'ব। উগ্রসেন আৰু তেওঁৰ মন্ত্ৰী কুন্তল দেশৰ মন্ত্ৰী গংগাধৰৰ শৰণাপন্ন হৈছে। সেই দুজনক আপোনালোকে যদি এতিয়াই নিধন কৰিব খোজে তেন্তে কুন্তল দেশৰ সৈনিকৰ লগত যুদ্ধ অৱশ্যম্ভাৱী। সেই যুদ্ধত যে আমি বিজয়ী হম তাত মোৰ সন্দেহ আছে। কিয়নো কুন্তল দেশৰ সেনাৰ মুখামুখি হোৱাটো ল'ৰা খেমালি নহয়। তথাপি আপোনালোক আটাইৰে সাহস দেখি যদি আমি যুদ্ধ কৰিবও খোজো তেন্তে কুন্তল ৰজাই নিজৰ সেনা লৈ আমাৰ ওপৰত আক্ৰমণ কৰিব। এই কথা আপোনালোকে মনত ৰাখিব।"

"তেওঁৰ বিৰুদ্ধে আমি যুঁজ দিম। আমি এই ৰাজতন্ত্ৰ শেষ কৰিবলৈ নিজৰ প্ৰাণ অৰ্পণ কৰিবলৈয়ো সাজু আছো।" ভীৰৰ মাজৰপৰা কেইজনমান যুৱকে চিঞৰিলে।

"তোমালোকে খুব সম্ভৱ আত্মাৰ্পণ আৰু আত্মহত্যাৰ মাজত পাৰ্থক্য কি বুজি পোৱা নাই।"

এইবুলি কৈ ধূমকে ডাঙৰকৈ হাঁহিলে, "এনেকৈ চিঞৰ বাখৰ কৰা বীৰসকলে ঘৰলৈ গৈ খেলা ধূলা কৰাটোৱেই ভাল হ'ব। মই কদম্ব নগৰৰ মুখ্য নাগৰিকসকলক আগবাঢ়ি আহিবলৈ অনুৰোধ কৰিছো।" ধূমকে ক'লে।

ভীৰৰ মাজেদি ৰাস্তা উলিয়াই চাৰি পাঁচজন বৃদ্ধ আগুৱাই আহিল। ধূমক ঘোঁৰাৰপৰা নামিল আৰু আগবাঢ়ি আহিল। তেওঁলোকক নমস্কাৰ কৰি তেওঁ ক'লে, "মই আশা কৰোঁ এতিয়া আপোনালোকে নেতৃত্ব দিব আৰু এই যুৱক বীৰসকলক অলপ নিয়ন্ত্ৰণত ৰাখিব। গংগাধৰে কৈছেই, ৰজা অবিহনে ৰাজ্য নাথাকে। এতিয়া উগ্রসেন কদম্ব দেশৰ ৰজা হৈ আহিব নোৱাৰে। কিন্তু তেওঁৰ কন্যা কান্তিসেনাৰ বিষয়ে আপোনালোকে কি ভাবে?"

"আমি বিচাৰো কান্তিসেনা আমাৰ ৰাণী হওক।" মানুহবোৰে চিঞৰিবলৈ ধৰিলে।

"কথা সেইটোৱেই যদি সকলো শান্ত হৈ কদম্ব নগৰলৈ ঘূৰি যাওক। ৰাক্ষসে অপহৰণ কৰি নিয়া সেই যুৱতী কান্তিসেনাক লৈ অহাৰ দায়িত্ব মোৰ।" ধূমকে ক'লে।

ৰাইজে এবাৰ ধূমকৰ জয়ধ্বনি কৰি নগৰ অভিমুখে ঘূৰি গ'ল। ধূমক আৰু সোমকে ঘোঁৰা ঘূৰাই গংগাধৰৰ ফালে গৈ থাকোতেই ধূমকৰ কঁকালত ওলমি থকা কালশম্বৰৰ মন্ত্ৰদণ্ড "জয়" বুলি কৈ ৰছী ছিঙি আকাশত উৰিবলৈ ধৰিলে। সোমকে ডাঙৰকৈ চিঞৰি সেই মন্ত্ৰদণ্ড ধৰিবলৈ ঘোঁৰাৰপৰা জাঁপ মাৰিলে।

(আগলৈ)

বেতাল কাহিনী

মাধৱীৰ সাহস

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল। গছৰপৰা শটো নমাই কান্ধত তুলি ল'লে আৰু যথাৰীতি শ্মশান অভিমুখে আগবাঢ়িল। তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, তোমাৰ ধৈৰ্য, সাহস অদ্ভুত। কিন্তু এটা কথাত মোৰ সন্দেহ হৈছে যে এয়া তোমাৰ নিজৰ বাবে নে কাৰোবাৰ ওপৰত দয়া ওপজাৰ বাবেই তুমি এই সকলো কাম কৰি আছা। এনেকুৱা কিছুমান মানুহ আছে যি আনৰ বাবে অসম্ভৱ বুলি ধৰা কামো সম্পূৰ্ণ কৰে। স্ত্ৰীসকল স্বভাৱতে কোমল প্ৰকৃতিৰ। তেওঁলোকে আনৰ দুখ সহ্য কৰিব নোৱাৰে। ইয়াৰ ফলত কেতিয়াবা তেওঁলোকে নিজেই কষ্ট ভোগ কৰিবলগীয়া হয়। সেই কষ্টৰপৰা বাহিৰ ওলাই অহাটো তেওঁলোকৰ পক্ষে অসম্ভৱ হৈ পৰে। তথাপি তেওঁলোকে

সাহসী কাম কৰিবলৈ আগবাঢ়ি আহে। মাধৱীও এনে সাহসী স্ত্ৰীসকলৰ মাজৰে এগৰাকী। যাত্ৰাৰ ভাগৰ দূৰ কৰিবলৈকে তুমি তেওঁৰ কাহিনীটো মন দি শুনা।" এইবুলি বেতালে কাহিনী আৰম্ভ কৰিলে।

অম্বিকাপুৰৰ কামিনীৰ বিবাহ বীৰৰ সৈতে সম্পন্ন হ'ল। বীৰ এনেয়েতো ভাল স্বভাৱৰে আছিল কিন্তু তেওঁৰ মাক মংগাহে কৰ্কশ আৰু কাজিয়া কৰি ভালপোৱা বিধৰ আছিল। তেওঁ তেওঁৰ বোৱাৰীয়েক কামিনীক বহুত কষ্ট দিছিল। বাৰে বাৰে কামিনীয়ে বীৰক কৈছিল যে আমি আন ক'ৰবাত থাকোগৈ বলা। কিন্তু বীৰে প্ৰতিবাৰতে এই প্ৰস্তাৱ অগ্ৰাহ্য কৰি কৈছিল, "যেতিয়ালৈকে মোৰ মা জীয়াই থাকিব, তেতিয়ালৈকে তেওঁৰপৰা আঁতৰি থকাৰ প্ৰশ্নই উঠিব নোৱাৰে।"

কামিনীয়ে ভাবিলে যে শাহুৱেকৰ মৃত্যুৰ পাছতহে তেওঁ মুক্তি পাব। সেয়েহে এদিন কামিনীয়ে শাহুৱেকক মাৰিবলৈ গাখীৰত বিহ মিহলাই থ'লে। পিছে তেওঁৰ এটা ভুল হ'ল। সেই বিহ মিহলোৱা গাখীৰ তেওঁ নিজৰ অজ্ঞাতে খাই পেলালে আৰু এনেকৈ তেওঁ আকস্মিক মৃত্যুক সাবটি ল'বলগীয়া হ'ল।

মংগাই তেওঁৰ পুতেকৰ দ্বিতীয় বিবাহ কৰাবলৈ ঠিক কৰিলে। সেই গাঁৱৰে মাধৱী নামৰ এগৰাকী দুখীয়া যুৱতীক তেওঁ পছন্দ কৰিলে। মাধৱীৰ মাক-দেউতাকক তেওঁ এইবুলিও প্ৰতিশ্ৰুতি দিলে যে বিয়াৰ বাবে প্ৰয়োজনীয় খৰচ তেওঁ নিজেই কৰিব। সেই কাৰণে তেওঁলোকেও মাধৱীক বীৰলৈ বিয়া দিবলৈ সন্মতি দিলে। মাধৱী নিজৰ ভৱিষ্যতক লৈ উদ্বিগ্ন হৈ পৰিল। মাধৱীয়ে তেওঁক সহায় কৰিবলৈ জগদম্বাক প্ৰাৰ্থনা কৰি থাকিল।

এদিন মাধৱী গাঁৱৰ বাহিৰৰ এটা মন্দিৰলৈ পূজা কৰিবলৈ আহিল। পূজা কৰি উঠি তেওঁ যেতিয়া বাহিৰলৈ আহিল তেতিয়া তেওঁ বৰগছৰ তলত এজনী যোগিনীক দেখিলে, মাধৱীয়ে ভাবিলে এই গৰাকীয়েই নিশ্চয় জগদম্বা হ'ব যাক তেওঁ সদায় পূজা কৰি আহিছে। মাধৱীয়ে তেওঁক নিজৰ দুখৰ কাহিনী শুনালে।

যোগিনীয়ে মাধৱীক আশীৰ্বাদ দি পঠিয়াই দিলে আৰু তেওঁক সহায় কৰিবলৈ চকুমুদি ধ্যান কৰিবলৈ বহিল। তেওঁ সেই কামিনীৰ আত্মা দেখা পালে, যি মংগাৰ ঘৰৰ চাৰিওফালে ঘূৰি আছে। তেওঁ প্ৰেতাত্মা কামিনীক ক'লে, "কৰ্মফলৰ আধাৰত কিছুমান আত্মা স্বৰ্গলৈ

যায় আৰু কিছুমান যায় নৰকলৈ, কিছুমানে পুনৰজনম লয়। তুমি সেই আত্মা, যাৰ ইচ্ছা পূৰা হোৱা নাই। এতিয়া তোমাৰ আৰু মানুহৰ মাজত বুজাবুজি হ'ব নোৱাৰে, সেয়েহে ব'লা ভূতুনীৰ পৃথিৱীলৈ।" যোগিনীয়ে ক'লে।

"মই ভূতুনীৰ পৃথিৱীলৈ নাযাওঁ। মই তেতিয়ালৈকে শান্তি নাপাম যেতিয়ালৈকে মই মোৰ শাহুআইক ঘৰৰপৰা বাহিৰ কৰিব নোৱাৰিম। তাৰবাবে কিবা উপায় আছে যদি কওক।" কামিনীয়ে যোগিনীক ক'লে।

"মই তোমাক মানৱৰূপ দিম আৰু লগতে কিছুমান অদ্ভুত শক্তিও। তুমি যদি ভাল কামত সেই শক্তি ব্যৱহাৰ কৰা তেন্তে তাৰপৰা প্ৰাপ্ত পুণ্যৰপৰা তোমাৰ পুনৰজনম লাভ হ'ব যিটো তুমি কামনা কৰা। মানুহক যদি তুমি কষ্ট দিয়া তেন্তে মনুষ্যই তোমাক ভগৱানপ্ৰদত্ত মন্ত্ৰশক্তিৰপৰা বঞ্চিতও কৰিব, তোমাৰ স্বাধীনতা নোহোৱা হ'ব, অকলেই তুমি নৰক যাতনা ভোগ কৰিব লাগিব।" যোগিনীয়ে ক'লে।

"মোৰ স্বামীয়ে বেলেগ বেলেগ ঘৰ নকৰে যদি এনে স্বাধীনতাৰ কি লাভ। ভগৱানৰ কোপদৃষ্টিৰ পৰা ৰক্ষা পৰাৰ আন কিবা উপায় আছে যদি কওক," কামিনীয়ে ক'লে।

"সম্পূৰ্ণৰূপে বিশ্বাস কৰা যে ভগৱান নায়েই। তেতিয়া তুমি কোনো বিপদত পৰিবলগীয়া নহয়। ভগৱানক বিশ্বাস কৰা যদি সেই মুহূৰ্ত্তৰেপৰা তুমি মনুষ্যৰ গোলাম হ'ব লাগিব।" কামিনীক সাৱধান কৰি যোগিনী যাবলৈ ওলাল।

কামিনীয়ে মানৱ ৰূপ ধাৰণ কৰিলে আৰু খুব উৎসাহেৰে মংগাৰ ঘৰৰ দুৱাৰত টুকুৰিয়ালেগৈ। যেতিয়া মাক আৰু পুতেকে গম পালে যে কামিনী ভূতুনী হৈ আহিছে তেতিয়া ভয়তে তেওঁলোকৰ পেটতে হাত ভৰি লুকাল। কামিনীয়ে মংগাক ভিতৰলৈ যাবলৈ আদেশ দিলে। ভূতুনীৰ মুখামুখি হোৱাৰ সাহস মংগাৰ নাছিল, সেয়েহে তেওঁ নিশব্দে ভিতৰলৈ গ'ল।

কঁপি থকা বীৰক তেওঁ ক'লে, "ভয় নকৰিবা। এতিয়া মোৰ অদ্ভুত শক্তি আছে। এই শক্তিৰ সহায়ত মই তোমাক সুখী ৰাখিম। বেলেগে থকাৰ মোৰ যি ইচ্ছা আছিল, সেয়াও পূৰণ হ'ব।"

বীৰে ঘৰৰপৰা বাহিৰলৈ যাব খুজিছিল, কিন্তু ভয় খালে। তেতিয়াৰেপৰা তেওঁ সুখেৰে থাকিবলৈ ধৰিলে, নৃত্য গীতৰ আনন্দ পাবলৈ ধৰিলে, কোমল বিচনাত শুবলৈ পালে, কিন্তু ঘৰৰ বাহিৰত ভৰি থোৱাৰ অনুমতি তেওঁৰ নাছিল। বীৰে এই সুখ ভাল নাপালে। এদিন

তেওঁ কামিনীক ক'লে, "মই ইমান সুখ ভোগ কৰিছো। কিন্তু এইটো জীৱন মোৰ ভাল লগা নাই। তুমি মোক এৰি দিয়া যদি মই মানুহৰ মাজত ঘূৰা পকা কৰিব পাৰিম।"

কামিনীয়ে ক'লে, "মই যেতিয়া জীৱিত আছিলো, তেতিয়া বেলেগে থাকিব খুজিছিলো কিন্তু তুমি নুশুনিলা। সেই দিনবোৰত শাহুআইয়ে মোক গালি শপনি দিছিল, কিন্তু তুমি নীৰৱে আছিলা। মৰি ভূতুনী হ'লো তাতে কি হ'ল। সকলো ধৰণে মই তোমাৰ পৰিচৰ্যা কৰি আছো। যেতিয় মই ঘৰত থাকি ভাল পোৱা নাছিলো তেতিয়া তুমি মোক কৈছিলা মাৰ লগত কাজিয়া নকৰিবা। মনে মনে থাকা। গতিকে এতিয়া তুমি মই যি কওঁ তাকেই কৰিব লাগিব।"

ইফালে ঘৰ এৰি অহা মংগাই কামিনীৰ বিষয়ে গাঁৱৰ প্ৰতিজনকে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে যে মোৰ পুত্ৰক যাতে সেই ভূতুনীৰ কবলৰপৰা ৰক্ষা কৰে। দ্বিতীয় বিবাহ কৰালে বোৱাৰীক ভালকৈ চোৱা চিতা কৰিম। কিছু মানুহ তেওঁৰ ঘৰলৈ গ'ল। কামিনীয়ে অদ্ভুত শক্তি প্ৰয়োগ কৰি তেওঁলোকৰ ওপৰত পাথৰ আৰু বিছাৰ বৰষুণ দিয়াবলৈ ধৰিলে। ভয়তে তেওঁলোকে কামিনী ভূতুনীক খেদোৱাৰ কাম মন্ত্ৰজনা ব্যক্তি মৰীচক অৰ্পণ কৰিলে। মৰীচে নীমৰ পাত আৰু নেমু অনাই মন্ত্ৰ পঢ়িবলৈ ধৰিলে। এটা বিকট হাঁহি মাৰি কামিনীয়ে ক'লে, "মই ভগৱানক বিশ্বাস নকৰো। তোমাৰ মন্ত্ৰই মোৰ ওপৰত একো কাম নকৰে," এইবুলি কৈ কামিনীয়ে দুয়োহাতেৰে মৰীচক ওপৰলৈ উঠাই ঘূৰাই ঘূৰাই তলত পেলাই দিলে। বেচেৰা মৰীচৰ কঁকাল ভাঙি গ'ল। সেইদিনাৰেপৰা মৰীচ সেইখন ঘৰৰ ওচৰ নচপা হ'ল।

সেই সময়তে মাধৱী তালৈ আহি ক'লে যে কামিনী ভূতুনীক এই ঘৰৰপৰা উলিয়াই



পঠিয়াম। সকলোৱে সন্দেহ প্ৰকাশ কৰিলে। কিছুমান ক'লে মাধৱীয়ে নিশ্চয় ভাবিছে মংগাৰ বোৱাৰী হোৱাতকৈ মৰি যোৱাই ভাল। কোনেও মাধৱীক বাধা নিদিলে।

মাধৱী বীৰৰ ঘৰলৈ গৈ দুৱাৰত টুকৰিয়া-লেগে আৰু দুৱাৰ খুলি কামিনীয়ে সুধিলে, "তুমি কোন? ইয়ালৈ কিয় আহিছা?"

"মোৰ নাম মাধৱী। এই ঘৰত থকা বীৰ মোৰ হ'বলগীয়া স্বামী। বিয়াৰ যা-যোগাৰ লৈ তেওঁৰ সৈতে কথা পাতিবলৈ আহিছো।" মাধৱীয়ে ক'লে।

"বীৰ মোৰ স্বামী। কোনেও তেওঁক বিয়া কৰোৱাৰ সাহস কৰিব নোৱাৰে। যোঁৱা, গুচি যোঁৱাগৈ," কামিনীয়ে ক'লে।

কামিনীয়ে তেতিয়া নিজৰ কাহিনী কৈ ক'লে, "মংগাই কাজিয়া কৰি খুব ভাল পায়। বীৰে সদায় মাকৰ কথাতে সুৰ মিলায়। তেওঁ একেবাৰে নিষ্কৰ্মা স্বামী। মই যিহেতু ভূতুনী সেয়েহে মই দুয়োকে বশ কৰিব পাৰিলো। তুমি এগৰাকী সাধাৰণ তিৰোতা। তুমি তেওঁলোকক বশ কৰা সহজ কথা নহ'ব।"

"শাহুআইৰ মুখামুখি হোৱাৰ সাহস তোমাৰ নাছিল। সেয়েহে তুমি তেওঁক মাৰি পেলাব খুজিলা। এইটো ভুল কথা। মইতো জগদম্বাক প্ৰাৰ্থনা কৰি আহিছো আৰু সেয়েহে তেওঁৰ পৰিৱৰ্তন আহিছে।" মাধৱীয়ে বিশ্বাসভৰা স্বৰেৰে ক'লে।

"তোমাৰ পূজাৰ কাৰণে তেওঁৰ পৰিৱৰ্তন অহা নাই। ভূতুনী হৈ মইহে তেওঁক ঠিক কৰিছো। মই তোমাৰ একো অপকাৰ নকৰো। আন কাৰোবাক বিয়া কৰি সুখেৰে থাকা," কামিনীয়ে পৰামৰ্শ দিলে।

"তুমি মানৱ নহয়, কিন্তু মানৱৰ লগত থাকা। শাহুআই আৰু স্বামী তোমাৰ বাবে ঠিক হৈছে যদি সেই পুণ্য তোমাৰ। তাৰফলত তুমি পুনৰজনম লাভ কৰিবা। ইয়াৰ ফলত আমাৰ দুয়োৰে উপকাৰ হ'ব," এইবুলি কৈ মাধৱীয়ে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। কামিনীয়ে হাঁহি মাৰি ক'লে, "মই ভগৱানক বিশ্বাস নকৰো। ভগৱানে মোৰ একো অপকাৰ কৰিব নোৱাৰে। চোৱা মই তোমাৰ কি অৱস্থা কৰো।" এইবুলি কৈ কামিনীয়ে নিজৰ চুলি মেলি দিলে, ডাঙৰ ডাঙৰ দাঁত দেখুৱালে আৰু ভয়ংকৰ ৰূপ ধাৰণ কৰিলে।

মাধৱীয়ে ভয় নোখোৱাকৈ ক'লে, "ভগৱান মোৰ লগত আছে। তোমাৰ ইন্দ্ৰজালে কোনো প্ৰভাৱ পেলাব নোৱাৰে। মই ভূতুনীক বিশ্বাস নকৰো।"

পিছমুহূৰ্ত্তে কামিনীয়ে ক'লে, "তুমি

ঠিকেই কৈছা যে মনুষ্যৰ মাজত ভূতুনীৰ কোনো স্থান নাই। তুমি বীৰক বিয়া কৰোৱা আৰু সুখী হৈ থাকা। মই পুনৰজনম লাভ কৰিবলৈ গৈ আছো।”

বেতালে এই কাহিনী শুনোৱাৰ পাছত ৰজা বিক্ৰমাদিত্যক সুধিলে, “বাজন যি বীৰে মাধৱীক বিয়া কৰোৱাৰ পক্ষত নাছিল, তেওঁক বিয়া কৰিবলৈ মাধৱী সৈমান হ'ল কেনেকৈ? দুখীয়া মাক দেউতাকৰ বোজা লাঘৱ কৰিবলৈকে তেওঁ এই বিবাহত সন্মতি দিলে নেকি? সেই কাৰণেই তেওঁ মন সলনি কৰিলে নেকি? তেতিয়ালৈকে প্ৰতিশোধ লম বুলি ভাবি থকা কামিনীয়ে মাধৱীৰ ভূতুনীক বিশ্বাস নকৰো বুলি কোৱা কথাষাৰ শুনাৰ লগে লগে কিয় অদৃশ্য হ'ল? মোৰ এইবোৰ সন্দেহৰ সমিধান তুমি যদি জানিও নিদিয়া তেন্তে তোমাৰ মূৰ ফাটি চিৰাচিৰ হ'ব।”

বিক্ৰমাদিত্যই ক'লে, “মংগাই কাজিয়া কৰি ভাল পায়। মাধৱীয়ে তেওঁৰ বিষয়ে আৰু ভয়াতুৰ ভাবী স্বামীৰ বিষয়ে জানিছিল। সেয়েহে প্ৰথমতে তেওঁ বিয়াত বহিবলৈ মান্তি হোৱা নাছিল। এইটোও সঁচা যে তেওঁ বীৰক বিবাহ কৰিবলৈ ভয় কৰিছিল। সেয়েহে বীৰৰ পৰিৱৰ্ত্তন আনিবলৈ মাধৱীয়ে দেৱী পূজা কৰিছিল। এই পূজাৰ ফলতেই বীৰৰ স্বভাৱলৈ পৰিৱৰ্ত্তন আহিছিল। তেতিয়াই তেওঁ বীৰক বিবাহ কৰাবলৈ সিদ্ধান্ত ল'লে। কামিনীয়ে বীৰৰ সুখৰ বাবে সকলো ব্যৱস্থা কৰিছিল যদিও বীৰ সুখী হ'ব পৰা নাছিল। ইয়াৰপৰা এই কথাই প্ৰমাণ হ'ল যে অদ্ভুত শক্তিয়ে মানুহক সুখী কৰিব নোৱাৰে। যদিহে সুখী জীৱন কটাব লাগে তেন্তে মানৱ জীৱনহে একমাত্ৰ লক্ষ্য হোৱা উচিত। সম্ভৱ, মাধৱীৰ কথা শুনি কামিনীৰ হৃদয়ত এই আশাই জাগ্ৰত হ'ল যে তেওঁ পুনৰজনম লাভ কৰিব পাৰে। মাধৱীৰ পূজাৰ বাবেই স্বামী আৰু শাহুআইৰ পৰিৱৰ্ত্তন হ'ল। এই সত্যৰ কথা গম পোৱাৰ পাছত কামিনীৰো পৰিৱৰ্ত্তন অহা সম্ভৱ। তেওঁৰ এই জ্ঞান হ'ল যে, মাধৱীয়ে যিহেতু ভূতুনীক বিশ্বাস নকৰে, সেয়েহে তেওঁৰ একো অপকাৰ কৰিব পৰা নাযাব। সেই কাৰণেই কামিনী তাৰপৰা অন্তৰ্ধান হ'ল।”

ৰজাৰ মৌনতা ভংগ কৰাত সফল হৈ বেতালে শৰটো লৈ অদৃশ্য হৈ গ'ল আৰু পুনৰ সেই গছজোপাত ওলমি থাকিলগৈ।

(বসুন্ধৰাৰ ৰচনাৰ আলম লৈ)

দ্য শ্লামডগ মিলিয়নয়াৰ পৰিঘটনা

লছ এঞ্জেলছত অলপতে অনুষ্ঠিত ৮১ সংখ্যক বাৰ্ষিক অকাডেমী পুৰস্কাৰ উৎসৱত সংগীত বিশেষজ্ঞ এ আৰ ৰহমানে দুটা অস্কাৰ জয় কৰি ইতিহাস ৰচনা কৰে। ইয়াৰ আগতে তেওঁ গল্ডেন গ্ল'ব বঁটা আৰু বাফটা বঁটাও জয় কৰিছিল। 'শ্লামডগ মিলিয়নয়াৰ' নামৰ কথাছবিখনে মুঠতে আঠটা অস্কাৰ লাভ কৰে। সৰ্বশ্ৰেষ্ঠ চাউণ্ড মিক্সিঙ শাখাত এটা বঁটা ভাৰতৰ ৰেছুল পুকুট্টিয়ে আন দুজনৰ লগত একেলগে লাভ কৰে।

বঁটা বিজয়ী 'জয় হো' নামৰ গীতটো ৰচনা কৰিছিল গীতিকাৰ গুলজাৰে। ডেনি বয়লৰদ্বাৰা পৰিচালিত এইখন কথাছবিত জামাল নামৰ বস্তি অঞ্চলত বাস কৰা এজন ল'ৰাই তেওঁৰ প্ৰেয়সীক ঘূৰাই পাবলৈ কৰা প্ৰচেষ্টাত কেনেকৈ "হু ৱান্ট্‌ টু বী এ মিলিয়নয়াৰ" নামৰ ভাৰতীয় বাস্তৱ টেলিভিছন কাৰ্যসূচীত ভাগ লৈ ২০ মিলিয়ন ডলাৰ লাভ কৰিছিল তাকেই দেখুওৱা হৈছে। জামালৰ ভূমিকাত অভিনয় কৰিছিল তৰুণ অভিনেতা দেৱ পেটেলে।

চন্দ্ৰপৃষ্ঠত উত্তোলিত হ'ব ভাৰতীয় পতাকা

চন্দ্ৰায়ন-১ অভিযানৰ সফলতাৰ পাছত ভাৰতে ২০২০ চনৰ ভিতৰত চন্দ্ৰপৃষ্ঠত ত্ৰিৰংগ পতাকা উত্তোলন কৰাৰ পৰিকল্পনা কৰিছে। ২০১৫ চনৰ ভিতৰতে ভাৰতে আনকি মহাকাশলৈ নিজাববীয়াকৈ মহাকাশচাৰীও পঠিয়াব পাৰে। বিক্ৰম চাৰাভাই মহাকাশ কেন্দ্ৰৰ সঞ্চালক শ্ৰী ৰাধাকৃষ্ণণে এই কথা সদৰি কৰে। তেওঁৰ মতে, ২০১৫ চনৰ ভিতৰত দুজন মহাকাশচাৰী থকা এখন ভাৰতীয় মহাকাশ যানে ২০০ কিলোমিটাৰ দূৰত থাকি পৃথিৱীক প্ৰদক্ষিণ কৰিব পাৰে।

"এইটোৱেই হ'ব এজন ভাৰতীয়ই এখন ভাৰতীয় মহাকাশযানত উঠি মহাকাশলৈ কৰা প্ৰথমটো ভ্ৰমণ, যিখন মহাকাশযান ইচৰ'ই নিজ প্ৰযুক্তিৰে নিৰ্মাণ কৰিব বুলি আশা কৰিছে।"

এইখিনিতে মনত পেলাব পাৰি যে এখন ছোভিয়েট মহাকাশযানত উঠি ১৯৮৪ চনত প্ৰথম মহাকাশ যাত্ৰা কৰা প্ৰথমজন ভাৰতীয় আছিল ৰাকেশ শৰ্মা। ভাৰতীয় মূলৰ দুগৰাকী মহিলা মহাকাশচাৰী, কল্পনা চাওলা আৰু সুনীতা উইলিয়ামচেও ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশযানত উঠি মহাকাশ ভ্ৰমণ কৰিছে।

ভনন্দ

প্ৰেম বিবাহত দেখা দিয়া বাধা বহুত পুৰণি-সম্পত্তিৰ পাৰ্থক্য, সামাজিক ভেদভাৱ আদি বহুতো কথাই প্ৰেম বিবাহত যুগে যুগে বাধাৰ সৃষ্টি কৰি আহিছে। এইবোৰ বিভিন্ন ৰূপত, ভিন্ন ভিন্ন বাদ বিবাদৰ মাজেদি যুগ যুগ ধৰি বৰ্তি আছে। কিন্তু এইবোৰলৈ ভয় নকৰি প্ৰেমী নিৰ্ভয় হৈ আগবাঢ়ি আহে আৰু বিবাহ বন্ধনত আবদ্ধ হয়। তথাপি তেওঁলোকৰ সন্তানৰ সমুখত এইবোৰ সমস্যাৰূপে দেখা দিয়ে। এনে সমস্যাৰ ধৈৰ্যৰে মুখামুখি হৈ সামৰ্থৰে সমাধান উলিয়াইছিল পৌৰাণিক বীৰকুমাৰ ভনন্দে।

ধৃষ্ট নামৰ এজন ৰজাৰ একমাত্ৰ পুতেক আছিল নাভাগ। যুৱক নাভাগে এদিন নগৰত ঘূৰি ফুৰোতে কন্যকা পৰমেশ্বৰী মন্দিৰৰপৰা বাহিৰ ওলাই অহাৰ সময়ত এক অতি সুন্দৰী যুৱতীক দেখা পালে। যুৱতীৰ সৌন্দৰ্যত যুৱক মুগ্ধ হ'ল।

যুৱতীৰ সৌন্দৰ্যই তেওঁক আকৰ্ষিত কৰিলে। ঠিক সেই সময়তে তেওঁ একেৰাহে তিনিদিন সেই ঠাইলৈ আহিল আৰু তৃতীয় দিনা সেই যুৱতীৰ আগত যুৱকে নিজৰ ইচ্ছা প্ৰকট কৰিলে।

সেই যুৱতীৰ নাম আছিল সুভদ্ৰা। তেওঁ নগৰৰ এজন আগশাৰীৰ ব্যৱসায়ীৰ কন্যা আছিল। তেওঁও নাভাগক পছন্দ কৰিলে, সেয়েহে তেওঁক বিবাহ কৰাবলৈ সন্মতি দিলে। কিন্তু সুভদ্ৰাই এটা চৰ্ত ৰাখিলে, নাভাগে তেওঁৰ পিতৃৰ অনুমতি ল'ব লাগিব।

নাভাগে সুভদ্ৰাৰ পিতৃক লগ ধৰি সকলো কথা ক'লে। কথাবোৰ ভালকৈ শুনি উঠি সুভদ্ৰাৰ পিতাকে ক'লে, "এজন ক্ষত্ৰিয় কুমাৰৰ বিবাহ এক বৈশ্য কন্যাৰ লগত হওক, সেইটো সঠিক বুলি মই নাভাবো।"

তথাপি নাভাগে প্ৰতিজ্ঞা কৰিলে যে বিবাহ কৰে যদি, এইগৰাকী কন্যাকে কৰিব।

পৌৰাণিক যুৱ নায়ক-১১

তেওঁ নিজৰ পিতাকক পৰিষ্কাৰকৈ জনাই দিলে যে সেই কন্যাৰ বাহিৰে তেওঁ আন কাকো বিবাহ নকৰায়।

সুভদ্ৰাৰ পিতাকে নাভাগক বুজোৱাৰ উদ্দেশ্যে ক'লে, "ৰজা তোমাৰ আৰু মোৰ প্ৰভু। তোমাৰ পিতৃ সকলো ধৰ্মৰ সৈতে সুপৰিচিত ব্যক্তি। তেওঁ হ'ল ধৰ্ম পৰিৰক্ষক। তেওঁৰ লগত কথা পাতিহে কিবা এটা সিদ্ধান্তলৈ আহিব পৰা যাব।"

নাভাগে এই প্ৰস্তাৱ মানি ল'লে। দুয়ো ৰজাক লগ ধৰি সকলে কথা ক'লে।

"এই বিবাহ ধৰ্মসন্মত নহয়," ৰজাই তৎক্ষণাৎ নিজৰ সিদ্ধান্ত ব্যক্ত কৰিলে।

তথাপি, পিতাকলৈ অলপো ভয় নকৰি নাভাগে সুপ্ৰভাক উঠাই লৈ গ'ল আৰু ৰাক্ষস পদ্ধতিৰে দুয়োৰে মাজত বিবাহ সম্পন্ন হ'ল।

সুভদ্ৰাৰ পিতাকে এই বিষয়ে ৰজাৰ ওচৰত অভিযোগ কৰিলে। ৰজাই আবেগচালিত হৈ পুতেকৰ লগত যুদ্ধ কৰিবলৈ সাজু হ'ল।

সেই সময়তে তালৈ অহা পৰিব্ৰাজ নামৰ এজন মুনিয়ে যুদ্ধ সম্পৰ্কীয় কাৰণ জানি ক'লে, "নাভাগ বৈশ্য কন্যাক বিবাহ কৰাই বৈশ্য হৈ গ'ল। সেয়েহে ক্ষত্ৰিয়ই এজন বৈশ্যৰ লগত যুদ্ধ কৰাটো নিষেধ। ই ধৰ্মবিৰুদ্ধ যুদ্ধ হ'ব।"

পিতৃ আৰু পুত্ৰৰ মাজত যুদ্ধ বৈ গ'ল। ৰজাই নাভাগক বৈশ্য বৃত্তি গ্ৰহণ কৰিবলৈ আদেশ দিলে।

এতিয়া নাভাগে বেপাৰ কৰিবলৈ ল'লে। তেওঁৰ এজন পুত্ৰ হ'ল, নাম ভনন্দ। শৈশৱ-ৰেপৰা ভনন্দে পৰম মনোযোগেৰে শাস্ত্ৰসমূহ অধ্যয়ন কৰিবলৈ ধৰিলে আৰু এদিন ডাঙৰ

হৈ তেওঁ মাকক সুধিলে, "মই কোনটো বৃত্তি গ্ৰহণ কৰো?"

"গাইবোৰ সংৰক্ষণ কৰা" মাকে ক'লে। "গোৰপিনী নামৰ ভূমিৰ এজন শাসক আমাৰ শত্ৰু। চুপেচাপে সেইটো চাই গাই সংৰক্ষণ কৰাটো এজন বীৰৰ লক্ষ্য নহয়।" নাভাগে ক'লে।

ভনন্দে এই বিষয়টো লৈ খুব চিন্তা কৰিলে। আৰু তেওঁ ভূমিৰ সন্ধানত লাগিল আৰু ইয়াৰ বাবে পথৰ সন্ধান কৰিলে।

তেওঁ হিমালয়লৈ গ'ল। তাত নীবুড নামৰ এজন ৰাজৰ্ষিক দৰ্শন কৰিলে আৰু তেওঁৰ সেৱা শুশ্ৰূষা কৰিলে। কেইদিনমানৰ পাছত ঋষিক তেওঁ নিজৰ সমস্যাৰ কথা ক'লে। নীবুড শাস্ত্ৰ আৰু অস্ত্ৰবিদ্যাত নিপুণ আছিল। ৰাজৰ্ষিয়ে তেওঁ জনা সকলো বিদ্যা ভনন্দক শিকালে।

ভনন্দ নগৰলৈ ঘূৰি আহিল। ইতিমধ্যে ৰজাৰ মৃত্যু ঘটিছে। ভনন্দৰ খুড়াকৰ পুত্ৰ বসুৰাই তেতিয়া ৰাজ্য চম্ভালি আছিল। ভনন্দ বসুৰাৰ ওচৰলৈ গ'ল আৰু নিজৰ দেউতাকৰ ৰাজ্য তেওঁৰ হস্তগত কৰাৰ দাবী তুলিলে।

বসুৰাই তেওঁৰ দাবী মানিবলৈ অস্বীকাৰ কৰি ক'লে, "তোমাৰ পিতৃয়ে এগৰাকী বৈশ্য কন্যাক বিবাহ কৰাইছে। এই কাম কৰাৰ বাবেই তেওঁ ৰজা হ'ব নোৱাৰিলে, তেওঁ ৰজা হোৱাৰ যোগ্যতা হেৰুৱালে। এতিয়া তেওঁৰ বুলিবলৈ কোনো ৰাজ্য নাই; গতিকে ৰজা হোৱাৰ যোগ্যতা তুমি পাবা কেনেকৈ? কোনো পৰিস্থিতিতে তোমাক আধা ৰাজ্য দিয়া নহয়।"

"ৰাজ্য হ'ল বীৰভোজ্য। যুদ্ধ কৰি আমি এটা সিদ্ধান্তলৈ আহিম," এইবুলি কৈ ভনন্দে যুদ্ধ কৰিবলৈ সাজু হ'ল।

এই যুদ্ধত বসুৰা নিহত হ'ল। এতিয়া সম্পূৰ্ণ ৰাজ্য ভনন্দৰ অধীনলৈ আহিল। কিন্তু তেওঁ নিজে ৰাজ্য শাসন নকৰি সেই ৰাজ্য পিতৃ নাভাগৰ কৰকমলত নিবেদন কৰিলে।

ভনন্দৰ পিতৃভক্তিত সন্তুষ্ট হৈ নাভাগে ক'লে, "বহুত আগতেই মই ৰাজ্য হেৰুৱাইছো। এই অধিকাৰ মোৰপৰা কাঢ়ি লোৱা হৈছে। এয়া হ'ল তুমি জয় কৰা ৰাজ্য। ইয়াৰ শাসনভাৰ তুমি নিজেই চম্ভালি লোৱা বোপাই।" এইবুলি কৈ নাভাগে পুতেকক আশীৰ্বাদ দিলে।

ভনন্দে ৰাজ্যৰ শাসনভাৰ চম্ভালি ল'লে আৰু প্ৰজাৰ সেৱা কৰি দীৰ্ঘকাললৈকে জীয়াই থাকিল।

This Summer, avail the Coolest Combo Pack!



Buy Chandamama's Collector's Edition+Ramayana for Rs ~~898~~ 673* Only!

Chandamama's Ramayana is the first fully illustrated Ramayana which comes in a single book.

Chandamama Collector's Edition features the best of Chandamama published over the last 60 years.

I want the Coolest Combo Pack:

Name .... Subscriber No ....

Address ....

City .... State .... Pin ....

Telephone .... Mobile .... Email ....

Enclosed Cheque/DD for Rupees (in words) ....

Cheque/DD no .... Favouring Chandamama India Ltd

on .... bank. *(Send At-Par cheques or add Rs 60 for non-Chennai cheques)*

Please mail the order form to :

Chandamama India Limited, No. 2/513 (Old 3/396), Sundeep Avenue East, 2nd Main Road, Chinna Neelangarai, Chennai – 600 041. Phone: (044) 43992828

Email: chandamama@chandamama.com Web: www.chandamama.com

Both these titles are available only in English at all leading bookshops.

To place an order go to www.chandamama.com

*For purchase outside India, the Coolest Combo Pack is available at ~~$100~~ $80


SHEMAROO
Astute
MUCHMUCH
SHEMAROO ENTERTAINMENT PRESENTS
IN ASSOCIATION WITH ASTUTE MEDIA VISION
PANGAA GANG
DIRECTED BY PANKAJ SHARMA
THULTHUL
GHATRU
RINKI
CHINTU
MATRU
IN THEATRES SUMMER 2009
JOIN THE GANG !!
www.pangaagang.com
Copyright © 2009 Shemaroo Entertainment Pvt. Ltd. All Rights Reserved

ভাৰতৰ ঐতিহ্যমণ্ডিত স্থান

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান

তালৈ কেনেকৈ যাব পাৰি:

বিমান: গুৱাহাটী বিমান বন্দৰৰ দূৰত্ব ২১৭ কিলোমিটাৰ। তাতোকৈ ওচৰত থকা যোৰহাট বিমান বন্দৰ আছে ৯৭ কিলোমিটাৰ দূৰত।

ৰেল: ৭৫ কি.মি. দূৰত থকা ফৰকাটিঙ হ'ল আটাইতকৈ ওচৰৰ ৰেল ষ্টেছন।

পথ: ৰাষ্ট্ৰীয় ঘাই পথ ৩৭ত থকা কহৰাই হ'ল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মূল প্ৰবেশ। গুৱাহাটী আৰু তেজপুৰৰপৰা উজনি অসমলৈ যোৱা অসম ৰাজিক পৰিবহণ নিগম আৰু প্ৰাইভেট বাচবোৰ কাজিৰঙাত ৰয়।

যেতিয়াই তুমি ম'বাইলত 'চান্দমামা ইণ্ডিয়া হেৰিটেজ প্ৰশ্নোত্তৰ' খেলিব খোজা তেতিয়া CIHQ বুলি লিখি 54646 লৈ SMS কৰা।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভাৰতৰ বিখ্যাত এশিঙীয়া গঁড়ৰ বাসস্থান। প্ৰাগঐতিহাসিক যুগৰ এতিয়াও জীয়াই থকা কেইটামান প্ৰাণীৰ ভিতৰত অন্যতম হ'ল গঁড়।

কাজিৰঙা আংশিকভাৱে অসমৰ গোলাঘাট জিলা আৰু আংশিকভাৱে নগাঁও জিলাৰ অন্তৰ্ভুক্ত। ব্ৰহ্মপুত্ৰৰ কাষে কাষে এই অভয়াৰণ্যই ৪৩০ বৰ্গ কিলোমিটাৰ এলেকা জুৰি আছে। গঁড়বোৰ সাধাৰণতে থাকে ওখ ওখ ঘাঁহ থকা ভূমি আৰু হিমালয়ৰ পাদদেশত থকা অৰণ্যসমূহত।

মানৱ উপস্থিতিয়ে আমনি দিব নোৱৰা পূব ভাৰতৰ অন্যতম শেষ এলেকা হৈছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান। ইয়াতেই আছে বিশ্বৰ ভিতৰতে সৰ্বাধিক গঁড়। তাৰ বাহিৰেও ইয়াত আছে বাঘ, হাতী, হৰিণা, ভালুক ইত্যাদি।

ধৰা নপৰাকৈ থকা চোৰাং চিকাৰৰ কথা জানিব পাৰি চৰকাৰে ১৯৪০ চনত ইয়াক বন্য জীৱজন্তুৰ সংৰক্ষিত অভয়াৰণ্য হিচাপে ঘোষণা কৰে। ১৯৭৪ চনত ইয়াক ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্যাদা দিয়া হয় আৰু ১৯৮৫ চনত কাজিৰঙাক ইউনেস্ক'ৰ বিশ্বৰ ঐতিহ্যমণ্ডিত স্থানৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়।

উদ্যানখন সাধাৰণতে নৱেম্বৰৰপৰা এপ্ৰিললৈকে খোলা থাকে। হাতীৰ পিঠিত উঠি পৰ্যটকসকলে উদ্যানখনত এপাক মাৰিব পাৰে বা উদ্যানৰ কাষে কাষে ব্ৰহ্মপুত্ৰত নৌকা চালনা কৰিব পাৰে।



বীৰবলৰ কাহিনী-২০

তেওঁৰ সবাতোকৈ অমূল্য সম্পদ



সম্রাট আকবৰ বৰ খেয়ালী মনৰ আছিল। কেতিয়াবা এটা সাধাৰণ কৌতুক বা সূক্ষ্ম ইংগিততে তেওঁ খঙত টিঙিৰি তুলা দিছিল।

এদিন তেওঁ বেগমৰ লগত বহি আছিল। খিৰিকীয়েদি শীতল বতাহ সোমাই আহিল। সম্রাটৰ মুখখন উজ্জ্বল হৈ উঠিল।

বেগমে তেওঁৰ সৈতে ধেমালি কৰাৰ সুযোগৰ অপেক্ষাত আছিল। বেগমে অসন্তুষ্ট হোৱাৰ ভাও জুৰিলে। "আপুনি মোতকৈ জেচমিনৰ সুবাসহে বেছি ভাল পায় যেন লাগে।"

"তাতে কি হ'ল? তুমি জেচমিনৰ দৰে সুবাসযুক্ত হ'ব পাৰিবানে? ফুলেহে মোক আচল আনন্দ দিয়ে।" সম্রাটে ওভোতাই ধৰিলে।

"মই ভাবিছিলো মোৰ সান্নিধ্যইহে আপোনাক সুখ দিয়ে।" বেগমে ক'লে।

"তোমাৰ লগত বহি থাকোতে তুমি মোক সুখী হ'বলৈ আদেশ দিব নোৱৰা।"

"সেইকণ মৰম দাবী কৰাৰ অধিকাৰো বেগমৰ নাইনে?" বেগমে মুখটিপি হাঁহিলে।

"মোৰ ওপৰত আন কাৰোৱেই অধিকাৰ নাই। মই মোৰ নিজৰ আইন মতে চলো। মই শ্বাহেনশ্বাহ!" ওচৰলৈ আহিব খোজা বেগমক ঠেলা মাৰি সম্রাটে কথাখিনি ক'লে।

"আৰু মই হ'লো শ্বাহেনশ্বাহৰ বেগম চাহিবা," চকুত দুটোপাল চকুপানীৰে বেগমে টপৰাই উত্তৰ দিলে।

"হ'ব পাৰে, কিন্তু সেই মৰ্যাদা তুমি বেছিদিন ভোগ কৰিবলৈ নাপাবা!" সম্রাটৰ কথাবোৰ গলিত লাভাৰ দৰে বেগমৰ কাণত পৰিলহি। বেগম উচুপি উঠিল।

"মই দিয়া অধিকাৰৰ বাহিৰে তোমাৰ আন একো অধিকাৰ নাই," এটা অশান্ত ষাড়গৰৰ দৰে সম্রাট গৰজি উঠিল। উঠি থিয় হোৱা সম্রাটে কঠুৱা মাতেৰে ক'লে, "তোমাৰ এই নাটক যথেষ্ট হৈছে, বেগম চাহিবা। আমাৰ সম্পৰ্কৰ এয়াই শেষ। তোমাৰ বস্তু বাহানি বান্ধি তোমাৰ আম্মা, আব্বাৰ ঘৰলৈ যোৱাগৈ। লগত তুমি ভালপোৱা সকলো বস্তু নিব পৰা।"

বেগমে সম্রাটৰ পাছে পাছে যাব খুজিলে,

কিন্তু সাহস গোটাব নোৱাৰিলে। বেগমে আশা কৰিলে সোনকালেই সম্ৰাটৰ খং শাম কাটিব আৰু বেগমক ক্ষমাৰ প্ৰস্তাৱ দিব।

কিন্তু সম্ৰাট সেই নিশা হাৰেমলৈ ঘূৰি নাহিল। সম্ৰাটে সঁচাকৈয়ে বেগম নিজৰ পিতৃ-গৃহলৈ ঘূৰি যোৱাটো বিচাৰে নেকি? এটা বাৰ্তা দি বেগমে এগৰাকী বনকৰা ছোৱালীক সম্ৰাটৰ ওচৰলৈ পঠিয়ালে, "মই কেৱল কৌতুকহে কৰিছিলো। আপুনি মোৰ কথাবোৰ ইমান গুৰুত্বসহকাৰে লোৱা উচিত নহয়। প্ৰেমিক প্ৰেমিকাৰ মাজত এনে মান অভিমান একো অস্বাভাৱিক কথা নহয়।"

বনকৰা ছোৱালীজনীয়ে সম্ৰাটক গৈ বাৰ্ত্তাটো দিলেগৈ। তেওঁ ছোৱালীজনীক ততাতৈয়াকৈ যাবলৈ দি ক'লে, "বেগমক কোৱাগৈ তেওঁ যাতে আজি আবেলিৰ ভিতৰে যায়গৈ। আৰু তেওঁক ক'বা লগত তেওঁ ভালপোৱা বা নিজৰ কৰিব খোজা সকলো বস্তু লৈ যাব পাৰে।"

বনকৰা ছোৱালীজনীয়ে সম্ৰাটে কোৱা কথাখিনি বেগমক ক'লেহি।

"মই এতিয়া কি কৰো! মই কেতিয়াও ভবা নাছিলো সামান্য এটা কৌতুকেই এনে ধুমুহাৰ ৰূপ ল'ব পাৰে। এই বিপদত মোক কোনে পথ দেখুৱাব পাৰিব?" চিন্তাত বুৰ গৈ বেগমে মজিয়াৰ দলিচাৰ ওপৰেদি পায়চাৰি কৰিবলৈ ধৰিলে।

হঠাতে তেওঁৰ মনত পৰিল বীৰবললৈ। বীৰবলে এটা পথ দেখুৱাব পাৰে। বেগমে বীৰবলৰ সহায় বিচাৰিবলৈ সিদ্ধান্ত কৰিলে। বেগমে বীৰবলক মতাই আনিবলৈ এজনী বনকৰা ছোৱালী পঠিয়ালে।

বীৰবল সোমাই আহিল, মূৰ দোঁৱালে আৰু কপালেৰে মাটিত স্পৰ্শ কৰি নিজকে পোন কৰি থিয় হ'ল। "বেগম চাহিবা, চালাম আলায়কুম।"

"আলায়কুম চালাম, বীৰবলজী," বেগমে মুখৰ পৰ্দাৰ আঁৰৰপৰা প্ৰতি সম্ভষণ জনালে।

"মোৰ এটা অনুৰোধ আছে। মই আপোনাৰ ওচৰত মোৰ বিবাহ ৰক্ষা কৰিবলৈ অনুৰোধ কৰিছো।"

বেগমৰ মাত থোকাথুকি হৈ আহিল। তাৰপাছত তেওঁ গোটেই কথাখিনি বিৱৰি ক'লে, "বেগম চাহিবা, আপুনি উদ্বিগ্ন হোৱাৰ কোনো কাৰণ নাই।" বীৰবলে দুষ্টালিৰ হাঁহি মাৰি ক'লে, "মই যেনেকৈ কওঁ তেনেকৈ কৰক। এই ধুমুহা শাম কাটিব।" বীৰবলে বেগমক প্ৰতিশ্ৰুতি দিলে। সমস্যাটো



ভাৰতৰ বিষয়ে জানি লোৱা

তলৰ ব্যক্তি কেইজনক চিনাক্ত কৰা:

১. মাৰাঠী ভাষাত তেওঁ লিখিছিল ভাৰতৰ প্ৰথম স্বাধীনতা যুদ্ধৰ ইতিহাস।
২. তেওঁ বিহাৰত অসহযোগ আন্দোলনৰ আৰু ১৯৩০ চনত নিমখ সত্যাগ্ৰহৰ গুৰি ধৰিছিল।
৩. তেওঁৰ বেছিভাগ গল্পৰে কাল্পনিক স্থান হৈছে মালগুডি।
৪. তেওঁ হ'ল মটৰ কাৰ বেচিগুত ভাগ লোৱা প্ৰথমজন ভাৰতীয়।
৫. দহ হাজাৰ শ্লোকত তেওঁ তামিল ভাষাত ৰামায়ণ ৰচনা কৰিছিল।
৬. 'কায়াৰ' নামৰ তেওঁৰ মালয়ালম উপন্যাসৰ বাবে ১৯৮৪ চনত তেওঁ জ্ঞানপীঠ বঁটা লাভ কৰিছিল।
৭. অমৃতসৰৰ হৰি মন্দিৰৰ সোণপাতবোৰ বাবে তেওঁ পাঁচ লাখ টকা দান কৰিছিল।
৮. তেওঁ কাবেৰী নদীৰ ওপৰত বিশাল শিলৰ বান্ধ নিৰ্মাণ কৰিছিল। তেওঁক—"অগ্নিদগ্ধ ভৰিৰ মানুহ," নামেৰে জনা যায়।

(উত্তৰ ৭৪ পৃষ্ঠাত)

কেনেকৈ সমাধান কৰিব পৰা যায় বীৰবলে বেগমক বুজাই দিলে।

"এইটোৱে সুফল দিবনে?" বেগমে সুধিলে। "আপুনি দিয়া কাম কৰাত কেতিয়াবা মই বিফল হৈছোনে, বেগম চাহিবা?" বীৰবলৰ পৰিকল্পনাই যে কাম দিব সেই লৈ বেগমক আশ্বাস দিয়া হ'ল।

"মই জানো, এই বিপদত যদি সহায় কৰিব পৰা কোনোবা আছে, তেন্তে সেয়া কেৱল আপুনি।" বেগমে স্বীকাৰ কৰিলে।

"মোৰ ওপৰত বিশ্বাস ৰাখক। আৰু লগতে নিজৰ ওপৰতো। এই ধুমুহা নিশ্চয় শাম কাটিব।" বীৰবলে বিদায় মাগিলে।

বেগমে তেওঁক আৰু সম্ৰাটক এদিনৰ বাবে লগা কেইপদমান বস্তু বান্ধি ল'লে। তাৰপাছত তেওঁ এটা বাৰ্তা দি বনকৰা ছোৱালীজনীক সম্ৰাটৰ ওচৰলৈ পঠিয়ালে, "মই যাবলৈ সাজু হৈছো। যোৱাৰ আগতে মই শাহেনশাহক এবাৰ লগ পাব খোজো যাতে মই অজানিতে কৰা কিবা ভুলৰ বাবে ক্ষমা খুজিব পাৰো। অনুগ্ৰহ কৰি নহাকৈ নাথাকিব।" সম্ৰাটক বাৰ্তাটো দিয়া হ'ল। "মই এঘন্টাৰ ভিতৰতে বেগম চাহিবাৰ ওচৰ পামগৈ।" সম্ৰাটেও এই বাৰ্তা দিলে।

এঘন্টাৰ পাছত সম্ৰাটে হেৰেমৰ ভিতৰত প্ৰৱেশ কৰিলে। বেগম দুৱাৰমুখতে থিয় হৈ আছিল। এটা হাঁহিৰে তেওঁ সম্ৰাটক সম্ভাষণ জনালে। তেওঁ সম্ৰাটক ভিতৰলৈ আগবঢ়াই দিলে। সম্ৰাট আগে আগে, বেগম তেওঁৰ পাছত। বেগমে সম্ৰাটক বহিবলৈ অনুৰোধ কৰিলে। কিন্তু নবহাকৈ সম্ৰাটে বেগমৰ ফালে চাই ক'লে, "কোৱা বেগম চাহিবা! তুমি কেতিয়া যাম বুলি ভাবিছা?"

"এই মুহূৰ্ত্ততে শ্বাহেনশ্বাহ! মই কেৱল আপোনাৰপৰা ক্ষমা খুজিবলৈ ইচ্ছা কৰিছো। মই যদি মোৰ যিকোনো কথা বা কামেৰে আপোনাক কষ্ট দিছো তেন্তে অনুগ্ৰহ কৰি মোক ক্ষমা কৰক। অনুগ্ৰহ কৰি মোক ক্ষমা কৰিছে বুলি কওক। মই তেতিয়া প্ৰফুল্লিত মনেৰে পিতৃগৃহলৈ যাব পাৰিম।" খুব কোমল সুৰত বেগমে কথাখিনি ক'লে।

"ঠিক আছে, তোমাৰ বাবে মই কৰা সেইটোৱেই শেষ অনুগ্ৰহ। এতিয়া যাবলৈ ওলোৱা," সম্ৰাটৰ সেই একেই দৃঢ়তা।

"এক মিনিট" বেগমে ঘূৰি লৈ এগিলাচ ফলৰ ৰস হাতত তুলি ল'লে আৰু ৰসখিনি খাবলৈ সম্ৰাটক বিনয়েৰে অনুৰোধ জনালে। "হয়তো মই আপোনাক নিবেদন কৰা এই গিলাচেই শেষ ফলৰ ৰস হ'ব। অন্ততঃ পুৰণি মধুৰ স্মৃতিৰ কথা মনত পেলাই আপুনি না নকৰিব।" বেগমৰ মাতত আছিল অস্বাভাৱিক কোমলতা।

সম্ৰাটে বেগমক মূৰৰপৰা ভৰিলৈকে চালে। তাৰপাছত তেওঁ বেগমৰ হাতৰপৰা গিলাচটো ল'লে আৰু ৰসখিনি ততাতৈয়াকৈ খাই যাবলৈ ওলাল। ওলাই গৈ দুৱাৰমুখৰপৰা তেওঁ পাছলৈ চাই ক'লে, "যোৱাৰ সময়ত তুমি ভালপোৱা তোমাৰ অতি মৰমৰ আটাইবোৰ অমূল্য সম্পদ লৈ যাব পাৰা।"

"এই মহান প্ৰস্তাৱৰ বাবে মই আপোনাক কেনেকৈ ধন্যবাদ জনাও শ্বাহেনশ্বাহ!" সম্ৰাটৰ ওচৰ চাপি যোৱা বেগমে মন কৰিলে সম্ৰাটৰ চকু দুটা জাপ খাই অহাৰ উপক্ৰম হৈছে।

"মোৰ খুব টোপনি আহিছে।" দুৱাৰৰ খুঁটাটোত কোনোমতে ধৰি সম্ৰাটে ক'লে।

"শ্বাহেনশ্বাহ!" বেগমে সম্ৰাটক লাহেকৈ ধৰি বিচনাৰ ফালে আগবঢ়াই নিলে। বিচনাত বাগৰ মৰাত বেগমে সম্ৰাটক সহায় কৰিলে। চকুৰ পচাৰতে সম্ৰাট গভীৰ নিদ্ৰাত পৰিল।

বেগমে জানিছিল তেওঁ এতিয়া পলম কৰিব নোৱাৰে। ঔষধে কাম দিছে। তেওঁ ৰঙতে হাতচাপৰি বজালে। তেওঁ ভৃত্য কেইজনমানক বিচনাখন দাঙি সম্ৰাটক সাজু হৈ থকা পাল্কীত শুৱাই দিবলৈ নিৰ্দেশ দিলে। সম্ৰাটে যাতে পাল্কীত আৰামেৰে শুব পাৰে সেইটো বেগমে মন কৰিলে। তাৰ পাছত তেওঁ নিজে আন এখন পাল্কীত উঠিল। পাল্কীবাহকসকলে পালপাতি খৰখেদাকৈ দুয়োখন পাল্কী বেগমৰ পিতৃগৃহলৈ আগবঢ়াই নিলে।

বেগমৰ পিতৃ মাতৃ তেওঁক দেখি আচৰিত হ'ল।

"শ্বাহেনশ্বাহো মোৰ লগত আহিছে।" তাৰপাছত তেওঁ পাল্কীবাহকসকলক নিৰ্দেশ দিলে সম্ৰাটক যাতে আলফুলে শোৱনিকোঠালৈ নি শুৱাই দিয়া হয়। বেগমো পাছে পাছে গ'ল।

"শ্বাহেনশ্বাহৰ কিবা হৈছে নেকি? তেওঁ অসুস্থ নেকি?" বেগমৰ পিতৃৰ কণ্ঠত স্পষ্ট উদ্বিগ্নতাৰ চিন।

"তেওঁৰ বাটতে টোপনি আহিল। দিনে ৰাতিয়ে কাম কৰি আৰু জিৰণি ল'বলৈ নাপাই তেওঁ ভাগৰত অৱশ হৈ পৰিছিল।" বেগমে মিছা মাতিলে।

সম্ৰাটক বিচনাত শুৱাই দিয়াৰ লগে লগে বেগমেও তেওঁৰ কাষত বহি অপেক্ষা কৰিলে।

এঘন্টাৰ পাছত সম্ৰাটে চকু মেলিলে, "মই আছো ক'ত?" তেওঁ সুধিলে। বাৰে বাৰে তেওঁ নিজৰ চকু দুটা মোহাৰি আছিল।

তাৰপাছত তেওঁৰ চকু পৰিল বেগমৰ ওপৰত।

"মই ক'ত আছো?" তেওঁ সুধিলে।

"মোৰ পিতৃগৃহত।"

"মোক ইয়ালৈ আনিবলৈ তোমাক অনুমতি দিলে কোনে?" তেওঁ দৃঢ়তাৰে কঁকাল পোন কৰি বহিল।

"আপুনি শ্বাহেনশ্বাহ!" বেগমেও সাহসেৰে উত্তৰ দিলে।

"মই? গোকাট মিছা কথা!" সম্ৰাটে ক্ৰোধান্বিত সাপৰদৰে ফুচফুচালে।

"নহয় মিছা কথা, শ্বাহেনশ্বাহ! আপুনিয়েই মোক কৈছিল মোৰ আটাইবোৰ অমূল্য সম্পদ মই লগত লৈ আহিব পাৰো। শ্বাহেনশ্বাহ, আপুনিয়েই মোৰ সবাতোকৈ অমূল্য সম্পদ। সেয়েহে মই আপোনাক মোৰ লগতে লৈ আহিলো," বেগমৰ চকুত আছিল সীমাহীন আনন্দৰ চিন।

"তোমাৰ বুদ্ধিৰ তুলনা নাই বেগম চাহিবা, মোৰ হিতাহিত জ্ঞান হেৰুৱাই পেলোৱাৰ বাবে মই দুখিত," অলপ সময় ৰৈ সম্ৰাটে বেগমক সুধিলে, "মইয়েই তোমাৰ সবাতোকৈ অমূল্য সম্পদ বুলি দাবী কৰাৰ পৰামৰ্শ তোমাক দিলে কোনে? তেওঁ যিয়েই নহওক, মোৰ কথা কেনেকৈ তোমাৰ উপকাৰত আনিব পৰা যায় সেই কথা তেওঁ খুব ভালকৈ জানে।"

"অনুমান কৰকচোন!" বেগমে মুখটিপি হাঁহিলে।

"বীৰবলৰ বাহিৰে আন কোন হ'ব পাৰে?" সম্ৰাটে দেখিলে বেগমে সন্মতিৰ মূৰ দুপিয়াইছে।

- আৰ. কে. মূৰ্ত্তি



উদীয়মান তাৰকা

ফেনিল শ্বাহ

- ফেনিলৰ আদৰ্শ হ'ল আন কোনো নহয়, গ্ৰেণ্ড মাষ্টাৰ বিশ্বনাথন আনন্দ।
- যোৱা জানুৱাৰী ২০০৯ৰ ৰেটিঙ অনুসাৰে তেওঁৰ আন্তঃৰাষ্ট্ৰীয় ৰেটিঙ হ'ল ২২১৩।
- তেওঁ পঢ়ি আটাইতকৈ ভালপোৱা কিতাপখন হ'ল onenight@the call centre
- তেওঁৰ প্ৰিয় বিষয় হ'ল অংক।

জয় কৰা বঁটা:

- জুনিয়ৰ একলব্য বঁটা (২০০৫)
- কমনৱেলথ্ চেচ চেম্পিয়নশ্বিপত (২০০৫) ৰূপৰ পদকৰ বাবে বিশেষ বঁটা
- ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সফলতাৰ বাবে ২০০৭ চনৰ শান্তিদূত বঁটা
- ক্ৰীড়াত (ডবাখেল) অসাধাৰণ দক্ষতাৰ বাবে ৰাষ্ট্ৰীয় শিশু বঁটা (২০০৭)

আহমেদাবাদৰ উডগাম স্কুলৰ ছাত্ৰ ফেনিল শ্বাহে ডবাখেলত বহুতো পুৰস্কাৰ, পদক আৰু প্ৰতিযোগিতা জয় কৰিছে। তেওঁৰ বয়স মাত্ৰ ১৩ বছৰ।

ফেনিলৰ মতে ডৱাখেল হ'ল বুদ্ধিমত্তাৰ এটা খেল আৰু ইয়াৰ বাবে গভীৰ মনোযোগ দিব পৰা শক্তি লাগিব। প্ৰতিদিনে তেওঁ ৩-৪ ঘণ্টাকৈ অনুশীলন কৰে আৰু গুৰুত্বপূৰ্ণ টুৰ্ণামেণ্টৰ আগতে অনুশীলনৰ সময় ৭-৮ ঘণ্টালৈকে বাঢ়িব পাৰে। ফেনিলে কয় যে তেওঁৰ সবাতোকৈ শক্তিশালী প্ৰতিদ্বন্দ্বী আৰু সৰ্বশ্ৰেষ্ঠ প্ৰশিক্ষক হৈছে তেওঁৰ কম্পিউটাৰটো। তেওঁৰ ওচৰত আছে গ্ৰেণ্ডমাষ্টাৰসকলে দিয়া পৰামৰ্শ অনুযায়ী ফ্ৰিট্জ ১১, চেচ্ বেছ ১০, ৰিব্কা আদি চফ্‌ট্‌ৱেৰৰ প্ৰগেম। তেওঁ লগতে জ্যেষ্ঠ প্ৰশিক্ষক জি বি যোশী আৰু গ্ৰেণ্ড মাষ্টাৰ তেজাচ বাকৰেৰপৰাও পৰামৰ্শ লয়। পৰীক্ষাত তেওঁ কেতিয়াও ৯০ শতাংশৰ তলত নম্বৰ নাপায়।

এচীয় আৰু বিশ্ব চেম্পিয়নশ্বিপসমূহত ভাৰতৰ হৈ ভাগ ল'বলৈ বাচনিত উঠাৰ বাবে ফেনিল গৌৰৱান্বিত। ফেনিলে কঠোৰ শ্ৰম কৰাৰ কঠিন প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ, তেওঁৰ ডবাখেলৰ ৰেটিঙ উন্নতি কৰা আৰু সোনকালে এজন আন্তঃৰাষ্ট্ৰীয় গ্ৰেণ্ডমাষ্টাৰ হোৱাৰ পৰিকল্পনা কৰিছে।

যমুনা নদীত নৌকাযাত্ৰা

যমজ ভগ্নীদ্বয় উষা আৰু লীলা বাস কৰে তামিলনাডুৰ মিথিলি নদীৰ পাৰৰ শান্তাপুৰম গাঁৱত। গাঁওবাসীয়ে নদীখনক পবিত্ৰ জ্ঞান কৰে আৰু নৈখন পৰিষ্কাৰ কৰি ৰাখিবলৈ খুব সচেষ্ট হৈ চলে। গাঁওখন আৰু নদীখন লৈ ছোৱালী দুজনীয়ে খুব গৌৰৱ কৰে। যোৱা গ্ৰীষ্মত তেওঁলোকে মোমায়েকৰ ল'ৰা গপুৰ মুখত প্ৰথমবাৰলৈ দিল্লীৰ যমুনা নদীৰ কথা শুনিছিল। গপু থাকে দিল্লীত। উষা আৰু লীলাৰ দিল্লীলৈ যাবলৈ খুব মন। গতিকে তেওঁলোকে খুব আনন্দ কৰিলে যেতিয়া মাকে ঘোষণা কৰিলে, "তোমালোকে শুনি আনন্দ পাবা যে তোমালোকৰ মামা আৰু মামাৰ ল'ৰা গপুৰ লগত এইবাৰ দীপাৱলী উদাযাপন কৰিবলৈ আমি দিল্লীলৈ যাম।"

মোমায়েকে দুয়োৰে বাবে দিল্লী ভ্ৰমণৰ

পৰিকল্পনা এনেকৈ কৰিছিল যাতে প্ৰতিদিনে তেওঁলোকে এখন নতুন ঠাই চাব পাৰে। প্ৰতি-দিনে এটা আচৰিত অভিজ্ঞতাই তেওঁ-লোকলৈ অপেক্ষা কৰিছিল।

"লীলা! উষা!" দুয়োৰে কোঠালৈ সোমাই অহা মামাক আৰু গপুৱে মাতিলে। "আজি মই তোমালোকক এখন নতুন ঠাইলৈ নিম। মই নিশ্চিত তোমালোকে খুব আনন্দ পাবা।" দুয়ো ভগ্নীয়ে ইজনীয়ে সিজনীৰ মুখলৈ চালে আৰু সমস্বৰে ক'লে, "ক'লৈ মামা?"

"এতিয়াই নকওঁ ৰবা," গাড়ীৰ দুৱাৰখন খুলি মোমায়েকে ক'লে।

সোনকালেই তেওঁলোকৰ লক্ষ্য অভিমুখে যাত্ৰা আৰম্ভ হ'ল। ক'লৈনো গৈ আছে তাক জানিবলৈ দুয়ো ভগ্নী ব্যগ্ৰ হৈ উঠিল। এখন দলঙৰ ওচৰত গাড়ীখনে লাহেকৈ পাক লৈ বৈ দিলে। উষাই আৰু বেছি সময় ধৈৰ্য ধৰিব নোৱাৰিলে, "মামা, আমি এয়া ক'লৈ আহিলো?"

"উষা, আমি এতিয়া আছো দিল্লীৰ জীৱনৰেখা যমুনাৰ পাৰৰ ৱাজিৰাবাদত, যি ঠাইত যমুনা দিল্লীত প্ৰবেশ কৰিছে। তাৰপৰা ভটিয়াই আমি যাম অ'খলালৈ য'ত যমুনা দিল্লীৰপৰা ওলাই আহিছে," মামাকে ক'লে। "আমি গোটেই বাটটো খোজকাঢ়ি যাম নেকি?" লীলাই সুধিলে। "নহয় আমি নাৱেৰে যাম," মামাকে উত্তৰ দিলে।

"নাও!" আনন্দৰ উত্তজনাত উষা আৰু লীলাই একেলগে ক'লে।

গপু বহুতদিন ধৰি দিল্লীত আছে যদিও যমুনাইদি তাৰ এইটোৱেই প্ৰথম নৌকাযাত্ৰা হ'ব। যমুনাইদি ভটিয়াই গৈ থাকোতে সিঁহতৰ মোমায়েকে ক'লে, "উষা, নদীৰ পাৰত সেই মন্দিৰ আৰু খটখটীবোৰ দেখিছানে? সেইবিলাকক ঘাট বোলা হয়। যমুনাক পবিত্ৰ জ্ঞান কৰা হয়। ভাৰতত নদীবোৰ কেৱল পানীৰ উৎসই নহয়, সেইবোৰ মানুহৰ জীৱনৰেই অংশ।"

নদীয়েদি ভটিয়াই গৈ থাকোতে তেওঁলোকে শাকপাচলি বোজাই কৰি নিয়া নাওবোৰ দেখা পালে। "বাহ! লীলা, চোৱাচোন সেই পাচলিবোৰ কিমান সেউজীয়া আৰু সতেজ।" উষাই ক'লে, "মামা, এই পাচলিবোৰ নদীৰ পাৰত হয় নেকি?" লীলাই সুধিলে।

মামাকে উত্তৰ দিব পৰাৰ আগতে, আন এখন নাও ওচৰ চাপি আহিল আৰু নাওখনত থকা মানুহজনে উত্তৰ দিলে, "হয়, এই আটাইবোৰ পাচলি নদীৰ পাৰত হয়। মোৰ নাম মঞ্জু আৰু মই এজন খেতিয়ক," তেওঁ কৈ গ'ল, "যমুনা আমাৰ মাতৃ। যমুনা অবিহনে আমি জীয়াই থাকিব নোৱাৰিম," এইবুলি কৈ তেওঁ নাওখন বঠা মাৰি আগুৱাই নিলে।

তেওঁলোক আগবাঢ়ি যাওঁতে, পৰিৱেশৰ এটা স্পষ্ট পৰিৱৰ্ত্তন পৰিলক্ষিত হ'ল। তেওঁলোকে এনেকুৱা কিছুমান ঘাট দেখা পালে য'ত মানুহক কেৱল পূজা আগবঢ়োৱাত ব্যস্ত দেখা গ'ল। সোনকালেই তেওঁলোক এনে এঠাই পালেগৈ য'ত তিনিওটা ল'ৰা ছোৱালীয়ে নাকত সোপা দিবলগীয়া হ'ল, "নৈখন এটা লেতেৰা নৰ্দমাৰ দৰে গোন্ধাইছে," ল'ৰাহঁতে ক'লে।

"অঁ লীলা, প্ৰদূষণেই ইয়াৰ কাৰণ," এইবুলি কৈ মামাকে নৈৰ পাৰত থকা আবাসিক অঞ্চলৰ অফিচৰপৰা আৰু কাৰখানাৰপৰা অহা লেতেৰা বস্তুৰ পাইপবোৰ দেখুৱালে। উষা আৰু লীলাই মিথিলিৰ পাৰত এনে এটা দৃশ্য কেতিয়াও দেখা নাছিল।

তেওঁলোকৰ গাঁৱত মানুহে নদীত আৱৰ্জনা পেলাই নদীৰ পানী কেতিয়াও লেতেৰা নকৰে। মামাকে বুজালে, "যেতিয়া যমুনা ৱাজিৰাবাদত প্ৰবেশ কৰে ইয়াৰ পানী খুব চাফা, কিন্তু নৈখন দিল্লীৰ মাজেদি যাওঁতে, লেতেৰা আৰু প্ৰদূষিত পানী, কাৰখানা, ঘৰ আৰু আন ঠাইৰপৰা ওলোৱা অপদ্ৰব্য নৈতে পেলাই দিয়া হয় যাৰ ফলত নৈখন প্ৰদূষিত হৈ পৰে।"

"কিন্তু দেউতা আমি লেতেৰা পানীখিনি

পৰিষ্কাৰ কৰি পানীখিনি আকৌ ব্যৱহাৰযোগ্য কৰিব নোৱাৰোনে?" গপুৱে সুধিলে।

"গপু, প্ৰদূষিত পানী পৰিষ্কাৰ কৰাটো বৰ ব্যয়বহুল কাম আৰু দুৰ্ভাগ্যক্ৰমে প্ৰদূষক-সকলে কেৱল নিজৰ লাভৰ কথাটোহে ভাবে আৰু যমুনা পৰিষ্কাৰ কৰি ৰখাত ধন খৰচ কৰিবলৈ তেওঁলোক সাজু নাথাকে।" দেউতাকে উত্তৰ দিলে।

"তাৰ মানে প্ৰদূষণ ৰোধ কৰিবলৈ একোৱেই কৰা হোৱা নাই?" লীলাই সুধিলে।

"নহয় লীলা। অলপতে উচ্চতম ন্যায়ালয়ে নদীখন পৰিষ্কাৰ কৰিবলৈ দিল্লী চৰকাৰক নিৰ্দেশ দিছে। চৰকাৰে এতিয়া যমুনা কাৰ্য পৰিকল্পনা আৰম্ভ কৰিছে। পিছে এতিয়াও বহুখিনি কৰিবলগীয়া আছে।" মামাকে ক'লে।

"চাবা, চাবা!" এখন দলঙৰ ওপৰৰপৰা তেওঁলোকৰ ফালৈকে আহি থকা এটা ডাঙৰ পলিথিন বেগ দেখি লীলাই চিঞৰিলে। আটায়ে সময়মতে গা বচালে। "দেখিছা, মোৰ গাত লাগো লাগোৱেই হৈছিল। সেইটো কি আছিল দেউতা?" গপুৱে সুধিলে।

"এইটো আন এক ধৰণৰ প্ৰদূষণ। যমুনাক যিহেতু পবিত্ৰ জ্ঞান কৰা হয় সেয়ে মানুহে নৈখনলৈ ফুল আৰু আন বস্তু দলিয়ায়। বহু সময়ত এই বস্তুবোৰ প্লাষ্টিক বেগত ভৰাই, তাৰ মুখখন বান্ধি নৈত পেলাই দিয়া হয়। কিন্তু এই কাম কৰোতে কোনেও ভাবি নাচায় যে এইবোৰে দৰাচলতে নৈখনক উশাহ ল'ব নোৱৰা কৰিছে।" গপুৰ দেউতাকে ক'লে। "ফুলবোৰ জৈৱ পতনযোগ্য যদিও, পলিথিন নহয় আৰু এইবোৰ নৈৰ পানীত ওপঙি থাকে।" দেউতাকে ভালকৈ বুজাই ক'লে।

"এই সমস্যাৰ সমাধান কি মামা?" উষাই সুধিলে।

"আমি মানুহৰ মাজত বেছি সচেতনতা গঢ়ি তুলিব লাগিব। আমি যদি যমুনাখন পৰিষ্কাৰ নদী হিচাপে বিচাৰো তেন্তে নৈখন চাফা কৰি ৰখাৰ দায়িত্ব আমি সকলোৱে ল'ব লাগিব," মামাকে দুখেৰে ক'লে।

ইমান পৰে, তেওঁলোকে নৈখনেদি ভটিয়াই বহুত দূৰ আহিছিল আৰু লাহে লাহে অ'খলা পাইছিলহি। হঠাতে, এজাক চৰাই দেখি লীলাই বৰ আনন্দ পালে। "চোৱাচোন সৌ চৰাইবোৰ। কিমান যে ধুনীয়া!"

চান্দমামা সাধাৰণ জ্ঞান কুইজ-১ ফেব্ৰুৱাৰী ২০০৯ উত্তৰ:

১. যিকোনো দুটা বা ততোধিক ধাতু; ২. ভাৰতৰ ব্ৰহ্মগুপ্ত; ৩.টাংষ্টেন; ৪. হ'ভাৰক্ৰাফ্‌ট; ৫. ব্ৰন্টাৰ হাৰ্ট; ৬.এখনল; ৭. পোলাৰিচ; ৮. নাইট্ৰাচ অক্সাইড।

চান্দমামাক নিজৰ কৰি লোৱা

তুমি তোমাৰ বাতৰি কাকত দিয়া মানুহজনক চান্দমামা নিয়মীয়াকৈ দিবলৈ অনুৰোধ কৰা। সাধাৰণ নিউজষ্টেণ্ড বা প্ৰধান কিতাপৰ দোকানতো চান্দমামা পোৱা যায়। চান্দমামা পাবলৈ **www.chandamama.com**লগ অন কৰা বা **CSHOP** বুলি **54646** লৈ **SMS** কৰা।

"যমুনা হ'ল বহুতো চৰাইৰ বসতিক্ষেত্ৰ। শীতকালি ইয়াত হাজাৰ হাজাৰ চৰাই দেখা যায়।" মামাকে লীলাক ক'লে। ইমান সময়ে গপু মনে মনে আছিল। এই ভ্ৰমণে তাৰ চকু মেল খোৱালে। প্ৰথমবাৰৰ বাবে সি মানুহৰ জীৱন এখন নৈৰ সৈতে সংলগ্ন কৰিবলৈ শিকিলে। শান্তাপুৰমত গাঁওবাসীৰ জীৱন ঘূৰি থাকে মিথিলিক কেন্দ্ৰ কৰি, জলসিঞ্চনেই হওক, মাছ ধৰাই হওক, দৈনন্দিন কাম কাজ বা পৰিবহণ এই সকলোতে নৈখন জড়িত। আৰু এইবোৰ কাৰণতে, গাঁওবাসীয়ে নৈখনৰ খুব যত্ন লয়। গপুৱে নৈখনৰ কাৰণে কিবা এটা কৰিবলৈ ঠিক কৰিলে।

"ল'ৰাহঁত, এয়া আমি অ'খলা বান্ধ পালোহি। নামিবৰ সময় হৈছে, "নাখওন পাৰত আহি লাগোতে মামাকে ক'লে। নাওখনৰপৰা নামোতেই গপুৱে এজাক ল'ৰা ছোৱালীয়ে এজন ডাঙৰ মানুহৰ লগত কিবা এটা কৰি থকা দেখিলে। সি দলটোৰ ওচৰলৈ দৌৰি গ'ল আৰু তাৰে এটা ল'ৰাক সুধিলে, "শুনাচোন, তোমালোকে এয়া কি কৰিছা?"

"হেল্ল'! মই ৰমেশ আৰু আমি স্কুলীয়া ছাত্ৰ ছাত্ৰীৰ এটা দল। প্ৰতিমাহে আমি নৈখনৰ বিভিন্ন ঠাইত পানীৰ গুণাগুণ পৰীক্ষা কৰো। শনি আৰু দেওবাৰে আমি বিভিন্ন এলেকালৈ গৈ যমুনা নদী পৰিষ্কাৰ কৰি ৰখাত গণসচেতনতা বিকাশৰ বাবে কাম কৰো।" ল'ৰাটোৱে ক'লে।

গপুৱে বুজি পালে যমুনাৰ কাৰণে কিবা এটা কৰাৰ এটা সুযোগ ওলাইছে। "মোকো তোমালোকৰ দলত ল'বানে?" গপুৱে সুধিলে।

"নিশ্চয়, আমাৰ দলত যিকোনোৱে যোগ দিবহি পাৰে। বাকী সকলৰ লগত তোমাক চিনাকি কৰাই দিওঁ আঁহা," ৰমেশে উত্তৰ দিলে।

গপুৰ দেউতাকে বুজি পালে তেওঁৰ পুতেক আৰু আন শিশুহঁতে এটা নতুন অভিযান আৰম্ভ কৰিছে আৰু এই পৃথিৱীৰ দায়িত্ব যোগ্যজনৰ হাতত পৰিব।

- *ৰুদ্ৰ কামাট*

নাইজেৰিয়াৰ এটা লোককাহিনী

সবাতোকৈ শক্তিশালী মানুহজন

এজন পেশীবহুল মানুহে আন এজন পেশীবহুল মানুহক ঘৃণা কৰাত আচৰিত হ'বলগীয়া একো নাই। শ্বাডোছা নামৰ পেশীবহুল মানুহজন গাঁওখনৰ ভিতৰতে শক্তিশালী আছিল। যেতিয়া তেওঁৰ ভায়েকৰ ষাড়টো বেমাৰত পৰিল তেতিয়া তেওঁ অকলেই ষাড়টো নদীয়েদি কঢ়িয়াই চিকিৎসকৰ ওচৰলৈ নিছিল।

"মই গোটেই পৃথিৱীৰ ভিতৰতে সবাতোকৈ শক্তিশালী ব্যক্তি!" শ্বাডোছাই এদিন পত্নী শ্বেট্টুৰ ওচৰত গৰ্ব কৰি কৈছিল। শ্বেট্টু এগৰাকী চুটি চাপৰ মহিলা আছিল যদিও তেওঁৰ মুখখন বৰ

চোকা আছিল। তেওঁ কৈছিল, "শ্বাডোছা, তুমি গাঁৱৰ ভিতৰতে সবাতোকৈ শক্তিশালী মানুহ হ'ব পাৰা, পৃথিৱীৰ ভিতৰতে কেতিয়াও নোহোৱা।"

শ্বাডোছাৰ খুব খং উঠিল। "মই পৃথিৱীৰ ভিতৰতে শক্তিশালী মানুহ। মই অত্যুত্তম মানৱ!" তেওঁ ক'লে। শ্বেট্টুৱে ক'লে, "হেৰা শ্বাডোছা, তুমি গাঁৱৰ ভিতৰতে শক্তিশালী মানুহ হ'ব পাৰা কিন্তু কোনো কাৰণতে অত্যুত্তম মানৱ নহয়!"

শ্বাডোছাই দুপৰীয়া আহাৰ গ্ৰহণ নকৰাকৈ ঘৰৰপৰা ওলাই গ'ল। গিৰিয়েকৰ পাগলামিত হাঁহি মাৰি শ্বেট্টু ওচৰৰে এখন গাঁৱত বহা মেলালৈ যাবলৈ সাজু হ'ল। ৰাস্তাইদি খোজ কাঢ়ি যাঁওতে তাইৰ পিয়াহ লাগিবলৈ আৰম্ভ হ'ল। কুঁৱা এটাৰ ওচৰত ৰৈ তাই পুলিত লাগি থকা বাল্টিটো তললৈ নমাই দিলে। কিন্তু তাই যিমানে চেষ্টা কৰিছে বাল্টিটো ওপৰলৈ নুঠেহে নুঠে। ঠিক সেই সময়তে নিজৰ সৰু পুতেকক লৈ এগৰাকী মহিলা সেইফালেদি পাৰ হৈ গ'ল। শ্বেট্টুৰ ঘাম ওলোৱা মুখখন দেখি তেওঁ হাঁহিলে আৰু নিজৰ পুতেকক ক'লে, "যা আৰু বাল্টিটো উঠাই দৈগে।" ল'ৰাটোৰ বয়স প্ৰায় তিনি বছৰমানহে হৈছিল। ল'ৰাটোৱে যেন এডাল পাখিহে উঠাইছে ঠিক সেই ধৰণে বাল্টিটো উঠাই অনা দেখি শ্বেট্টু বিস্ময়ত অভিভূত হ'ল।

মহিলাগৰাকীয়ে শ্বেট্টুৰ মুখৰ ভাব দেখি হাঁহিলে। "মোৰ স্বামী হ'ল বলী মানুহ, তেওঁ পৃথিৱীৰ ভিতৰতে শক্তিশালী মানুহ। তেওঁৰ পাছতে আহে আমাৰ ল'ৰাটো," তেওঁ ক'লে। শ্বেট্টুৱে মেলাৰ কথা একেবাৰে পাহৰি গ'ল আৰু তাই কি দেখিলে ক'বলৈ ঘৰলৈ দৌৰি মাৰিলে। "শ্বাডোছা, অ' শ্বাডোছা!" তাই ফোঁপাবলৈ ধৰিলে। "এতিয়া মই জানো আচল বলী মানুহ কোন?"

শ্বাডোছাৰ মুখত এটা ডাঙৰ হাঁহি বিৰিঙি উঠিল। "মই সুখী হৈছো যে তুমি অৱশেষত স্বীকাৰ কৰিলা যে ময়েই সবাতেকৈ শক্তিশালী মানুহ!" তেওঁ ক'লে, "যোৱাহে, কোনে তোমাৰ কথা কৈছে, মূৰ্খ কৰবাৰ।"

"আচল বলী মানুহজন আছে পাছৰ গাঁওখনত।" শ্বেট্টুৱে ক'লে। শ্বেট্টুৱে গিৰিয়েকক গোটেই কাহিনীটো বিৱৰি ক'লে আৰু শ্বাডোচাও বদ্ধপৰিকৰ হ'ল তেওঁহে যে আচল বলী মানুহ সেই কথা প্ৰমাণ কৰিবলৈ।

পিছদিনা, শ্বাডোছা ৰৈ থাকিল শ্বেট্টুৱে কোৱা কুঁৱাটোৰ কাষত অধৈৰ্য হৈ। তেওঁ এটা শিল গোৰ মাৰি দিলে আৰু শিলটো গৈ নবৈ গজ দূৰত পৰিলেগৈ। হঠাতে শ্বাডোছাই দেখিলে এগৰাকী মহিলা আৰু এটা সৰু ল'ৰা তেওঁৰ ফাললৈকে আহি আছে। "তোমাক অলপ পানী লাগে, নহয় জানো?" মহিলাগৰাকীয়ে সুধিলে। আৰু শ্বাডোছাৰ উত্তৰলৈ অপেক্ষা নকৰি তেওঁ নিজৰ পুতেকক ক'লে অলপ পানী আনিবলৈ। ল'ৰাটোৱে তাৰ কেঐা আঙুলিৰে বাল্টিটো ওপৰলৈ আনিলে।

"সি সেইটো কেনেকৈ কৰিলে?" শ্বাডোছাই সুধিলে, "তোমাৰ দেউতা যদি বলী হয় তেন্তে তোমাৰ বাবেও সেইটো তেনেই সহজ কথা," মহিলাগৰাকীয়ে ক'লে। "মই তেওঁক লগ পাব পাৰোনে?" মহিলাগৰাকীয়ে মূৰ দুপিয়ালে আৰু শ্বাডোছাক লগতে লৈ গ'ল। শ্বাডোছাই মূল প্ৰবেশদ্বাৰতে দেখা পালে হাড়ৰ বিৰাট এটা দ'ম। "সেইবোৰ তেওঁৰ পুৱাৰ আহাৰৰ এৰেহা অংশ। তেওঁ হাতীৰ মাংস খাই

চান্দমামা সাধাৰণ জ্ঞান কুইজ-১ঃ ফেব্ৰুৱাৰী ২০০৯

আমাৰ অসমীয়া সংস্কৰণৰ কোনো পাঠকৰে প্ৰৱিষ্টিত আটাইবোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ পোৱা নগ'ল। সেয়েহে কোনো পুৰস্কাৰ দিয়া হোৱা নাই। আমাৰ পাঠসসকলৰ সুবিধাৰ্থে, কুইজ-১ৰ উত্তৰসমূহ দিয়া হৈছে ৪০ পৃষ্ঠাত। চান্দমামা কুইজ প্ৰতিযোগিতাত অবিৰতভাৱে ভাগ লৈ থাকিবা, এই আশাৰে।

ভাল পায়!" মহিলাগৰাকীয়ে লাহেকৈ হাঁহি মাৰি ক'লে। ঠিক সেই সময়তে ঘৰৰ ভিতৰৰ-পৰা এটা গৰ্জন ভাহি আহিল, "মই এজন মানুহৰ গোন্ধ পাইছো। পত্নী, সেয়া মোৰ দুপৰীয়াৰ আহাৰৰ আগতে ভোক লাগিবলৈ মোক খাবলৈ দিবা নেকি?" শ্বাডোছাই তৰা নৰা ছিঙি পলাবলৈ ধৰিলে। সোনকালেই তেওঁ এখন ধাননি পথাৰ পালেগৈ। খেতিয়কবোৰে তেওঁলৈ আচৰিত হৈ চাবলৈ ধৰিলে। "তুমিনো কাৰপৰা পলাইছো?" এজন খেতিয়কে সুধিলে।

"বলী মানুহজনৰপৰা!" শ্বাডোছাই কোনোমতে ক'লে। "তেওঁ আহি আছে!" খেতিয়কসকলেও নিজৰ সা-সঁজুলি ঠাইতে পলাই দৌৰিবলৈ ধৰিলে। হঠাতে শ্বাডোছাই লগ পালে হাড়ৰ বিৰাট দ'ম এটাৰ দাঁতিত বহি থকা এজন বিশাল মানুহক। "তুমিনো ক'লৈ গৈ আছা বুলি ভাবিছা?" মানুহটোৱে গৰ্জন কৰি সুধিলে। "মই বলী মানুহজনৰপৰা পলাইছো।" শ্বাডোছাই ক'লে। "সেইটো খুব সম্ভৱ সঁচা কথা নহয়, কাৰণ..." মানুহজনে ক'লে, "ময়েই সেই বলী মানুহজন।"

শ্বাডোছাই কান্দি পেলালে আৰু এই কান্দোনৰ শব্দ তল পেলালে দূৰৰপৰা অহা এটা ভয়ংকৰ শব্দৰ প্ৰতিধ্বনিয়ে। সেই মাতটো আছিল প্ৰথমজন বলী মানুহৰ। চিঞৰি চিঞৰি ৰাস্তাইদি আহি তেওঁ হাড়ৰ দ'মটো দেখি ক'লে, "কোনে মোৰ হাতীবোৰ খাবলৈ মৰসাহ কৰিলে?"

দুয়োজন বলী মানুহে যুদ্ধ কৰিবলৈ ধৰিলে। তেওঁলোকে ইজনে সিজনক মৰাৰেই উপক্ৰম হ'ল। কিন্তু দুয়োজনেই আছিল সমান প্ৰতাপী। তেওঁলোকে যুদ্ধ কৰোতে, তেওঁলোক ক্ৰমে ক্ৰমে ওপৰলৈ উঠি গৈ থাকিল, হঠাতে এটা ডাঙৰ জাঁপ মাৰি দুয়ো এক বিশাল ডাৱৰৰ টুকুৰাৰ আঁৰত অদৃশ্য হ'লগৈ। শ্বাডোছাই বহুত বছৰ অপেক্ষা কৰিলে, কিন্তু মানুহ দুজন ঘূৰি নাহিল।

শেষত শ্বাডোছা গছজোপাৰপৰা নামিল আৰু ঘৰলৈ ঘূৰি গ'ল। তেওঁক দেখি শ্বেট্টুৱে আনন্দতে চিঞৰ মাৰিলে। "মোৰ বলী মানহজন," এইবুলি কৈ শ্বেট্টুৱে শ্বাডোছাক গৱা মাৰি ধৰিলে। এটা অনুচ্চ কণ্ঠেৰে তেওঁ ক'লে, "মোক আৰু কেতিয়াও বলী মানুহ বুলি নামাতিবা!"



বাকী এই কাহিনীত থকা দুজন বলী মানুহে এতিয়াও মেঘৰ আঁৰত যুদ্ধ কৰি আছে। তেওঁলোকে কৰা চিঞৰ বাখৰবোৰক কিছুমান মানুহে 'বজ্ৰপাত' বুলি কয়।

(এচ আৰৰদ্বাৰা পুনৰকথিত)

কেলেণ্ডাৰ মেন

এইজন মানুহে কেলেণ্ডাৰ সম্পৰ্কীয় যিকোনো প্ৰশ্নৰ উত্তৰ দিব পাৰে। সম্ভৱ আমি তেওঁক কেলেণ্ডাৰ মেন' এই নামেৰে মাতিব পাৰো। ২৪ বছৰীয়া মাৰেশে আধুনিক প্ৰযুক্তিৰ সহায় নোলোৱাকৈ এনে আটাইবোৰ প্ৰশ্নৰ উত্তৰ দিব পাৰে। তেওঁৰ ঘৰ তামিলনাডুৰ বিৰুধুনগৰত। ৬০০০০ বছৰতকৈয়ো অধিক কাল সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ মাত্ৰ ১ মিনিট ৩০ চেকেণ্ডত দি তেওঁ উত্তৰ প্ৰদেশৰ পৱন কুমাৰ শ্ৰীবাস্তৱে কৰা অভিলেখ ভংগ কৰে। "৯২৫১০ চনৰ ৫ নৱেম্বৰত কি বাৰ হ'ব?" বিচাৰকসকলে সুধিছিল। মাৰেশে মাত্ৰ ৪.৫ চেকেণ্ডৰ ভিতৰতে বুধবাৰ বুলি ইয়াৰ শুদ্ধ উত্তৰ দিয়ে। দ্বিতীয়বাৰৰ বাবে লিমকা বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছত অন্তৰ্ভুক্তি পাবলৈ সহায় কৰা এইটো আছিল তেওঁৰ অন্যতম উত্তৰ।

দুৰ্যোধনৰ বাবে মন্দিৰ

দুৰ্যোধন হ'ল মহাকাব্য মহাভাৰতৰ এক প্ৰকাৰৰ খলনায়ক। পিছে তেওঁৰ নামত উৎসৰ্গীত এটা মন্দিৰ আছে উত্তৰ কাশীৰ মৰিত। তাত ৰাইজে দুৰ্যোধনক পূজা কৰে।

বিশ্বাস কৰা হয় যে তন্চ নদী হ'ল পৌৰাণিক যুগৰ তামচ নদী, আৰু মহাভাৰতৰ যুদ্ধত কৌৰৱৰ পৰাজয়ত শোকাভিভূত জনতাৰ চকুপানীৰে এই নদী সৃষ্টি হৈছিল। তন্চ নদীৰ পানী খাবলৈ ব্যৱহাৰ কৰা নহয়, কিয়নো স্থানীয় ৰাইজে বিশ্বাস কৰে যে ইয়াত এতিয়াও চকুপানী বৈ আছে।

কেৰালাৰ কোল্লাম জিলাৰ পৰভাজি মন্দিৰও দুৰ্যোধনৰ নামত উৎসৰ্গীকৃত।

ভাৰত বুৰঞ্জীৰ দুটিমান পৃষ্ঠা

তালাক্কাডৰ অভিশাপ

মাৰ্চ, ১৮৫৬ চন, তালাক্কাড, মাইচোৰ ৰাজ্য
ৰতাহে ঠাই সলাই থকা বালিৰ পাহাৰৰ ওপৰত তেওঁ থিয় হৈ আছিল, অদূৰত গৌৰীশংকৰ মন্দিৰলৈ তেওঁ এনেকৈ চাই আছিল যেন তেওঁৰ দৃষ্টিয়ে আবেলিৰ ছাঁবোৰকহে শানি যাব। বহু বছৰৰ আগতে, তেওঁৰ উপৰিপুৰুষসকলে মণি দৰৱ ভিতৰৰ দেৱ দেৱীলৈ আ-অলংকাৰ আৰু মূল্যবান ধাতু দান কৰিছিল, যেনেকৈ তেওঁ-লোকে কৰিছিল ৰাজ্যৰ আন মন্দিৰবোৰলৈ। তেতিয়া অৱশ্যে তালাক্কাড এতিয়াৰ দৰে জনপ্ৰাণীহীন বালিৰ নগৰী নাছিল। সেয়া আছিল করুণাদায়িনী কাবেৰীৰ পাৰৰ এখন জাকজমদীয়া মহানগৰ, মাইচোৰৰ অডেয়াৰ-সকলৰ গৌৰৱৰ থলী:

"মহাৰাজ?"

মহাৰাজ মুম্মডি কৃষ্ণৰাজা অডেয়াৰ তেওঁৰ মন্ত্ৰীৰ মাত শুনি পাছলৈ ঘূৰি চালে। "অ' আপুনি, কলিকতাৰপৰা কিবা চিঠি পাইছেনে?" ৰজাই তেওঁৰ হাতত থকা কাগজখনৰ পুৰণি আখৰবোৰৰ ফালে চালে। "মাইচোৰৰ উত্তৰাধিকাৰীত্ব সম্পৰ্কে লৰ্ড ডেলহাউচিয়ে কি কৈছে মই তাকে পঢ়ি আছো: মাইচোৰৰ ৰজাৰ বয়স এতিয়া ৬২ বছৰ। তেওঁ মোক নিজেই কোৱামতে তেওঁ হেনো আগৰ বিছটা প্ৰজন্মৰ ভিতৰত একমাত্ৰ ৰজা যি ইমান বছৰলৈকে জীয়াই আছে। তেওঁ আৰু বেছিদিন বৰ্ত্তি নাথাকিব।"

মন্ত্ৰীয়ে হাতেৰে তেওঁৰ কাণদুখন ঢাকি ধৰিলে। "ভগৱানে নকৰক!" খন্তেক সময়ৰ বাবে তেওঁ মৌন হৈ থাকিল। "মহাৰাজে নিশ্চয় জানে, এইজন লৰ্ডক ভুল প্ৰমাণিত কৰিবলৈ এতিয়াও আন অনুগত আছে। মাইচোৰৰ ব্ৰিটিজ আবাসিক, আনকি কৰ্ট অৱ ডাইৰেক্টৰচও..."

"সকলোৱে নিশ্চয় বিশ্বাস কৰিছে মই কেতিয়াও মোৰ এজন উত্তৰাধিকাৰী তুলি নলম—নহ'লে এনে এটা আবেগৰ সৃষ্টি হ'ব কিয়? লৰ্ড ডেলহাউচি গৱৰ্ণৰ জেনেৰেল। হায়! এইটো দুখৰ কথা যে মই আগতে মোৰ এজন উত্তৰাধিৰীৰ কথাটো কেতিয়াও গুৰুত্বসহকাৰে লোৱা নাছিলো।" ৰজা অনুতপ্ত হ'ল। "মই এই কাম বহু বছৰৰ আগতেই কৰিব লাগিছিল... মোৰ তেজ মঙহৰ



এটা সন্তানলৈ বাট নোচোৱাকৈ। অনুমান হৈছে গোটেই বিশ্বই যেন আমাৰ পোনপটীয়া উত্তৰাধিকাৰীত্ব নথকা আচৰিত ইতিহাসৰ কথা জানে...।"

"মই বিশ্বাস কৰো লৰ্ড ডেলহাউচিৰ এই তথাকথিত স্বৰ্ত্তবিলোপ নীতিৰ আমাৰ বিখ্যাত ৰাজ্যৰ ওপৰত কোনো প্ৰভাৱ নাথাকিব।" মন্ত্ৰীৰ মাতত আছিল সাৱধান হৈ কোৱা ব্ৰিটিছৰ প্ৰতি ক্ষোভ আৰু ৰজাৰ প্ৰতি সহানুভূতি। "মাইচোৰত সদায়ে এজন অ'ডেয়াৰৰ শাসন চলিব।"

"ভগৱানে তাকেই কৰক।" ৰজাই হুমুনিয়াহ কাঢ়ি ক'লে। "কিন্তু বাকীবোৰ দেশীয় ৰাজ্য অধিকাৰ কৰা হৈছে। আপুনি আৰু আমাৰ আটাইবোৰ লোকে জানে যে মাইচোৰেই পৰৱৰ্ত্তী লক্ষ্য হ'ব পাৰে।"

"অসম্ভৱ, মহাৰাজ। মাইচোৰত সদায়ে শাসন চলাই আহিছে ধৰ্মপৰায়ণ ৰজাই--আৰু ভৱিষ্যতেও সেয়াই হ'ব। মাইচোৰে আজিলৈকে আপোনাৰ দৰে এজন সফল ৰজাৰ মুখ দেখা নাই। আপোনাৰ শাসনকালতে কলা-সংস্কৃতিয়ে অভূতপূৰ্ব বিকাশ লাভ কৰিছে।"

"আপোনাৰ ৰাজ আনুগত্য অতুলনীয়। কিন্তু ১৮৩০ চনৰ কৃষক বিদ্ৰোহৰ পাছত আৰু মই স্বইচ্ছাৰে গতাই দিয়াৰ পাছত ব্ৰিটিছৰ হাতলৈ ক্ষমতা যোৱাৰ পাছত আপুনি বুকুত হাত থৈ ক'ব পাৰিবনে যে এই শাসন তেতিয়াও অসাধাৰণ আছিল বুলি?" "আপোনাৰ আগতে হোৱা সম্পদৰ দুৰ্ব্যৱহাৰৰ কাৰণে আপোনাক জগৰীয়া কৰিব নোৱাৰি মহাৰাজ। বা এই কথাও আপুনি অস্বীকাৰ কৰিব পাৰিবনে মাইচোৰৰ শাসন পুনৰ ঘূৰাই দিয়াৰ কথা।"

"আপুনি জানো তালাক্কাডৰ অভিশাপৰ কথা শুনা নাই?" ৰজাৰ মাতটো সৰু হৈ আহিল।

মন্ত্ৰীয়ে কাহ এটা মাৰিলে। "এনেবোৰ চিন্তা কেতিয়াও মনলৈ নানিব মহাৰাজ," মন্ত্ৰীৰ কথাত অস্বস্তিৰ চিন, "মহাৰাজে জানেই সেইটো কিংবদন্তিৰ বাহিৰে আন একো নহয়।"

তোমাৰ চান্দমামাৰ বাচনিক্ৰম

তোমাৰ আলোচনীখনৰ বিষয়ে তুমি কি ভাবা?

a. ইয়াৰ বিষয়বস্তু আৰু উপস্থাপনৰ সৈতে সম্পূৰ্ণৰূপে সন্তুষ্ট, b. সন্তুষ্ট। নতুন শিতান যোগ দিব পৰা যায়। c. পুনৰবিন্যাসৰ প্ৰয়োজন আছে।

তোমাৰ উত্তৰটো এইটো ৰূপত SMS কৰি পঠিওৱা 54646 নম্বৰলৈ: RYC <a/b/c>.

"কেতিয়াবা কিংবদন্তিয়েই অতীতৰ প্ৰচীৰ ভাঙি আমাৰ কণ্ঠৰুদ্ধ কৰিবলৈ খেদি আহে..." ৰজাই ক'লে।

✻ ✻ ✻

১৬১০ চন, মালিংগি (কাবেৰী নদীৰ পাৰত, তালাক্কাডৰ সমুখত)

অৰণ্যৰ মাজে মাজে খৰকৈ দিয়া খোজৰ শব্দ। কোনোবাই ঘনকৈ উশাহ লৈ দৃঢ়তাৰে কৈছে, "মই তেওঁলোকৰ ওচৰত কেতিয়াও ধৰা নিদিওঁ। ভগৱান...ৰজা অ'ডেয়াৰৰ হাতত ধৰা পৰাতকৈ মই মৰিবলৈকে ভাল পাম!" আলামেলাম্মাই তেওঁক খেদি অহা সৈনিকৰপৰা গা বচাবলৈ চেষ্টা কৰোতে নিজেই নিজক ক'লে। এজোপা গছৰ কাষেদি নৈলৈ বাট বিচাৰোতে তেওঁৰ মনটো বিজুলীগতিত আগবাঢ়ি গ'ল তেওঁৰ স্বামী, বিজয়নগৰৰ ভাইচৰয় তিৰুমালা দ্বিতীয়ৰ ওচৰলৈ। আহ, কিমান যে সুখৰ আছিল তেওঁৰ শাসনকাল। কিমান যে শ্ৰীবৃদ্ধি হৈছিল শ্ৰীৰংগপটন মহানগৰীৰ! আৰু তেতিয়াই আহি ওলালহি ৰজা অ'ডেয়াৰ, বিশাল সেনাবাহিনী লৈ তেওঁৰ স্বামীৰ চকুৰ আগতে ৰজাই কাঢ়ি ল'লে তেওঁৰ স্বামীৰ ভূমি; তেওঁ আৰু তিৰুমালা মালিংগিলৈ পলাই যাবলৈ বাধ্য হ'ল।

আলামেলাম্মাৰ বুকুখন বিষাই গ'ল। তেওঁৰ শাৰীৰ ভাঁজত লুকাই আছে এসময়ত শ্ৰীৰংগপটনৰ বিষ্ণু মন্দিৰৰ আৰাধ্য প্ৰভুৰ দেহত শোভা পোৱা অলংকাৰ। ৰজা অ'ডেয়াৰে সেইবোৰ লৈ যাব খুজিছিল। কিন্তু তেওঁ সেইবোৰ হাতৰপৰা এৰি নিদিয়ে। তেওঁ ৰজাক বিজয়ৰ পথ প্ৰশস্ত কৰি নিদিয়ে। মৃত্যু পৰ্যন্ত তেওঁ সেইবোৰ নিজৰ লগতে কঢ়িয়াই লৈ ফুৰিব।

বতাহেদি উৰি অহা এডাল যঠী তেওঁ থকা ঠাইৰ কাষতে আহি পৰিলহি। ভয়াৰ্ত্ত হৈ তেওঁ উঠি থিয় হ'ল। তাৰমানে সিহঁতে তেওঁক দেখা পাইছে। এইবাৰ পলোৱাৰ উপায় নাই...

গছজোপায়েদি তেওঁ এচমকা পোহৰ দেখিলে। সেইফালেই তেওঁ চকুমুদি দৌৰ দিলে। এইবাৰ তেওঁ স্পষ্ট শুনিছে অশ্বাৰোহী সৈনিকৰ ঘোঁৰাৰ পদধ্বনি। ফোনেফুটুকাৰে বৈ থকা নৈখনত জঁপিওৱাৰ আগতে তেওঁৰ মুখৰপৰা ওলাই আহিল সেই ভয়ংকৰ অভিশাপ:

"তালাক্কাড বালিত পোত যাওক। মালিংগি চাকনৈয়া হওক! মাইচোৰৰ শাসকে যেন কেতিয়াও নিজৰ উত্তৰাধিকাৰী নাপায়!"

ৰজা অ'ডেয়াৰৰ সৈনিকসকল যেতিয়া নৈখনৰ কাষ পালেহি তেতিয়া তেওঁলোকে কেৱল দেখিলে নৈৰ ঘোলা পানীত কিছুমান ঢৌ। ৰাণী আলামেলাম্মা নিৰুদ্দেশ হৈছে...

লগতে নোহোৱা হৈছে সেই অমূল্য অলংকাৰবোৰ।

❊ ❊ ❊

জুন ১৮, ১৮৬৫ চন, মাইচোৰৰ ৰাজপ্ৰাসাদ

মহাৰাজ মুম্মাদি কৃষ্ণৰাজ অ'ডেয়াৰে তেওঁৰ মেজত বহি মাইচোৰ মণ্ডলীৰ অধ্যক্ষ মেজৰ চাৰ্লচ এলিয়টৰ উপস্থিতিত গৱৰ্ণৰ জেনেৰেললৈ এখন চিঠি লিখিছে।



"মই আজি, হিন্দু আইন অনুসাৰে, মোৰ পূৰ্বপুৰুষসকলৰ পৰম্পৰা মানি আৰু মহাৰাণীৰ ঘোষণাপত্ৰৰ প্ৰতি সন্মান জনাই এতিয়াও সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ থকা ইষ্ট ইণ্ডিয়া কম্পেনী আৰু নিজামৰ মাজত সম্পাদিত বিভাজন চুক্তি আৰু একে বছৰতে ইষ্ট ইণ্ডিয়া কম্পেনীৰ সৈতে মই কৰা বশ্যতা-মূলক চুক্তিৰ অধীনত মোৰ সমগ্ৰ অধিকাৰ উত্তৰাধিকাৰী সূত্ৰে লাভ কৰিবলৈ এজন পুত্ৰ তুলি ল'লো..."

তেওঁৰ পাছত মাইচোৰৰ ৰজা হ'ব লগীয়া এই শিশু আছিল তেওঁৰ দূৰ সম্পৰ্কীয়, চামাৰাজা অ'ডেয়াৰ একাদশ নামৰ এটি আঢ়ৈ বছৰীয়া নিপোটল শিশু। দীৰ্ঘদিনীয়া অনুমানৰ অন্ত পৰিল, ৰজাই শেষত তেওঁৰ দায়িত্ব পালন কৰিলে। মাইচোৰক স্বৰ্তবিলোপ নীতিৰ গ্ৰাসৰপৰা ৰক্ষা কৰিব পৰা গ'ল।

তাতোকৈ ডাঙৰ কথা, আকৌ এবাৰ ৰাণী আলামেলাম্মাৰ অভিশাপ অতিক্ৰম কৰিব পৰা গ'ল। তালাকাড এতিয়া বালিৰে ভৰি থাকিব পাৰে। আৰু মালিংগি কাবেৰীৰ বুকুত জাহ যাব পাৰে—কিন্তু মাইচোৰৰ সিংহাসনত সদায়ে থাকিব এজন অ'ডেয়াৰ। - ***পবিত্ৰ শ্ৰীনিবাসন***

বুৰঞ্জীমূলক টোকা: মুম্মাডি কৃষ্ণৰাজা অ'ডেয়াৰ (১৭৯৪-১৮৬৮) তেওঁৰ কলাসুলভ মানসিকতাৰ বাবে বিখ্যাত আছিল। তেওঁ বীণা বজাইছিল, নৃত্য সংগীত আৰু কলাক উৎসাহ দিছিল। তেওঁ সংস্কৃত আৰু কান্নাড় জানিছিল আৰু তেওঁ পাচী, হিন্দী, তেলেগু, তামিল, মাৰাঠী আৰু ইংৰাজী ভাষাত পঢ়িব আৰু লিখিব জানিছিল।

তালাক্কাডৰ অভিশাপ সম্পৰ্কীয় কিংবদন্তিৰ মতে এই অভিশাপ দিছিল ৰজা অ'ডেয়াৰৰ সেনাবাহিনীৰপৰা প্ৰাণ লৈ পলাই অহা (তিৰুমালা দ্বিতীয়ৰ পত্নী) ৰাণীয়ে কিন্তু তেওঁৰ তৃতীয় অভিশাপ নফলিয়ালে কিয়নো অ'ডেয়াৰ বংশ অব্যাহত থাকিল। অৱশ্যে প্ৰকৃতিৰ ৰহস্যজনক আচৰণত মালিংগি কাবেৰীৰ বুকুত হেৰাই গ'ল আৰু তালাক্কাড বালিৰ বুকুত হেৰাই গ'ল, আজি পৰ্যন্ত।

বাতৰিৰ শিৰোনামাত শিশু

যমজ সন্তানে কৰিলে অভিলেখ

বেছিভাগ ল'ৰা ছোৱালীয়েই অংকলৈ ভয় কৰে। কিন্তু ৭ বছৰীয়া যমজ ভ্ৰাতৃদ্বয় প'লা আৰু পিটাৰ ইমাফিডনে অংকৰ সমস্যা সমাধান কৰি খুব ভাল পায়। তীক্ষ্ণ মস্তিষ্কৰ এই দুই ভ্ৰাতৃয়ে তেওঁলোকৰ অভাৱনীয় দক্ষতাৰে তিনিটা বিশ্ব অভিলেখ ভংগ কৰিছে। এ-লেভেল মেথ পেপাৰত পাচ কৰা তেওঁলোক হ'ল সৰ্বকনিষ্ঠ স্কুলীয়া শিশু, কিন্তু ইয়াৰ আগৰ অভিলেখ কৰাসকল আছিল ঘৰতে শিক্ষিত। বিশ্বৰ যিকোনো ঠাইত এই কৃতিত্বৰ অধিকাৰী তেওঁলোকেই সৰ্বকনিষ্ঠ যমজ সন্তান। ইমাফিডন পৰিয়ালৰ এগৰাকী মুখপাত্ৰ কিজি ক'অ'চ্চাই কয়, “এই দুই শিশুৱে শিকি ভাল পায় আৰু অংক তথা বিজ্ঞানক কঠোৰ শ্ৰম বুলি ভবাতকৈ প্ৰত্যাহ্বান আৰু এটা খেল হিচাপেহে লয়।” পিটাৰ আৰু প'লাৰ পাঁচটা ভাই ভনীয়েই পঢ়াত খুব ভাল ফল দেখুৱাইছে। তেওঁলোকে এই পেপাৰত বহাৰ আগতে লণ্ডনৰ চৰকাৰী স্কুলত ক্লাচ কৰিছিল আৰু পঢ়িছিল।

সৰ্বকনিষ্ঠ প্ৰৱক্তা

আঠ বছৰ বয়সত সকলো শিশুৱেই খেলিব খোজে। কিন্তু আমন ৰেহমান ইয়াৰ ব্যতিক্ৰম। তেওঁ ডেৰাডুনৰ কলেজ অৱ ইন্টাৰেক্টিভ আৰ্টচত ছাত্ৰ ছাত্ৰীসকলক কম্পিউটাৰ জেনেৰেটেড এনিমেছন ফিল্মৰ পাঠদান কৰে। তেওঁৰ পৰিয়ালে বিশ্বাস কৰে তেওঁ পৃথিৱীৰ ভিতৰতে সৰ্বকনিষ্ঠ প্ৰৱক্তা। মাত্ৰ চাৰে তিনিবছৰ বয়সতে আমনে তেওঁৰ প্ৰথমটো এনিমেছন প্ৰগেম কৰে আৰু নাচি থকা বৰ্ণমালাৰে এখন ফিল্ম তৈয়াৰ কৰে। এইখন দেখাৰ পাছত, বন্ধুসকলৰ পৰামৰ্শ মানি আমনৰ দেউতাকে আমনক ডেৰাডুনলৈ নিয়ে। দেউতাকৰ কোলাত বহি থকা প্ৰাৰ্থীজন দেখি কলেজৰ বিষয়সকলে প্ৰথমতে হাঁহিবলৈ ধৰে। কিন্তু এসপ্তাহ ধৰি চলোৱা প্ৰচেষ্টাৰ অন্তত, ৰেহমানে বিষয়াসকলক তেওঁৰ সন্তানে কম্পিউটাৰ চলোৱা চাবলৈ সৈমান কৰিলে। তেওঁলোক আমনৰ যোগ্যতাত পতিয়ন গৈ কলেজত চীট দিলে। পাঁচমাহৰ ভিতৰতে আমনে তেওঁৰ নিজৰ চফ্‌টৱেৰৰ প্ৰগেম সম্পূৰ্ণ কৰিলে।

ইউৰেকা

বেলুন জেট



ৰকেট সাজিবলৈ মন গৈছে নেকি? এটা বেলুন ৰকেট তৈয়াৰ কৰাৰ এটা সহজ উপায় আছে?

তোমাক কি লাগিব:

এডাল দীঘল ষ্ট্ৰিঙ,
পানীয়ৰ বটলত ব্যৱহৃত ষ্ট্ৰ, চেল'ফেন টেইপ, বেলুন

কেনেকৈ কৰিবা :

- ষ্ট্ৰিঙডালৰ এটা মূৰ দুৱাৰৰ নবত গাঁঠি দিয়া
- ষ্ট্ৰডালৰ মাজেদি ষ্ট্ৰিঙডাল ভৰাই দিয়া
- এটা বেলুন টানি তাত বায়ু ভৰাই দিয়া, বেলুনটো ওচৰত ধৰা আৰু কাৰোবাৰ সহায় লৈ ষ্ট্ৰডালত লাগি ধৰাকৈ টেইপ লগাই দিয়া।
- এতিয়া ষ্ট্ৰিঙডালত ধৰি বেলুনটো এৰি দিয়া
- বেলুনটো জেটৰ দৰে আগলৈ যাব।

- বেলুন ৰকেটটো কিমান দূৰ গ'ল তাক উলিয়াবলৈ চেষ্টা কৰা আৰু বেলুনটোত পূৰাকৈ বা আধা বায়ু ভৰাই এইটো কাম কৰা।
- বেলুনটোৰ গতিবেগত তুমি ব্যৱহাৰ কৰা ষ্ট্ৰিঙৰ প্ৰকাৰৰ কিবা ভূমিকা আছে নেকি? চিলা উৰুৱাবলৈ ব্যৱহাৰ কৰা সূতা আৰু গুলী সূতা ব্যৱহাৰ কৰি কি পাৰ্থক্য হয় চোৱা।

অৱধাৰণা: বেলুনৰ ভিতৰৰ বায়ুৰ ওপৰত চাপ থাকে। গতিকে ই বেলুনৰ ওপৰত এটা বল প্ৰয়োগ কৰে আৰু বেলুন ফুলি উঠে। বেলুনটোৱেও বায়ুখিনি হেঁচি ধৰে আৰু ইয়াৰ ফলত বায়ুখিনি বেলুনৰ মুক্ত মূৰটোৰেদি মুকলিলৈ ওলাই আহে আৰু ইয়াৰ ফলত সৃষ্ট ক্ৰিয়া বলে বেলুনটোক আগলৈ ঠেলি দিয়ে। এই বেলুন জেট আৰু ৰকেটৰ মাজত পাৰ্থক্যটো হ'ল, এটা ৰকেটত বায়ু ৰকেটটোৰ পাছফালে থকা এটা সূক্ষ্ম বিন্ধাইদি বাহিৰলৈ ওলাবলৈ দিয়া হয় আৰু এই নিগৰ্মণ বেছি নিয়ন্ত্ৰিত, ফলত ৰকেটটো বেছি দূৰ যাব পাৰে আৰু ই সুনিয়ন্ত্ৰিত হয়।

গ্ৰেণ্ড শ্লাম বিজয়ী

যোৱা জানুৱাৰী ফেব্ৰুৱাৰীত মেলবোৰ্ণত অনুষ্ঠিত অষ্ট্ৰেলিয়ান অপেমত ভাৰতীয় টেনিছ খেলুৱৈ সকলে অভাৱনীয় ক্ৰীড়া নৈপুণ্য দেখুৱায়। য়ুকি ভাম্ব্ৰিয়ে জাৰ্মানীৰ এলেকজেন্দ্ৰচ ফাৰ্ডিনানডচক ৬-৩, ৬-১ চেটত পৰাভূত কৰি জুনিয়ৰ টেনিচ খিতাপ জয় কৰে। তেওঁক ইতিমধ্যেই "বিস্ময় বালক" ৰূপে অভিহিত কৰা হৈছে। ১৬ বছৰীয়া দিল্লীৰ এই খেলুৱৈজনে ২০০৭ চনৰ অষ্ট্ৰেলিয়ান অপেনৰ জুনিয়ৰ শাখাত ছেমিফাইনেল খেলিছিল।

ইফালে ভাৰতৰ চানিয়া মিৰ্জা আৰু মহেশ ভূপাতিয়ে অষ্ট্ৰেলিয়ান অপেনৰ মিক্সড ডাবল্‌ছ শাখাত চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰি ক্ৰীড়াপ্ৰেমীৰ হৃদয় জয় কৰে। ফাইনেলত এই যুটীয়ে ইজৰাইলৰ এণ্ডি ৰেম আৰু ফ্ৰান্সৰ নাথালি ডেকি যুটীক ৬-৩, ৬-১ চেটত পৰাভূত কৰে। চানিয়াৰ এইটো প্ৰথম গ্ৰেণ্ড শ্লাম খিতাপ। ভূপাতিয়ে ইয়াৰ আগতে ১০টা গ্ৰেণ্ড শ্লাম খিতাপ জয় কৰিছিল।

ক্ৰিকেটৰ জৰিয়তে বিশ্ব ৰেকৰ্ড

ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক মহেন্দ্ৰ সিং ধোনীৰ ৪,০১৯ ৰাণ আৰু ১৬৫টা উইকেট এদিনীয়া ক্ৰিকেটৰ এটা অনন্য 'ডাবল' ৰেকৰ্ড। যোৱা ৩১ জানুৱাৰীত কলম্বোত শ্ৰীলংকাৰ বিৰুদ্ধে খেলা খেলখনত ধোনীয়ে এই ৰেকৰ্ড কৰে।

এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত সৰ্বাধিক উইকেট দখল কৰোতা হৈছে মুথায়া মুৰলিধৰণ। কলম্বোত ভাৰতৰ বিৰুদ্ধে খেলা সেই চিৰিজৰ চতুৰ্থখন এদিনীয়া খেলত ৫০৩ সংখ্যক উইকেটটো দখল কৰি তেওঁ এই অভিলেখ প্ৰতিষ্ঠা কৰে। টেষ্ট মেচছতো তেওঁ সৰ্বাধিক উইকেট (৭৬৯) দখলকাৰী।

সন্ন্যাসী

ব্ৰহ্মদত্ত যেতিয়া কাশীৰ ৰজা আছিল, তেতিয়া বিদেহদেশৰ অন্যতম সমৃদ্ধ নগৰ আছিল মিথিলা। মিথিলাৰ ৰজাৰ নাম আছিল মহাজনক। মহাজনকৰ দুই পুত্ৰ, ডাঙৰ পুত্ৰৰ নাম অৰিষ্টজনক আৰু সৰু পুত্ৰৰ নাম পোলজনক। মহাজনকৰ মৃত্যুৰ পাছত জ্যেষ্ঠপুত্ৰ অৰিষ্টজনক সিংহাসনত বহিল, পোলজনকে যুৱৰাজৰ সন্মান পালে। ৰজা অৰিষ্টজনকৰ ৰাজত্ব কিছুকাললৈ অতিবাহিত হোৱাৰ অন্তত পোলজনকৰ মনত ৰজা হোৱাৰ ইচ্ছা জাগিল। পোলজনকে বিভিন্ন ৰাজকৰ্মচাৰীৰ লগত গোপনে যোগাযোগ কৰি তেওঁৰ ককায়েকৰ বিৰুদ্ধে চক্ৰান্ত কৰিবলৈ ধৰিলে। আৰু পোলজনকে ককায়েক ৰজা অৰিষ্টজনকক অতৰ্কিতে আক্ৰমণ কৰি নিহত কৰিলে।

অৰিষ্টজনক নিহত হোৱাৰ সময়ত তেওঁৰ পত্নী সন্তানসম্ভৱা আছিল। স্বামী নিহত হোৱাৰ বাতৰি পায়েই তেওঁ তেওঁৰ ধন সোণখিনি এটা ভঙা ছিঙা পাচিত লুকাই থৈ, নিজে এখন ফটা ছিটা কাপোৰ পিন্ধি, পাচিটো লৈ, সকলোৰে অলক্ষিতে প্ৰাসাদৰ উত্তৰ দিশৰ দুৱাৰেদি ওলাই গ'ল।

প্ৰাসাদ এৰি আহি বাটৰ ওপৰত থিয় হৈ ৰাণী সুমংগলাই ভাবি থাকিল: এতিয়া যাওঁ ক'লৈ? ৰাণীয়ে বাট পথো চিনি নাপায়। পিছে-কিছুদিনৰ আগতে কালচম্পা নামৰ ঠাই এডোখৰৰ কথা শুনিছিল তেওঁ। আন উপায় নেদেখি তেওঁ কালচম্পালৈ যোৱাটোকে খাটাং কৰিলে। কিন্তু কালচম্পালৈ যাবলৈ হ'লে যে কোনফালেদি যাব লাগিব তাকো তেওঁ নাজানে।

তাৰ পাছত তেওঁ এজন বাটৰুৱাক সুধিলে, "বোপা, কোন বাটেৰে কালচম্পালৈ যাব পাৰিম ক'বানে?"

কিন্তু কালচম্পালৈ যোৱাৰ সঠিক ঠিকনা কোনেও দিব নোৱাৰিলে। তাৰ পাছত এক বুঢ়া গাৰোৱানে ৰাণীৰ প্ৰশ্ন শুনি ক'লে, 'মই

জাতক কথা

চিনাকি কোনো কেও নাই। মই যে কি কৰিম, ক'লৈ যাম—নাজানো।" ৰাণীয়ে ক'লে।

"তোমাৰ অৱস্থা মই খুব ভালকৈ বুজি পাইছোঁ, আই। তুমি যদি ইচ্ছা কৰাঁ, মোৰ আশ্ৰয়ত নিৰ্ভয়ে থাকিব পাৰা। তাৰ বাবে তুমি পিছে অলপ অভিনয় কৰিব লাগিব। তুমি মোৰ ভৰিত ধৰি হুৰাওৱাৰে কান্দি থাকিবা। তাৰ পাছত যি কৰিবলগীয়া আছে মই কৰিম। তুমি যে ৰাণী, সেই কথা কোনেও নাজানিব।" ব্ৰাহ্মণে ক'লে।

ব্ৰাহ্মণৰ কথা মতে ৰাণীয়ে ব্ৰাহ্মণৰ ভৰিত উবুৰি খাই পৰি হুৰাওৱাৰে কান্দিবলৈ ধৰিলে। অদূৰত থকা শিষ্যহঁত লৰৰি আহিল আৰু ঘটনাৰ কথা গুৰুক সুধিলে। কিছুমান বাটৰুৱাও গোট খালেহি।

তেতিয়া ব্ৰাহ্মণে সকলোটিক উদ্দেশি ক'লে, "এইগৰাকী মোৰ ভনীয়েক। মই গৃহত্যাগ কৰাৰ পাছত এওঁ উপজিছিল। আজিহে আমি চিনাকি হ'লোঁ।"

ব্ৰাহ্মণৰ কথাত সকলোটি পতিয়ন গ'ল। ৰাণী এই দয়ালু ব্ৰাহ্মণৰ আশ্ৰয়তে থাকিল। কিছুদিনৰ পাছত ৰাণীয়ে ভালে কুশলে এটি পুত্ৰসন্তান প্ৰসৱ কৰিলে। ৰাণী সুমংগলাৰ এই চালেচকুৱোৰা পুত্ৰটিৰ নাম ৰখা হ'ল মহাজনক। এৱেঁই আছিল বোধিসত্ত্ব।

দিনে দিনে মহাজনক ডাঙৰ দীঘল হৈ থাকিল। মহাজনকৰ লগত খেলি থকা ক্ষত্ৰিয় ল'ৰাহঁতে তাক অৱহেলা কৰিছিল। এই অৱহেলা মহাজনকৰ অসহ্য যেন লাগিছিল। এদিন খং উঠি মহাজনকে ক্ষত্ৰিয় ল'ৰাহঁতক মৰিয়ালে। ক্ষত্ৰিয় ল'ৰাহঁতে নিজ নিজ ঘৰলৈ

কালচম্পালৈ গৈ আছোঁ। তুমি মোৰ গাড়ীত উঠা, মই তোমাক লৈ যাম। তুমি বোধকৰো সন্তানৱতী, মই বৰ বেগাই গাড়ী নচলাওঁ, লাহে লাহে চলাম। তুমি ভালকৈ বহাঁহিচোন।" এই বুঢ়া গাৰোৱানে ৰাণীক কালচম্পা নগৰলৈ লৈ আহিল।

কোনো অসুবিধা নোহোৱাকৈ তেওঁ কালচম্পা গৈ পালেগৈ ঠিকেই, কিন্তু তাত যে কাকো চিনি নাপায় ৰাণীয়ে। তেওঁ অগত্যা এটা ঘৰৰ বাৰান্দাত বহি বাটলৈ চাবলৈ ধৰিলে। অলপ পাছত সেই বাটিদে সশিষ্য এগৰাকী ব্ৰাহ্মণ গৈ আছিল। তেওঁ সন্তানসম্ভৱা তিৰোতা এগৰাকীক বহি থকা দেখি সুধিলে, "তুমিনো ক'ৰপৰা আহিছা, আই?"

"বোপা, মই মিথিলাৰ ৰাণী। মোৰ স্বামীক চক্ৰান্ত কৰি হত্যা কৰাৰ পাছত নিৰুপায়ত পৰি ইয়ালৈ পলাই আহিছোঁ। কালচম্পাত মোৰ

গৈ ক'লে, "সেই বিধৱাৰ পুতেকটোৱে মোক মাৰিলে।" মহাজনকক কোনেও নাম কাঢ়ি নামাতিছিল, সদায় সকলোটিয়ে তাক 'বিধৱাৰ পুতেক' বুলি কৈছিল।

সকলোটিয়েই তাক 'বিধৱাৰ পুতেক' বুলি কোৱাত মহাজনকে ভাবিলে: মোৰ দেউতা কোন? মই কাৰ ল'ৰা?—এদিন মহাজনকে কথাটো তাৰ মাকক সোধাত মাকে বাধ্যত পৰি আদিৰপৰা অন্তলৈ পুতেকক সকলো কথা কৈ দিলে।

তাৰ খুৰাকে তাৰ দেউতাকক এনেকৈ অন্যায়ভৱে হত্যা কৰাৰ কথা শুনাৰ পাছৰেপৰাই মহাজনকৰ মনত প্ৰতিশোধ স্পৃহা তথা সেই সিংহাসন অধিকাৰ কৰাৰ অদম্য ইচ্ছা জাগিল।

এদিন মহাজনকে তাৰ মাকক ক'লে, "মা, মই বিদেহদেশ জয় কৰিবলৈ ওলাম। তুমি তাহানি লৈ অহা সেই ধন সোণখিনি আছেনে এতিয়াও?"

ৰাণীয়ে ধন সোণখিনিৰপৰা আধাখিনিমান মহাজনকক দিলে আৰু সেইখিনি লগত লৈ মহাজনক মিথিলানগৰলৈ গ'ল।

আৰু ঠিক সেইদিনাই মিথিলানগৰত পোল-জনকৰ এখন হাত আৰু ভৰি এখনো খহি পৰিল। নিৰুপায় ৰজা পোলজনক শয্যাশায়ী হ'ল। আৰু—মহাজনকে মিথিলাত পদাৰ্পণ কৰাৰ লগে লগেই পোলজনকৰ মৃত্যু হ'ল।

তেতিয়া ৰাজপুৰোহিতবৰ্গই সিংহাসনৰ উত্তৰাধিকাৰী বাছি উলিয়াবলৈ ৰাজসিংহাসন ৰথোপৰি স্থাপন কৰি, তাৰ ওপৰত প্ৰচলিত নিয়মমতে ৰাজমুকুট, ৰাজচক্ৰ, ৰাজদণ্ড আৰু ৰাজপাদুকা থৈ ৰথখন চলাই দিলে। ৰথৰ পিছে পিছে গৈ থাকিল পুৰোহিত আৰু মন্ত্ৰীবৰ্গ। আৰু আন বহুতো।

ইপিনে সেই মিথিলানগৰীত সোমাই, জিৰণি লোৱাৰ মনেৰে মহাজনক এখন উদ্যানত শুই আছিল। সেই চলন্ত ৰথখন উদ্যানৰ সমুখত ৰ'লগৈ।

ৰাজ পুৰোহিতে মহাজনকক পৰীক্ষা কৰি, মহাজনকৰ দেহত ৰাজলক্ষ্মণ দেখা পাই, বিদেহদেশৰ ৰজা হিচাপে তেওঁক মহা আদৰৰে বৰণ কৰিলে। মহাজনক বিদেহ দেশৰ ৰজা হ'ল।

তাৰ পাছত মহাজনকৰ লগত শীৱলী দেৱীৰ বিবাহ দিয়া হ'ল। কিছুকালৰ অন্তত ৰজা মহাজনকে এটি পুত্ৰসন্তান লাভ কৰিলে। তাৰ নাম দীৰ্ঘায়ু।

এদিন ৰজা মহাজনকে হাতীৰ পিঠিত উঠি সেই উদ্যান পৰিদৰ্শন কৰিবলৈ ওলাল। উদ্যানত দুজোপা সুন্দৰ আমগছ আছিল। এজোপা গছ আমেৰে ভৰপূৰ, আন আমজোপা আছিল একেবাৰে ফলহীন। মহাজনকে আমেৰে ভৰপূৰ গছজোপাৰপৰা এটা আম খালে। অতি সোৱাদ আছিল সেই আম। তাৰ পাছত মহাজনকে সেই গছজোপাৰপৰা আৰু কেইটামান আম প্ৰাসাদলৈ লৈ যাবলৈ পুনৰ উদ্যানলৈ আহিল। কিন্তু সেইকণ সময়ৰ ভিতৰতে সেই গছজোপাৰ আটাইবোৰ আম মহাজনকৰ লগত আহসকলে খাই শেষেই কৰিছিল।

যিজোপা গছ অলপ সময়ৰ আগতেও ফলৱান আছিল, সেইজোপা গছক এতিয়া একেবাৰে লঠঙা যেন লাগিছিল। কোনো কোনোবাই আম বুটলিবলৈ গৈ গছৰ ডাল ভাঙি পাত ছিঙি লঠঙা কৰি পেলাইছিল। অলপ আগতে দেখা ইমান ধুনীয়া গছজোপাৰ এনে কৰুণ অৱস্থালৈ চাই মহাজনকে ভাবিলে: এই দৃশ্য মোৰ পক্ষে অতি শিক্ষণীয়। ৰজা হিচাপে মোৰ অনেক সা-সম্পদ আছে, ঠিক এই আমজোপাৰ দৰে। মোৰ মোৰ লগাভগাহঁতেই এনেকৈ লুটপাত কৰি লঠঙা কৰি পেলাব পাৰে।

অন্যহাতে সিজোপা, ফলবিহীন আমগছক কোনেও নষ্ট কৰা নাই। এতিয়াও ধুনীয়া হৈয়েই আছে। মই যদি সকলো সা-সম্পদ ত্যাগ কৰি সন্যাসী হওঁ, তেনেহ'লে মোকো কোনেও বিব্ৰত নকৰিব। ময়ো সেই ফলহীন আমজোপাৰ দৰে চিৰদিনলৈ ধুনীয়া হৈ থাকিব পাৰিম।

(অহা সংখ্যাত)





ৰামায়ণ

সেতু নিৰ্মাণ কৰিবলৈ ৰামৰ আজ্ঞা পোৱাৰ লগে লগে লাখ লাখ বান্দৰে বিভিন্ন ধৰণৰ গছ আৰু বৃক্ষ আনি সমুদ্ৰত পেলাবলৈ ধৰিলে। তাল, নাৰিকল, তামোল আদি মুঠতে একো বাদ নপৰিল। হাতীৰ দৰে ডাঙৰ ডাঙৰ পাথৰ আনি সেতু নিৰ্মাণৰ বাবে গোট খোৱালেহি। এই ডাঙৰ ডাঙৰ পাথৰবোৰ পৰাৰ পাছত সমুদ্ৰৰ পানীয়ে আকাশ চোৱাৰ উপক্ৰম হ'ল।

সেতুৰ তল যাতে সমান হয় তাৰ বাবে ৰছী আনি, বহুত কাঠ আদি লৈ তাৰ উচ্চতা, গভীৰতা আদি চোৱা হ'ল। এইদৰে বান্দৰবোৰে দহ যোজন বহল আৰু এশ যোজন ওখ সেতু নিৰ্মাণ কৰিলে।

সেতু নিৰ্মাণত নলক সহায় কৰা বান্দৰবোৰে পাহাৰৰপৰা ডাঙৰ ডাঙৰ পাথৰ কঢ়িয়াই অনাৰ দৃশ্য আচৰিত আছিল। বান্দৰবোৰে প্ৰথম দিনা চৌধ্য যোজন, দ্বিতীয়া দিনা বিছ যোজন, তৃতীয় দিনা একৈছ যোজন, চুতৰ্থ দিনা বাইছ যোজন আৰু পঞ্চম দিনা তেইছ যোজন সেতু নিৰ্মাণ কৰিলে। বিভীষণে এটা গদা লৈ, নিজৰ মন্ত্ৰীসকলক লৈ থিয় হৈ থাকিল, যাতে কোনো শত্ৰু আহিলে মাৰিব পৰা যায়।

ৰাম আৰু লক্ষ্মণক হনুমান আৰু অংগদে নিজৰ কান্ধত বহুৱাই সমুদ্ৰৰ পাৰলৈ লৈ গ'ল। তাত বেলেগে বেলেগে সকালোৰে ৰামৰ অভিষেক কাৰ্য সম্পন্ন কৰিলৈ। ৰামে সকলোকে শত্ৰুক সংহাৰ কৰি চিৰকাল সুখেৰে থাকিবলৈ অন্তৰৰপৰা আশীৰ্বাদ দিলে।

ৰামে লক্ষ্মণক ক'লে, "আমি পলম কৰা

যুদ্ধকাণ্ড - ৪



সেইবোৰে আকাশৰ মেঘো ভেদ কৰি যাব পাৰে। ইয়াত আছে সুন্দৰ বন। বিভিন্ন ধৰণৰ পক্ষীৰ কলৰৱত ইয়াত বিৰাজ কৰিছে এটা আনন্দদায়ক পৰিৱেশ।”

তাৰ পাছত ৰামে বানৰ সেনাবোৰক গৰুড় বেহুত অৱস্থান ল'বলৈ দিলে। তাৰ সমুখত নিজে আছিল ৰাম আৰু লক্ষ্মণ। অংগদ আৰু নীলক নিজৰ নিজৰ সেনা লৈ সোঁমাজত, ভূষণক নিজৰ সেনা লৈ সোহাঁতে, গন্ধপাদনক বাঁওহাতে, সুক্ষেষণ, জাম্বৱন্তক দিকদৰ্শী হিচাপে আৰু সুগ্ৰীৱক পাছত থাকিবলৈ কোৱা হ'ল যাতে এই সুদীৰ্ঘ যাত্ৰাত কোনো ধৰণৰ বিপদ নহয়।

বেহু পূৰ্ণ হোৱাৰ লগে লগে ৰামৰ আজ্ঞা অনুসাৰে সুগ্ৰীৱে শুকক এৰি দিলে। তেওঁ তাত এক মুহূৰ্ত্তৰ বাবেও নাথাকিল আৰু ৰাৱণৰ ওচৰলৈ গ'ল। ৰাৱণে শুকক দেখি হাঁহি ক'লে, “কোনোবাই তোমাৰ পাখি কাটি দিলে নেকি? তুমি তালৈ গৈ বান্দৰৰ লগ লগা নাইতো?”

“মই সমুদ্ৰ পাৰ হৈ গ'লো। সুগ্ৰীৱক দেখিলো, আপুনি যেনেকৈ কৈছিল, তেওঁক মই তেনেকৈ কথাবোৰ কলো। সেই বানৰবোৰ মোক দেখাৰ লগে অস্থিৰ হৈ পৰিল। আকাশলৈ জাঁপ মাৰি সিহঁতে মোক ধৰি পেলালে আৰু মোৰ ওপৰত অনেক অত্যাচাৰ চলালে। সিহঁত বৰ বলৱান। সিহঁতৰ লগত কথা পতাই জটিল। অনবৰতে ক্ৰোধান্বিত হৈ থাকে। কিন্তু প্ৰশ্ন সুধিলে তাৰ উত্তৰ পোৱাটো আৰু জটিল। ৰাম লংকাদ্বীপ আহি পাইছেহি। সমুদ্ৰত সেতু নিৰ্মাণ কৰি লংকাৰ দ্বাৰত

অনুচিত, তৎক্ষণাৎ আমি লংকা অভিমুখে আগবঢ়া উচিত।

ৰামে ধনু লৈ আগে আগে গৈ থাকিল আৰু তেওঁৰ পাছে পাছে সিংহনাদ কৰি গৈ থাকিল পৰম উৎসাহী সুগ্ৰীৱ আৰু তেওঁৰ বানৰসেনা।

ইফালে বানৰ সেনাই এই পদযাত্ৰাত লংকাপৰা শিঙা, মৃদংগ আদিৰ ভয়ংকৰ ধ্বনি শুনিবলৈ পালে। তাকে শুনি বানৰবোৰেও আৰু ভয়ংকৰ নিনাদ কৰিলে। এই ধ্বনি লংকাৰ ৰাক্ষসসকলৰ কাণত পৰিল। বিভিন্ন ধৰণৰ ৰঙ বিৰঙৰ ধ্বজা আৰু পতাকা লংকাত উৰি থকা দূৰৰেপৰা দেখি ৰামে ভাবিলে, ‘ইয়াতে তেন্তে মোৰ প্ৰিয়ে সীতা ৰাৱণৰ হাতত হৰিণীৰ দৰে বন্দী হৈ আছে।’’তেওঁ লক্ষ্মণক ক'লে, “এই ত্ৰিকূট পৰ্বতত বিশ্বকৰ্মাই নিৰ্মাণ কৰা লংকাখন চোৱা। ইয়াত ইমানেই বিশাল ঘৰ আছে যে

উপস্থিত হৈছেহি। তেওঁৰ লগত আছে অসংখ্য বানৰ সেনা। আপুনি হয় সীতাক তেওঁৰ হাতত গতাই দিয়ক বা যুদ্ধৰ বাবে সাজু হওক।" শুকে ৰাৱণক ক'লে।

ৰাৱণে শুকক ক'লে যে তেওঁ যুদ্ধ কৰিবলৈকে সিদ্ধান্ত লৈছে। তেওঁৰ বানৰ সেনাৰ বিষয়ে আৰু অধিক খবৰ গোটাবলৈ শুক আৰু চাৰণক প্ৰেৰণ কৰিলে। সিহঁতে বানৰৰ ছদ্মবেশত বানৰসেনাৰ মাজত প্ৰবেশ কৰিলে।

সিহঁতে অশেষ চেষ্টা কৰিও বানৰ সেনাৰ অন্ত বিচাৰি উলিয়াব নোৱাৰিলে। পৰ্বতৰ শিখৰত, পৰ্বতৰ মাজত, অৰণ্যত, সমুদ্ৰৰ উপকূলত, বনত, উদ্যানত যিফালেই চোৱা যায়, সেইফালেই বানৰ সেনা। বানৰ সেনাৰ আৰু এটা ভাগ তেতিয়াও সেতুৰেদি আহি আছিল।

তেনেতে বিভীষণে ছদ্মবেশী শুক আৰু চাৰণক ধৰিব পাৰিলে। সিহঁতক ধৰি আনি ৰামক ক'লে, "এয়া শুক আৰু চাৰণ। ৰাৱণৰ মন্ত্ৰী। আমাৰ ৰহস্য জানিবলৈ এওঁলোক লংকাৰপৰা আহিছে।"

শুক আৰু চাৰণে স্বীকাৰ কৰিলে যে ৰাৱণে তেওঁলোকক বানৰসেনাৰ বিৱৰণ আনিবলৈকে এনেকৈ পঠিয়াইছে।

ৰামে হাঁহি মাৰি তেওঁলোকক ক'লে, "এতিয়া আৰু জানিবলৈ কিটো আছে? গোটেই সেনাবাহিনী চাই লোৱা। আমাকো চাই লোৱা। যি চাবলৈ আছে, সকলো চাই মেলি লংকালৈ ঘূৰি যোৱাগৈ।"

তেওঁলোক যিহেতু নিৰস্ত্ৰ আছিল সেয়েহে ৰামে তেওঁলোকক বধ কৰা নহ'ব বুলি প্ৰতিশ্ৰুতি দিলে।

তেওঁ ৰাৱণক তেওঁৰ কথা এইবুলি ক'বলৈ ক'লে, "মোৰ পত্নী সীতাক অপহৰণ কৰাত তুমি যি দুঃসাহস কৰিছিলা, সেই দুঃসাহস এতিয়া দেখুওৱা। কাইলৈ পুৱা হোৱাৰ লগে লগে লংকাৰ চাৰিওসীমাৰ প্ৰাচীৰ, দ্বাৰ আৰু তোমাৰ ৰাক্ষস সেনাক মোৰ বাণেৰে ভস্মীভূত কৰিম, খবৰদাৰ।" শুক আৰু চাৰণে ৰামৰ প্ৰশংসা কৰি, লংকালৈ ঘূৰি গৈ, ৰাৱণক ক'লে, "মহাৰাজ, আমি বানৰ সেনাৰ মাজত প্ৰৱেশ কৰাৰ লগে লগে, বিভীষণে আমাক ধৰি পেলালে, কিন্তু ৰামে আমাক দয়া কৰি এৰি দিলে। বানৰ সেনাত ৰাম, লক্ষ্মণ আৰু বিভীষণ, সুগ্ৰীৱেই যথেষ্ট। তেওঁলোক পৰাক্ৰমত ইন্দ্ৰতকৈ কোনোগুণে কম নহয়। লংকা ধ্বংস কৰিবলৈ

সেই চাৰিজনেই যথেষ্ট। বাকী বানৰসেনা অনাৱশ্যক যেন ধাৰণা হয়। ৰামৰ বয়স আৰু তেওঁৰ লগত থকা অস্ত্ৰ শস্ত্ৰ দেখি ধাৰণা হয় তেওঁ অকলেই যথেষ্ট। লক্ষ্মণ, বিভীষণ আৰু সুগ্ৰীৱৰনো কি প্ৰয়োজন আছে? আৰু বানৰবোৰৰ মাজত ইমান উৎসাহ আছে যে যুদ্ধ কেতিয়াকৈ আৰম্ভ হ'ব তাৰ বাবে আটাইবোৰ বানৰ অধৈৰ্য হৈ পৰাৰ দৰে হৈছে। সেয়েহে ৰামৰ সেনাৰ লগত যুদ্ধ কৰাতকৈ সীতাক ঘূৰাই দিয়াটোৰেই বেছি ভাল হ'ব।"

তাকে শুনি ক্ৰোধান্বিত ৰাৱণে চাৰণক ক'লে, "যদি সকলো লোক মিলিও মোক আক্ৰমণ কৰে তথাপিও মই সীতাক এৰি নিদিওঁ। তুমি যিহেতু ভয়াতুৰ সেয়েহে বান্দৰৰ হাতত এশিকলি পাই তুমি সীতাক এনেকৈ এৰি দিবলৈ মোক পৰামৰ্শ দিছা।"

এইবুলি কৈ শুক আৰু চাৰণক লগত লৈ ৰাৱণ নিজৰ বৰফাবৃত পাহাৰৰ দৰে শুভ্ৰ প্ৰাসাদৰ ওপৰলৈ গ'ল। তাৰপৰা তেওঁ দেখা পালে যে পৰ্বত আৰু বন যিফালেই চোৱা যায় সকলোতে বানৰ সেনাৰে ভৰি আছে।

তেওঁ চাৰণৰ ফালে ঘূৰি লৈ ক'লে, "বানৰ-বোৰৰ ভিতৰত সবাতোকৈ শক্তিশালী কোন? কোন সিহঁতৰ নায়ক? তাৰ ভিতৰত মুখ্য কোন?"

"লংকাৰ ফালে মুখ কৰি সিংহনাদ কৰি থকা বানৰ হ'ল নীল আৰু হাত ওপৰলৈ কৰি মুখ ভূমিৰ ফালে কৰি থিয় হৈ থকাজন হ'ল বানৰ সেনাপতি অংগদ। সুগ্ৰীৱৰদ্বাৰা যুৱৰাজ হিচাপে অংগদৰ অভিষেক সম্পন্ন কৰা হৈছে। অংগদ হ'ল বালীৰ পুত্ৰ। হনুমানেতো লংকা দেখি গৈছেই। অংগদৰ পিছত আছে নল। তেওঁৱেই সমুদ্ৰৰ ওপৰত সেতু নিৰ্মাণ কৰিছিল। তেওঁৰ অকলেই লংকা জয় কৰাৰ অভিলাষ আছে। সৈনিকসকলক ঠিকমতে থিয় হ'বলৈ যিজনে নিৰ্দেশ দি আছে তেওঁ হ'ল শ্বেত। আৰু সৌজন বানৰৰ নাম কুমুদ। তেওঁ খুব খঙাল আৰু ভয়ানক। সেই বান্দৰজন হ'ল ৰম্ভ। আৰু অংগবস্ত্ৰ লৈ থকাজনৰ নাম শ্বৰভ। মৃত্যুলৈ তেওঁৰ সমূলি ভয় নাই। যুদ্ধত তেওঁ কেতিয়াও পিছ হুঁহকি নাহে।" চাৰণে এইবুলি ৰাৱণক বানৰ সেনাৰ এজন এজন নায়কৰ পৰিচয় দিলে।

চাৰণৰ পাছত শুকেও আৰু কেইজনমান শত্ৰুৰ নায়কৰ বিষয়ে আৰু তেওঁলোকৰ সাহস তথা পৰাক্ৰমৰ কথা ক'লে।

ৰাৱণ তেওঁৰ মন্ত্ৰীয়ে শত্ৰুৰ এনে প্ৰশংসা কৰা শুনি ক্ৰোধান্বিত হ'ল। তেওঁ দুই মন্ত্ৰীক ক'লে, "মোৰেই নিমখ খোৱা আৰু মোকেই মোৰ অপ্ৰিয় কথা শুনোৱা। আৰু যুদ্ধ আৰম্ভ হ'ব খোজা সময়ত এনেকৈ শত্ৰুক প্ৰশংসা কৰাটো সমীচিন হৈছেনে? ডাঙৰসকলৰপৰা তোমালোকে শিকিলা কি? তোমালোকে পঢ়া নীতিশাস্ত্ৰৰ স্বৰূপ এনেকুৱাই নেকি? তোমালোকৰ বিন্দুমাত্ৰও সাধাৰণ জ্ঞান নাইনে? তোমালোকক মৃত্যুদণ্ড দিয়া উচিত কিন্তু তোমালোকে পূৰ্বতে কৰা ভাল কামবোৰৰ বাবেই মই তোমালোকক এৰি দিলো। সেয়াও জানো মৃত্যুৰ সমতুল্য নহয়?"

ৰাৱণৰ এই কথা শুনি শুক আৰু চাৰণ লজ্জিত হ'ল আৰু ৰাৱণৰ জয়ধ্বনি কৰি গুচি গ'লগৈ।

ৰাৱণে মহোদৰক পঠিয়াই গুপ্তচৰক মতাই আনি ক'লে, "তুমি ৰামৰ ওচৰলৈ যোৱা। খবৰ কৰাগৈ তেওঁ কি কৰি আছে? তেওঁৰ ভাল মিত্ৰ কোন? খবৰ লোৱা তেওঁ কেতিয়া শোৱে, কেতিয়া উঠে। আৰু কি কি কাম কৰে? তুমি অনা এইবোৰ খবৰে যুদ্ধত জয়লাভ কৰাৰ পথত আমাক সহায় কৰিব পাৰে।

সেইজন গুপ্তচৰ শ্বাৰ্দূলক লগত লৈ, বেশ সলাই চুৱেল পৰ্বতৰ ওচৰত ৰাম লক্ষ্মণ আৰু বিভীষণৰ সমীপলৈ গ'ল। ৰাম লক্ষ্মণ আৰু বানৰসেনাক দেখি সিহঁতে বৰ ভয় খালে।

বিভীষণে সিহঁতক চিনিও পালে। সিহঁতৰ ভিতৰত শ্বাৰ্দূল বৰ দুষ্ট আছিল। বিভীষণে গুপ্তচৰক ধৰি শ্বাৰ্দূলক বানৰৰ হাতত গতাই দিলে। বানৰে তাক প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰাত ৰামে বাধা দি শ্বাৰ্দূল আৰু আন গুপ্তচৰ-



জনকো এৰি দিলে। সিহঁতে ৰাৱণক ক'লেগৈ যে ৰাম সেনাসহিতে সুৱেল পৰ্বতৰ ওচৰত আছেগৈ।

ৰাৱণে শ্বাৰ্দূলক দেখি ক'লে, "তোমাৰ মুখখন ইমান নিস্তেজ দেখা গৈছে কিয়? শত্ৰুৱেতো তোমাৰ একো অপকাৰ কৰা নাই।

শ্বাৰ্দূলে ৰাৱণক ক'লে, "সেই বানৰহঁতৰ বিষয়ে যিকোনো কথা জানিবলৈ চেষ্টা কৰাটোৱেই বৰ জটিল। মই বানৰ সেনাৰ মাজত প্ৰৱেশ কৰিছিলোহে সিহঁতে মোক কৰায়ত্ব কৰিলে। বিভীষণৰ মন্ত্ৰীসকলে মোক প্ৰহাৰ কৰিলে। তাৰপাছত বানৰবোৰে মোক বৰকৈ মাৰপিট কৰিলে, মই অচেতন হৈ পৰি আছিলো। মৰিবলৈ ওলাওঁতেই ৰামেহে আহি মোক ৰক্ষা কৰিলে। তেওঁ ক'লে যে তেওঁ হেনো সোনকালে লংকা ঘেৰি নধৰে, সীতাক ঘূৰাই দিয়া হওক, নহ'লে যুদ্ধৰ বাবে সাজু হ'ব লাগে।"

ৰাৱণে শ্বাৰ্দূলৰ মুখৰপৰা বানৰৰ নেতা-সকলৰ বিষয়ে জানিব খুজিলে। তাৰপাছত ৰাৱণে নিজৰ মন্ত্ৰীসকলক মাতি যি কৰিবলৈ আছিল সেই বিষয়ে চিন্তা চৰ্চা কৰিলে। তেওঁ কিছুমান সিদ্ধান্ত লৈ মন্ত্ৰীসকলক পঠিয়াই

চান্দমামা ৰামায়ণ কুইজ

ৰাৱণৰ প্ৰথম বাৰ্ত্তাবাহক কোন আছিল
a) শুক, b) চাৰণ, c) বিভীষণ
তলত দিয়া ৰূপত 54646 লৈ SMS কৰা
CRQ <a/b/c>
পাঁচজন ভাগ্যৱান বিজেতাই পাব চান্দমামাৰ কমিক কম্বো পেক।

দিলে। মায়াবী বিদ্ধুজিহ্বক লগত লৈ সীতাৰ ওচৰলৈ গ'ল।

তেওঁ বিদ্ধুজ্জিহ্বক ক'লে, "আমি মায়া কৰি সীতাক প্ৰতাৰণা কৰিব লাগিব। তুমি ৰামৰ এটা মূৰ তৈয়াৰ কৰা। ধনু বাণ আদিও থাকিব লাগিব। সেইবোৰ লৈ মোৰ ওচৰলৈ আঁহা।"

বিদ্ধুজ্জিহ্বই সন্মতি দিলে, ৰাৱণে দিয়া পুৰস্কাৰ আদি লৈ তেওঁ গুচি গ'ল। ৰাৱণ অশোক বনত ৰাক্ষস স্ত্ৰীৰ মাজত বহি থকা সীতাৰ ওচৰলৈ গ'ল।

ঋণ আদায়

এখন গাঁৱত ধৰ্মদাস নামৰ এজন ধনী লোক আছিল। তেওঁ বৰ মহৎ আছিল। গাঁৱৰ মানুহক তেওঁ কম সুদত প্ৰয়োজন হ'লেই ঋণ দি সহায় কৰিছিল। ঋণ মোকলোৱাতো তেওঁৰ কোনো সমস্যা নাছিল।

নিজৰ ঋণ আদায় কৰাৰ উপায় ধৰ্মদাসৰ ওচৰত বহুতো আছিল। এবাৰ ৰামশৰ্মা নামৰ এজন আত্মাভিমানী ব্ৰাহ্মণে ধৰ্মদাসৰপৰা পঞ্চাশ টকা ধাৰ লৈ সুধিলে, "আপুনি কোনো কাগজ পাতি নোহোৱাকৈয়ে মোক ঋণ দিছে, যদি মই এই ঋণ পৰিশোধ নকৰো তেন্তে আপুনি কি কৰিব?"

তেতিয়া ধৰ্মদাসে হাঁহি ক'লে, "আপোনাৰ দৰে লোকৰ বাবে কাগজ পত্ৰ আৰু সাক্ষীৰ কি প্ৰয়োজন? আপোনাক এই গাঁৱত কোনে নাজানে? আপুনি এজন সন্মানিত ব্যক্তি। এই সামান্য পৰিমাণৰ ধনৰ বাবে আপোনাৰ দৰে সৎ ব্যক্তিৰ লগত কোনো লিখা মেলা কৰাৰ প্ৰয়োজন নাই। মোৰ আপোনাৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে। মই জানো যে আপুনি মোৰ ধন সময়মতেই ঘূৰাই দিব। আপুনি নিশ্চিত মনে কোনো সংকোচ নকৰাকৈ ধন লৈ যাওক। ই মোৰ সৌভাগ্য যে আপুনি মোৰ ওচৰলৈ আহিছে। যদি আপুনি পৰিশোধ নকৰেও তেতিয়া মই ধৰি ল'ম যে মই কোনো ভিখাৰীক দান কৰিলো। পঞ্চাশ টকা নাপালেও মোৰ একো ডাঙৰ লোকচান নহয়।"

আত্মাভিমানী ৰামশৰ্মাই সময়মতে নিজৰ ঋণ পৰিশোধ কৰিলে। যিকোনো মূল্যৰ বিনিময়ত তেওঁ নিজৰ সন্মান ৰক্ষা কৰিবলৈ সততে প্ৰস্তুত আছিল।

কনকদাস নামৰ ধৰ্মদাসৰ এজন ধনী প্ৰতিবেশী আছিল। কিন্তু তেওঁ বৰ মূৰ্খ আছিল। কনকদাস এলেহুৱাও আছিল। তেওঁ জানিছিল

২৫ বছৰৰ পূৰ্বে চান্দমামাত প্ৰকাশিত কাহিনী

যে সুদত ধন ধাৰে দিয়াৰ বেপাৰ কৰিলে বেছি ধন উপাৰ্জন কৰিব পৰা যায়। কিন্তু সমস্যাটো হ'ল সুদে মূলে ধন আদায় কৰাৰ কৌশল তেওঁ নাজানিছিল। ধৰ্মদাসৰপৰা তেওঁ এই কৌশল শিকিব খুজিছিল। কিন্তু তেওঁ এইটোও বিশ্বাস নকৰিছিল যে ধৰ্মদাসে তেওঁক এই কৌশল শিকাব, কাৰণ সেয়াই আছিল বেপাৰৰ ৰহস্য।

কেইদিনমানৰ পাছতে ধৰ্মদাসৰ মনলৈ এটা চিন্তা আহিল। ধৰ্মদাসৰপৰা ঋণ আদায়ৰ কৌশল জানিবলৈ হ'লে তেওঁৰপৰা ঋণ ল'ব লাগিব। সেয়েহে সেইদিনা কনকদাস ধৰ্মদাসৰ ওচৰলৈ গৈ এশ টকা ধাৰ বিচাৰিলে।

ধৰ্মদাসে আচৰিত হৈ সুধিলে, "আপোনাক মই ধাৰলৈ ধন দিব লাগে?"

"কিনো কওঁ? এটা জৰুৰী খৰচ ওলাইছে। মোৰ হাত এই মুহূৰ্ত্তত একেবাৰে খালী। আপোনাৰ বাহিৰে এই মুহূৰ্ত্তত কোনেও মোক সহায় নকৰে। অহা মাহত মই আপোনাৰ ঋণ পৰিশোধ কৰিম।" কনকদাসে ক'লে।

ধৰ্মদাস আচৰিত হ'ল, কনকদাসৰ দৰে ধনী মানুহ এজনে তেওঁৰ ওচৰত ঋণ বিচাৰি আহিল কিয়? তাকো মাত্ৰ এশ টকা। তেওঁ বুজি পালে যে ইয়াৰ আঁৰত নিশ্চয় কিবা কাৰণ আছে।

কিন্তু ধৰ্মদাসে তেওঁৰ এই অনুভূতিৰ কথা কনকদাসক জানিবলৈ নিদিলে। তেওঁ ক'লে, "বৰ ভাল কথা। মই দিম বাৰু।" এইবুলি তেওঁ ভিতৰলৈ গ'ল, এশ টকা লৈ আহিল আৰু লগতে এটা পাথৰো আনি ক'লে, "এবাৰ এই পাথৰটো স্পৰ্শ কৰক।"

কনকদাসে সুধিলে, "কিয়?"

"এনেয়ে, একো কথা নাই।" ধৰ্মদাসে হাঁহি মাৰি ক'লে। কনকদাসে পাথৰটো স্পৰ্শ কৰি এশ টকাটো তেওঁৰ হাতত তুলি ল'লে। তেতিয়া ধৰ্মদাসে ক'লে, "এমাহৰ সুদ হ'ব দুটকা।"

কনকদাসে ধৰি ল'লে তেওঁৰপৰা ধৰ্মদাসে নিশ্চয় বেছি সুদ ল'ব খুজিছে, তথাপি তেওঁ যিহেতু ধৰ্মদাসৰ বেপাৰৰ ৰহস্যহে জানিব খুজিছিল, সেয়েহে একো নোকোৱাকৈ তেওঁ গুচি আহিল।

বহুত মাহ পাৰ হৈ গ'ল, কিন্তু দুয়োৰে মাজত ঋণৰ কথা নোলালেই।

কনকদাসে পাঁচমাহলৈকে বাট চালে যে ধৰ্মদাসে তেওঁ দিয়া ঋণৰ কথা উলিয়াওক, কিন্তু ধৰ্মদাসে কথাটো নুলিওৱা দেখি কনকদাসে দেখিলে যে ধৰ্মদাসে নিজৰ টকাৰ কথা নিশ্চয়

একেবাৰে পাহৰি গৈছে আৰু তেওঁ নিজে বেছিদিন অপেক্ষা কৰিব নোৱাৰিলে।

সেয়ে তেওঁ নিজেই ধৰ্মদাসৰ ওচৰলৈ গৈ ক'লে, "ইমানদিন হ'ল ঋণৰ ধন ঘূৰাই আপুনি খোজা নাই, আপুনি কথাটো পাহৰি গ'ল নেকি?"

"মই আকৌ পাহৰিম কিয়? পলম হ'লে দেখোন মোৰেই লাভ। মই জানো আপোনাৰ-পৰা বেছি সুদ নাপাম?" ধৰ্মদাসে ক'লে।

"মই যদি ঋণ পৰিশোধ নকৰো আৰু আপোনাৰ ধন ঘূৰাই নিদিওঁ, তেতিয়া?" কনকদাসে সুধিলে।

"আপুনি এনেকুৱা কাম কৰিব নোৱাৰ, আপুনি টকা লোৱাৰ সময়ত সেই পাথৰটো স্পৰ্শ কৰা নাছিল জানো? সেই পাথৰ স্পৰ্শ কৰা কোনো মানুহেই মোৰ ধন আত্মস্যাৎ কৰিব নোৱাৰে।" ধৰ্মদাসে বুজাই দিলে।

এই ৰহস্যৰ কথা গম পোৱাৰ লগে লগে কনকদাসে ভাবিলে, "অ', আচল কথা তেনে সেইটোহে।" তথাপি খন্তেক সময় চিন্তাস কৰি তেওঁ ক'লে, "ধৰ্মদাস ডাঙৰীয়া, মই দিয়া ঋণ মানুহে পৰিশোধ নকৰে। মই বৰ উদ্বিগ্ন হৈ আছো। আপুনি অনুগ্ৰহ কৰি আপোনাৰ পাথৰটো কেইদিনমানৰ বাবে মোৰ ওচৰত থ'বলৈ দিয়ক। মই মোৰ ঋণৰ ধন আদায় কৰিয়েই মই আপোনাক পাথৰটো ঘূৰাই দিম।"

"সেইটোনো কি এনে ডাঙৰ কথা? মোৰ ওচৰত এনেকুৱা দুটা পাথৰ আছে। তাৰে এটা আপোনাক বেচি দিম। আপুনি এবছৰলৈকে পাথৰটো নিজৰ লগত ৰাখক। যদি এই



পাথৰটোৱে আপোনাৰ কাম নিদিয়ে তেন্তে পাথৰটো ঘূৰাই লৈ মই আপোনাক তাৰ দামও ঘূৰাই দিম।" ধৰ্মদাসে বুজালে।

কনকদাসে বিনয়েৰে সুধিলে, "এই পাথৰটোৰ দাম কিমান?" কিয়নো তেওঁ ভাবিছিল যে পাথৰটো ক্ৰয় কৰিলে তেওঁৰ কোনো লোকচান নহয়।

"এশ দহ টকা," ধৰ্মদাসে উত্তৰ দিলে।

কণকদাস তৎক্ষণাৎ তেওঁৰ ঘৰলৈ উভতি গ'ল। এটা মোনাত ভৰাই ধন আনি ক'লে, "ধৰ্মদাস, ডাঙৰীয়া। ঘৰত বেছি ধন নাই। মই এশ দুটকা আনিছো। এইখিনি ধন লৈয়েই সদ্যহতে আপুনি মোক পাথৰটো দিয়ক। আপোনাৰ ঋণ মই পাছত পৰিশোধ কৰিম।"

"বৰ ভাল কথা। পলম হ'লে সুদও বাঢ়ি নাযাব জানো?' এইবুলি কৈ ধৰ্মদাসে এশ দহ টকা লৈ কনকদাসৰ হাতত পাথৰটো দি

তেওঁক বিদায় দিলে। পাথৰটো হাতলৈ অহাৰ পাছত কনকদাসে গাঁৱৰ অনেক মানুহক মাতি বৰ সাহসেৰে ধন ধাৰলৈ দিলে। কোনো লিখা পঢ়া নকৰাকৈ আৰু সাক্ষী নৰখাকৈ কনকদাসে সকলোকে ঋণ দিলে। তাকে দেখি বেছি সুদৰ হাৰৰ কথা চিন্তা নকৰাকৈ বহুতেই তেওঁৰপৰা ধন ধাৰলৈ ল'লে। যিসকলে পাথৰটো স্পৰ্শ কৰিলে, সেই সকলোকে কনকদাসে ঋণ দিলে।

কেইবামাহো পাৰ হৈ গ'ল। কনকদাসৰপৰা ঋণ লোৱা মানুহৰ সংখ্যা বাঢ়ি গ'ল। প্ৰথমতে কনকদাসে বৰ উৎসাহেৰে ধন ধাৰলৈ দিছিল। তেওঁ বহুত ধন এনেকৈ ধাৰ হিচাপে মানুহৰ মাজত বিলাই দিলে। লাহে লাহে তেওঁৰ বিশ্বাস টুটি আহিল। হঠাতে তেওঁ অনুভৱ কৰিলে যে ঋণ ল'বলৈতো তেওঁৰ ওচৰলৈ বহুত মানুহ আহে কিন্তু কোনেও ঋণ পৰিশোধ কৰাৰ নামেই নলয়। সাত আঠ মাহ মৌন হৈ থকাৰ পাছত কনকদাসে ধৰ্মদাসৰ ওচৰত অভিযোগ কৰিলেগৈ।

ধৰ্মদাসে পৰামৰ্শ দিলে এবছৰলৈকে অপেক্ষা কৰা ভাল হ'ব।

এবছৰ পাৰ হৈ গ'ল। ঋণ দি কনকদাসৰ বহুখিনি ধন হাতৰপৰা ওলাই গ'ল। এজনেও ঋণ পৰিশোধ নকৰিলে। তেওঁৰ ধৈৰ্যৰ বান্ধ ছিঙি গ'ল। তেওঁ ভয় খালে। শেষত তেওঁ অস্থিৰ হৈ পাথৰটো লৈ ধৰ্মদাসৰ ঘৰলৈ গ'ল আৰু ক্ৰোধান্বিত হৈ চিঞৰি চিঞৰি ক'লে, "আপুনি মোক বেয়াকৈ প্ৰতাৰণা কৰিলে। আপোনাৰ কথা মানি লৈয়েই মই মোৰ বহুখিনি ধন হেৰুৱাবলগীয়া হ'ল।"

"সেই পাথৰটোৱে মোকতো ভাল কাম দিছিল, মইনো এতিয়া কি কৰো?" ধৰ্মদাসে উত্তৰ দিলে।

"মোৰ একো কাম নকৰিলে। এবছৰ পাৰ হৈ গ'ল। আজিলৈকে আপুনি মোক দিয়া ঋণেই আদায় নকৰিলে। আপোনাৰ পাথৰৰ কোনো মহিমা নাই।" কনকদাসে ক'লে।

"মোৰ ঋণ কিয় আদায় হোৱা নাই? সুদৰ সৈতে কেতিয়াবাই সেই ঋণ আদায় কৰা হৈছে। মই সেই পাথৰটো আপোনাক বিনামূল্যে দিছিলো। আপুনি মোক যি ধন দিছিল, সেইখিনি মই মোৰ ঋণপ্ৰাপ্তি বুলি জমা কৰিলো।" ধৰ্মদাসে লাহেকৈ ক'লে।

1
আৰ্য
ৰঙা মণিৰ সন্ধানত
চিত্ৰ: গান্ধী অৰ্যা
ৰাণী সুকন্যাই ভয় খালে, তেওঁ বাগৰ সলালে। কাউৰীৰ নখে তেওঁক টোপনিত আঘাত কৰিছিল।
ৰাণী ৰাতি শুই থাকোতে সপোনত এটা আচৰিত সংগীত শুনিলে।
সেই কাউৰীটো! ৰাজন, সি পলাই গ'ল।
কি হ'ল সুকন্যা ক'বানে মোক?
সুকন্যা, শান্তিপুৰত এনেকুৱা কোনো নাই যি তোমাক ক্ষতি কৰাৰ সাহস কৰিব পাৰে।
মই এই কথাৰ খবৰ কৰিম, মোক বিশ্বাস কৰা!
মই...মই... আকৌ সেই ভয়ানক সপোন দেখিছিলো।
মই জানো আৰ্য, কিন্তু সেই সপোন, ইয়াৰ নিশ্চয় কিবা বিশেষ অৰ্থ আছে।

আৰ্য! এসময়ৰ কথা যেতিয়া এজন অচিনাকি ৰাজকুমাৰে সেনাপতি বীৰসিংহক পৰাজিত কৰিছিল যিজন সেনাপতিয়ে সিংহাসন দখল কৰিব খুজিছিল, আৰু আপুনি ন্যায়পূৰ্ণ আৰু কুশল শাসনেৰে শান্তিপুৰত শান্তি স্থাপন কৰিলে।
কিন্তু এদিন তেওঁৰ উপদেষ্টা প্ৰভাতে জনালে যে।
এতিয়ালৈকে এই ঘটনাৰ তদন্ত হোৱা নাই নেকি?
ৰাজ্যত শিশু নিৰুদ্দেশ হৈ আছে, আমাৰ সৈনিকেও একো কৰিব পৰা নাই।
নাই হোৱা!
তেওঁলোকে কয় যে যিবোৰ দিনত শিশু নিৰুদ্দেশ হৈ আছিল, পূৰ্ণিমাৰ ৰাতি উপসাগৰত এজনী কুকুৰনেচীয়া বাঘ দেখা গৈছিল।
প্ৰভাত তুমি পূৰ্বৰ ওচৰলৈ যোৱা আৰু তদন্ত কৰা, এই কাম মই কেৱল তোমাকহে দিব পাৰো।
আপুনি মোৰ ওপৰত ইমান বিশ্বাস কৰিছে, সেইটো মোৰ বাবে সন্মানৰ কথা।

পিছদিনা শান্তিপুৰলৈ এজন মহাত্মা আহিল...
মহাত্মা! আপুনি আমাৰ কথা অনুগ্ৰহ কৰি শুনক, ৰজা এতিয়া ৰাজসভাত ব্যস্ত আছে, আমি একো...
মোক এৰা মূৰ্খহঁত, মই এতিয়াই তোমালোকৰ ৰজাক লগ পাব লাগে।
ইয়াত কোনোবাই শান্তিপুৰৰ ভৱিষ্যত লৈ চিন্তা কৰিছেনে? হে ৰজা, বাহিৰলৈ আহক আৰু শুনক।
প্ৰহৰী, তেখেতক আহি-বলৈ দিয়া।
ৰজাই মহাত্মাক আদৰ সম্ভাষণ জনালে।
আৰ্যৰ নিজা কক্ষত।
ৰাজন, মই নিজৰ ব্যৱহাৰৰ বাবে ক্ষমা বিচাৰিছো, আচলতে মই আপোনাক তৎক্ষণাৎ লগ পাব খুজিছিলো।
আপুনি মোৰ প্ৰহৰীহঁতক অনুগ্ৰহ কৰি ক্ষমা কৰক, সিহঁতে কেৱল নিজৰ কৰ্ত্তব্যহে পালন কৰিছিল।
মই আপোনাক ক'বলৈ আহিছো যে শান্তিপুৰৰ ভয়ানক বিপদ সমাগত, সম্ভৱ আপুনি তাৰ লক্ষণসমূহ ধৰিব পাৰিছে।
এই লক্ষণ...

ৰাজন, এই সপোনবোৰক উপেক্ষা নকৰিব, সেইবোৰে অজ্ঞাত ভাষাৰে আপোনাক ক'ব খুজিছে কি হ'বলগীয়া আছে?
আপুনি ৰাণীৰ দুঃস্বপ্নবোৰৰ কথা ক'ব খুজিছে, কিন্তু আপুনি জানিলে কেনেকৈ?
মোৰ কাম হ'ল জনা আৰু আপোনাৰ কাম হ'ল কৰ্ত্তব্য পালন কৰা। ৰাণীয়ে সপোনত দেখা পোৱা কাউৰীয়ে তেজ বিচাৰিছে, শিশু নিকদ্দেশ হোৱা ঘটনাৰ লগত ইয়াৰ সম্পৰ্ক আছে বুলি আপুনি নাভাবানে?
অনুগ্ৰহ কৰি তেওঁক কওক।
যেতিয়ালৈকে ৰাণীয়ে সপোন দেখাটো বন্ধ নহয়, তেতিয়ালৈকে ৰাণীয়ে নিজৰ সন্তান হেৰুৱাৰ ভয় থাকিব।
হে জ্ঞানী মই কি কৰা উচিত।
কিবা পদক্ষেপ লোৱাৰ আগতে আপুনি শান্তিপুৰৰ কাহিনী জনা উচিত।
আগলৈ

চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩

(১৬ বছৰৰ তলৰ শিশুৰ বাবে)

Co-sponsored by Infosys *FOUNDATION, Bangalore*

যি শুদ্ধ উত্তৰ দিয়ে, তেওঁলোকৰ মাজৰে এজনক দিয়া হ'ব *২৫০ টকা!

*যদি সৰ্বশুদ্ধ প্ৰৱিষ্টি এটাতকৈ অধিক হয় তেন্তে সফল প্ৰতিযোগীসকলৰ প্ৰত্যেককে দিয়া হ'ব ৫০ টকাকৈ।

তুমি কি কৰা উচিত:

১.এখন কাগজত উত্তৰবোৰ লিখা;

২.নিজৰ নাম, বয়স তথা পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা;

৩.লেফাফাৰ ওপৰত **চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩** বুলি লিখা;

৪.তোমাৰ উত্তৰ ৩০ এপ্ৰিল ভিতৰত আমাৰ হাতত পৰা উচিত।

৫. সঠিক উত্তৰ জুন ২০০৯ সংখ্যাত প্ৰকাশ কৰা হ'ব।

বিশ্ব ইতিহাস

১. পৃথিৱীৰ চাৰিওফালে ঘূৰা প্ৰথম নাবিকজন কোন? কেতিয়া ঘূৰিছিল?

২. কোনখন ৰাষ্ট্ৰৰ এসময়ৰ নাম আছিল মেচো পটেমিয়া?

৩. কোনগৰাকী সম্ৰাজ্ঞীয়ে সৰ্বাধিক সময় ৰাজত্ব কৰিছিল? কিমান দিনৰ বাবে?

৪. জীৱন্তে অগ্নিদগ্ধ হোৱাৰ সময়ত জোৱাণ অৰ আৰ্কৰ বয়স কিমান আছিল? সেইটো কেতিয়া সংঘটিত হৈছিল?

৫ হিটলাৰৰ চিক্ৰেট চাৰ্ভিচৰ নাম কি আছিল?

৬. এজন মাৰ্কিন ৰাষ্ট্ৰপতিয়ে তেওঁৰ কাৰ্যকালৰ গোটেই সময়ছোৱাত কৰোৱেই লগত কৰমৰ্দন কৰা নাছিল? তেওঁ কোন আছিল? তেওঁ কেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি হৈছিল?

Avail the loyalty bonus!

Chandamama Subscribers will get flat 20% off on subscription renewals! (All Editions)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!
Go to
www.chandamama.com
or SMS CSHOP to 54646
& we'll get in touch
with you!
Subscribe Now!!

Chandamama is available in English and 12 regional languages. Junior Chandamama for children below 9 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior

Name: ....

Date of Birth: .... Sex :....................

Address: ....

....

....

.... City: ....

State:.. Pin:.........................

Telephone:..

Mobile:...

Email:...

Subscription Number 9for renewals):...................................

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..

Cheque/DD No ....

favouring Chandamama India Ltd on.......................................

....bank.

*Add Rs.60 for non-Chennai cheques. Your subscription will commence in 4 weeks.

Please mail the subscription form to:
Chandamama India Limited,
New 2/513 (Old 3/396) Sundeep Avenue East,
2nd Main Road, Chinna Neelankarai,
Chennai - 600041. Phone: (044) 43992828. Fax: (044) 43992829
Email: subscription@chandamama.com
You can also subscribe online at: www.chandamama.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
ENGLISH (Rs. 25/- per copy)	Rs. 300	Rs. 540	Rs. 765	Rs. 960	Rs. 1125
You Save		Rs. 60	Rs. 135	Rs. 240	Rs. 375
REGIONAL (Rs. 20/- per copy)	Rs. 240	Rs. 430	Rs. 610	Rs. 770	Rs. 900
You Save		Rs. 50	Rs. 110	Rs. 190	Rs. 300
JUNIOR (Rs. 15/- per copy)	Rs. 180	Rs. 325	Rs. 460	Rs. 575	Rs. 675
You Save		Rs. 35	Rs. 80	Rs. 145	Rs. 225

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

জানো আহাঁ নানা কথা

বিজ্ঞানৰ কত কথা

জন্তুৰ বিষয়ে আচৰিত কথা

জন্তুৰ জগতখনৰ কিছুমান অবিশ্বাস্য কথা আছে। হাতীৰ নেজডাল ইমানেই স্পৰ্শকাতৰ যে ই আনকি এটা বেজীও বিচাৰি তুলি আনিব পাৰে।

জিৰাফৰ দীঘল আৰু থিয় ডিঙিটোত আমাৰ দৰে মাত্ৰ সাতডাল হাড় আছে।

নীলা তিমিৰ মাতৰ তীব্ৰতা ১৮৮ ডেছিবেল পৰ্যন্ত হ'ব পাৰে। মানে এটা ৰকেটে কৰা শব্দৰ তীব্ৰতা। কিছুমান জন্তুৱে একো শব্দ নকৰে। কিন্তু সিহঁতৰ প্ৰজাতিৰ আন কাৰোবাক সিহঁতৰ অৱস্থিতিৰ কথা জনাবলৈ আন কিছুমান বিশিষ্ট উপায় অৱলম্বন কৰে।

জন্মৰ সময়ত এটা কেংগেৰু এটা বীনতকৈ ডাঙৰ নহয়, আৰু প্ৰাপ্তবয়স্ক হয় মানে ইয়াৰ আকাৰ জন্মৰ সময়ৰ আকাৰৰ প্ৰায় ৬০০০০ গুণ হয়। ইয়াৰ বাবেই ইয়াক সবাতোকৈ বেছি দৈহিক বিকাশ লাভ কৰা স্তন্যপায়ী বোলা হয়।

তোমাৰ পৰিৱেশ

পাকঘৰৰপৰা মটৰগাড়ীলৈ

কমি অহা প্ৰাকৃতিক সম্পদবোৰৰ কথা লৈ আমি প্ৰায়েই উদ্বিগ্ন হওঁ। এই সম্পদবোৰৰ ব্যৱহাৰ লাহে লাহে বাঢ়ি আহিছে। পেট্ৰলিয়ামৰ ক্ষেত্ৰত এই কথা বিশেষভাৱে প্ৰযোজ্য।

ইয়াৰ ফলত পেট্ৰলিয়ামৰ এটা বিকল্পৰ সন্ধান কৰাৰ প্ৰয়োজনীয়তাও বাঢ়ি আহিছে।

চেচৰিচ ফৰ্ড নামৰ বিকল্প ইন্ধন বিশেষজ্ঞজনে বিশ্বাস কৰে যে, ইঞ্জিন চলোৱাৰপৰা আৰম্ভ কৰি বৃহৎ যন্ত্ৰৰ পিছলকৰ কামলৈকে পাচলিৰপৰা উলিওৱা তেলে সকলো কাম কৰিব পাৰে।

ফৰ্ডৰ মতে, পাচলিৰপৰা নিৰ্গত তেলভিত্তিক দ্ৰব্যবোৰে পৰিৱেশৰ প্ৰায় ক্ষতি নকৰে যিটো সমস্যা আছে, পেট্ৰলজাত দ্ৰব্যবোৰত। কিয়নো এইবোৰ হ'ল জৈৱপতনযোগ্য, অবিভাজ্য আৰু এইবোৰ তৈয়াৰ কৰা হয় নবীকৰণযোগ্য সম্পদৰপৰা। ইন্ধন হিচাপে ব্যৱহাৰ কৰিলে ইহঁতে প্ৰায় কোনো গ্ৰীণহাউচ গেচ নিৰ্গমণ নকৰে।

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

TATA NARAYANAMURTHY



TATA NARAYANAMURTHY

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা তলৰ ঠিকনাত:
ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা ইণ্ডিয়া লিমিটেড, নতুন ২/৫১২ (পুৰণি ৩/৩৯৬, সন্দীপ এভিনিউ ইষ্ট, দ্বিতীয় মূল পথ, চিন্না নীলাংকাবাই, চেন্নাই-৬০০০৪১

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগীক ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। পুৰস্কাৰ পাওঁতা জনৰ নাম জুন সংখ্যাত প্ৰকাশ কৰা হ'ব।

ফেব্ৰুৱাৰী সংখ্যাৰ পুৰস্কাৰ বিজেতা:

আৰয়ান বৰুৱা
মাৰফৎ: ধনেশ্বৰ বৰুৱা
ডাক: গন্ধিয়া তিনিআলি
ভায়া: মাছখোৱা
অসম-৭৮৭০৫৮
লক্ষীমপুৰ

বিজয়ী প্ৰৱিষ্টি

এফালে ক্লান্ত দেহা।
আনফালে সততাৰ বেহা।।

ভাৰতৰ বিষয়ে জানি লোৱাৰ উত্তৰসমূহ:

১. দামোদৰ চাভাৰকাৰ; ২. ড. ৰাজেন্দ্ৰ প্ৰসাদ; ৩.আৰ.কে. নাৰায়ণ; ৪. নাৰায়ণ কাৰ্থিকেয়ান; ৫. কান্নাৰ; ৬. থাকাজি শিৱশংকৰ পিল্লাই; ৭. মহাৰাজা ৰণজিৎ সিঙ; ৮.কাৰিকালা চোলা।

Printed and Published by L. Subramanyan at B.N.K. Press Pvt. Ltd., Chennai - 26 on behalf of Chandamama India Limited, JVL Plaza, 6th Floor, 626 (Old 501), Anna Salai, Teynampet, Chennai - 600 018. Editor : L. Subramanyan

Log onto www.chandamama.com



Your Chandamama is available in many avatars!

Regional Chandamama (9+ age group): Read your favourite stories in your own language! Chandamama takes you closer home even as your imagination soars!

Your Language, Your Chandamama.

Rs.20/-

* Ramayana * Vikram-Vetal * Jataka * Akbar-Birbal

Available in 12 Languages:

Telugu, Hindi, Marathi, Oriya, Kannada, Bengali, Tamil, Malayalam, Gujarati, Assamese, Sanskrit, Santali



Rs.15/-

Junior Chandamama
(4+ age group):
A magazine for the little ones peppered with activities,
pictures, and stories that will grip their imagination.

Make friends with **Mintoo, Gooba,** and a host of other whacky characters!

* **Picture story**
* **Puzzles & Crosswords**
* **Colouring**
* **Rebus**

You name it and it's got it!

Chandamama English
(9+ age group):
A children's magazine that has adapted itself to the changing needs of children across decades, Chandamama English offers you a delectable mix of the classic and the contemporary in 72 pages that value fun!

* **Sports**
* **Technology**
* **Contemporary stories**
* **Classics**

Revamped.
Redesigned.
Relevant. Read it!



Rs.25/-

SMS CSHOP to 54646 & we'll get in touch with you! Subscribe Now!

CHANDAMAMA (Assamese) April 2009 Registrar of Newspapers of India No. 30278/76. Regd No. TN/CH(C)/218/09-11
Licensed to post WPP - Inland No.TN/CC(S)Dn/80/06-08, Foreign No. 81/06-08